# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baā̃hai | |
| Translated Title: | |
| Place of Publication: Kolkota (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

৩/৪

# সূচী


| বিষয় | পৃষ্ঠা |
| --- | --- |
| কবি | ১৬৯ |
| আমাদের সমাজ সম্বন্ধে মুসলমান | ১৭০ |
| মুক্তিআন্দোলন | ১৭৪ |
| পানিপথ | ১৭৬ |
| গুরু চরিত্র | ১৮২ |
| আজির দিন আর ভবিষ্যৎ | ১৮৭ |
| ভবানন্দ ও নারায়ণ ঠাকুর ও ঠাকুর জাত | ২০৩ |
| জীবন স্মৃতি | ২২৫ |
| চিঠি | ২২৭ |
| সম্পাদকের কথা | ২৫৮ |

# কবি।

পূজনীয় কবি তুমি সংসাৰৰ পুষ্পবন।
বিৰাজিছা জগতত ৰবিৰ কিৰণ যেন ॥
হিয়াৰ তলিৰপৰা ভাৱৰ নিজৰা বয়।
মধুৰ অমিয়া স্বৰে দশো দিশ্ পোহৰায় ॥
নৱ নৱ ভাৱ লই শান্তিহীন মানৱৰ,
সুকোমল কবিতাৰে শান্তি দিয়া হৃদয়ৰ ॥
সংসাৰী বিবেকী আৰু আন আন যত প্ৰাণী,
তোমাৰ মধুৰ শুনি হৃদয়ৰ প্ৰতিধ্বনি ॥
কত আনন্দৰ ঢউ হিয়াত জিৰণি লয়।
কত কত হৃদয়ৰ বিষাদ আঁতৰি যায় ॥
একে ধৰে অচেতন একে ধৰে নিমগন,
নতুন নতুন শুনি কল্পনাক কোন জন ॥
স্নেহ-ডোলে বান্ধ খাই নিন্দ যাৰ চিত্তধনি।
কঠুৱা হৃদয়ে বয় প্ৰেম-স্ৰোতে চকুপানী ॥
ইনাইবিনাই কান্দে নিৰাশাৰ ল'গ লই।
আহা কি মানৱ কোন তুমি, চিনিপোৱা নাই ॥
মিলনে মিলনে মুহি কৰ্ত্তব্যৰ পাছ ধৰি,
আগলই নিছা ভৰি জীৱনৰ লক্ষ্য কৰি ॥
নৱ ৰসে নৱ ভাৱে নিফুট সুৰেৰে কত
শান্তিৰ শীতল ছায়া বিতৰিছা জগতত ॥

শ্ৰীকালিদাস খাটনিয়াৰ।

# আমাৰ সমাজ সম্বন্ধে দুআষাৰমান।

দিনৰ পাছত ৰাতি, আকৌ ৰাতিৰ পাছত দিন, মাহৰ পাছত মাহ, বছৰৰ পাছত বছৰ আহিব লাগিছে যাব লাগিছে, বিৰাম নাই বিশ্ৰাম নাই। সেই দৰে দুখৰ পাছত সুখ হয় আৰু সুখৰ পাছত দুখ হয়। এই পৰিবৰ্ত্তনৰ কাৰণতেই আজি কত চক্ৰবৰ্ত্তী ৰজাৰ সন্তান পথৰ ভিখাৰী হৈছে আৰু কত অসভ্য বৰ্ব্বৰ জাতি চক্ৰবৰ্ত্তী ৰজা হৈছে। এই দৰেই পৰিবৰ্ত্তনশীল জগতত পৰিবৰ্ত্তন হবই লাগিছে।—মাত্ৰ এটা কথা, কিছুমান পৰিবৰ্ত্তন আপোনা-আপুনি হয়, যাক আমি প্ৰকৃতিৰ গতি বোলোঁ। আৰু কিছুমান পৰিবৰ্ত্তন আমি কৰি লব লাগে। প্ৰকৃতিৰ গতি কিছুমান বন্ধা নিয়মৰ অধীন আৰু আমি কৰি লব পৰা পৰিবৰ্ত্তন আমাৰ কৰ্ম্মৰ অধীন।

ঈশ্বৰে আমাক বুদ্ধিবৃত্তি দিছে, ভোগ দিছে, আৰু কৰ্ম্মোপযোগী অঙ্গ প্ৰত্যঙ্গাদি দিছে আৰু আমাক কৰ্ত্তব্য কৰিবলৈ সঙ্কেত দিছে; ইমানতো যদি আমি দুৰ্বুদ্ধি কষ্ট পাওঁ সি মাথোন আমাৰ মূৰ্খামী। ৰুৱৰ বতৰত নুৰুই দাৱৰ বতৰত লোকৰ দেখি হিয়া মূৰ ভুকুৱালে আৰু কপালক দোষ দিলে একো ফল নহয়। ঈশ্বৰে বতাহ দিছে, নাৱৰীয়াই নাৱত পাল লগাই দিলেহে নাও চলিব, তাকে নকৰি হাত সাবাটি বহি থাকিলে নাও আপোনা-আপুনি নচলে।

চিৰদিন কাৰো সমানে নাযায়। আমাক সদায় বসন্তকে লাগে কিন্তু পাম জানো? কেতিয়াও নাপাওঁ। গ্ৰীষ্ম আহিবই আহিব। অসমীয়াৰ এসময়ত বসন্ত আছিল; এসময়ত অসমীয়াই বসন্তৰ অনুপম সুখ উপভোগ কৰিছিল। অসমীয়াৰ সেই সুদিনৰ নিমিত্তেই আসাম (কামৰূপ) দেৱতাৰো বাঞ্ছনীয় হৈছিল। দিওঁতাজনে আসামক ভাৰতৰ শীৰ্ষস্থান দিছিল। কিন্তু সেই বসন্ত সদায় নাথাকিল। গ্ৰীষ্মৰ প্ৰখৰ সূৰ্য্যৰ তাপত বসন্তৰ সকলো সৌন্দৰ্য্য লোপ পালে। পুৰণা কামৰূপৰ ঠাইত নতুন আসামৰ সৃষ্টি হল। গ্ৰীষ্মও গল বৰ্ষা আহিল। বাৰিষাৰ উটা-বুৰা পানীয়ে জহকালিৰ চোকা ৰদত কলা পৰি পকা অসমীয়াক উটাই নিলে। অসমীয়াই বাট পথ হেৰুৱাই উটি বুৰি দুখি দুখিব দশা হল। লাহে লাহে বৰ্ষাও গল শৰৎ আহিল।



শাৰদীয় নিৰ্ম্মল আকাশত মাধৱদেৱ দামোদৰদেৱ আদি অসংখ্য সৰু বৰ নক্ষত্ৰৰে সৈতে শ্ৰীমন্ত শঙ্কৰ পূৰ্ণচন্দ্ৰ উদয় হল। নিৰ্ম্মল চন্দ্ৰৰ কিৰণত অসমীয়াই আকৌ বাটপথ দেখা পালে, আকৌ জ্ঞান পালে। নৰনাৰায়ণ, চিলাৰাই, গদাধৰ, ৰুদ্ৰসিংহ প্ৰভৃতি কৰ্ম্মবীৰসকলে জন্মগ্ৰহণ কৰি অসমৰ কীৰ্ত্তি চাৰিওফালে ঘোষণা কৰিলে। যি দীল্লিশ্বৰ জগদীশ্বৰৰ লগতহে তুলনা হৈছিল সেই দীল্লিশ্বৰেও আহোমৰ দিনত অসমীয়াৰে সৈতে যুদ্ধ কৰি হাৰ মানিলে। লাহে লাহে শৰৎ গল, হেমন্ত আহিল; হেমন্তৰ কুৱঁলীয়ে আকৌ বাট পথ ছাটি পেলালে। আকৌ বাট হেৰুৱা অসমীয়াক মান মৰাণে অবাটত পাই কাটি ছিদি সাঙ্ কৰিলে। দুৰ্ব্বল অসমীয়াৰ পৰমেশ্বৰ সহায় হল। বৃটিচ সূৰ্য্য উদয় হল, হেমন্তৰো কুঁৱলী কমিল, লাহে লাহে আকৌ বাট পথ দেখা পোৱা হল। কিন্তু অতি ভয়ঙ্কৰ কথা; হেমন্তৰ পাছত দুৰ্ঘোৰ শীত। এতিয়া জানো অসমীয়াই দুৰ্ঘোৰ শীত সহিব নোৱাৰি অকালতে প্ৰাণ হেৰুৱায়।

অসমীয়াই বৃটিচ সূৰ্য্যৰ পোহৰত বাট দেখিছে হয় কিন্তু বাটত কুৱঁলী আছে; শঙ্কৰদেৱ আৰু ৰুদ্ৰসিংহ ৰজাৰ নাম লৈ জপ কৰিবলৈ শিকিছে হয় কিন্তু কুৱঁলীৰ হাত সাৰিব পৰা নাই।

ধৰ্ম্মই জাতীয় জীৱনৰ ভেটি। একে জাতিৰ সকলো মানুহ এক ধৰ্ম্মৰে আৰু এক প্ৰাণেৰে অনুপ্ৰাণিত নহলে সেই জাতিয়ে উন্নতিৰ আশা কৰিব নোৱাৰে। যদি অসমীয়াই নিজৰ উন্নতিৰ আশা কৰে তেনেহলে সকলো অসমীয়াই এক সনাতন ধৰ্ম্মাৱলম্বী হৈ এক প্ৰাণেৰে অনুপ্ৰাণিত হব লাগিব। আমি সকলো এক, আমি ঈশ্বৰৰ ওচৰত সকলো সমান। তেওঁৰ ওচৰত হিন্দু মুছলমান নাই—মহাপুৰুষীয়া দামোদৰীয়া নাই, ব্ৰাহ্মণ চণ্ডাল নাই—সকলো সমান। যেয়ে তেওঁৰ সঙ্কেত মতে নিজৰ কৰ্ত্তব্য কৰে সেয়ে তেওঁৰ প্ৰিয় আৰু যেয়ে তাকে নকৰে সেয়ে তেওঁৰ অপ্ৰিয়। শঙ্কৰদেৱৰ নাতি হলেই শুচি হব নোৱাৰে সৎ কৰ্ম্ম কৰিলেহে আৰু তেওঁৰ উদ্দেশ্যে ভক্তি দেখুৱালেহে শুচি হব পাৰে।

পৰৰ উপকাৰ কৰিবলৈ জ্ঞান শিক্ষা কৰিবলৈ নিজৰ কৰ্ম্ম কৰিবলৈ আৰু সুখ দুখুলি হৰিগুণ গান কৰিবলৈ—সকলো ধৰ্ম্মই শিক্ষা দিব। যেনেকৈ

পানীক 'ৱাটাৰ', জল, পানী আদি বেলেগ বেলেগ ঠাইৰ নাম দি লৈছে ঈশ্বৰকো সেই দৰেই বেলেগ বেলেগ ঠাইৰ মানুহে বেলেগ বেলেগ নাম দি লৈছে। একে ঘাটৰ পানীকে যেনেকৈ বেলেগ বেলেগ বাটেদি গৈয়ো আনিব পাৰি, এক ঈশ্বৰকো বেলেগ বেলেগ নিয়মেৰে উপাসকৰ ৰুচি অনুসৰি উপাসনা কৰিব পাৰি। তেহেলৈ আমি 'গদ' বোলোঁ, 'আল্লা' বোলোঁ, 'ব্ৰহ্ম' বোলোঁ, 'ৰাম, কৃষ্ণ' বোলোঁ; অথবা শিব, দুৰ্গা, কালী বোলোঁ—ঈশ্বৰ মাত্ৰ এজনা। এজনা মাত্ৰ জ্যোতিৰ্ম্ময় ব্ৰহ্মই গোটেই জগতকে আবৰি আছে। তেওঁক এৰি আমি এখোজো দিব নোৱাৰোঁ। আমি যি কৰোঁ সকলো তেওঁৰেই কৰ্ম্ম। গছৰ গুৰিত মানিলেও সেই ঈশ্বৰৰে আৰাধনা আৰু গুৰস্তুতি আদি কৰিলেও সেই একেজনা ঈশ্বৰৰে আৰাধনা। মাত্ৰ উপাসকৰ মনৰ উন্নতি অৱনতি অনুসৰি যাৰ যেনে বিশ্বাস হয় সেই বিশ্বাস অনুসৰি তেওঁক আৰাধনা কৰে। আমি মহাপুৰুষীয়া আৰু দামোদৰীয়া মত লৈ কাজিয়া কৰিলে আৰু শঙ্কৰদেৱৰ নীহ কুল প্ৰমাণ কৰিলে কোনো লাভ নাই। এই সকলোবিলাক অনৰ্থক মনত কষ্ট দিয়া কথা মাথোন।

এনেয়ে জগতৰ সকলো কাম ভাৱনাৰ ভাওৰ নিচিনা, তাতে আকৌ ভাওৰ উপৰি ভাও। আজি আমাৰ বৈদিক ক্ৰিয়া কাণ্ড ভাৱনাৰ ভাও হৈছে। আজি ২০ কুৰি বছৰত বামুণৰ লৰাৰ জাতকৰণ হৈছে আৰু মেট্ৰিকুলেচন পৰীক্ষা 'পাচ' কৰাৰ পাছত বিস্তাৰস্ত হৈছে! তিন দিনত ব্ৰহ্মচৰ্য্যাশ্ৰম শেষ হৈছে!! ভাৱনাৰ বিশ্বামিত্ৰ আৰু নাৰদৰ ভাও লোৱাদি আজিকালিৰ দেউসকল ভাৱৰীয়া হৈছে!!!

বাট এৰি অবাটে গলে যে গন্তব্য স্থান নাপায়েই তদুপৰি অনেক সময়ত যে কষ্টভোগ কৰে তাক সকলোৱে জানে। কিন্তু জানিও যে নজনা হৈছে ই অতি আচৰিত কথা আৰু লগে লগে বেজাৰৰো কথা। আমাৰ ক্ৰিয়া কাণ্ডাদিৰ প্ৰকৃত অৰ্থ আৰু উদ্দেশ্য নুবুজি আমি কি কষ্ট পাইছোঁ। আমাৰ জাতি বিভাগৰ প্ৰকৃত উদ্দেশ্য নুবুজি আজি আমাৰ কি বিলাই হৈছে। স্বীকাৰ কৰোঁ জাতি বিভাগ নহলে কোনো জাতিয়ে উন্নতি কৰিব নোৱাৰে, কিন্তু সেই জাতি বিভাগ কি আমাৰ আজিকালিৰ জাতি বিভাগ? স্বীকাৰ কৰোঁ ইংলণ্ডত জাতি বিভাগ নোহোৱা হলে আজি ইংৰাজ জাতিয়ে পৃথিৱীৰ শীৰ্ষস্থান অধিকাৰ কৰিব নোৱাৰিলেহেতেন। কিন্তু ইংলণ্ডত আমাৰ নিচিনা জাতি বিভাগ হোৱা হলে কি হলহেতেন? জাতি বিভাগ ভাৱনাৰ ভাও নহয়, জাতি বিভাগ কৰ্ম্মৰ বিভাগ। ভাৱনাৰ ভাও দিলে কি হব? বামুণৰ চিন স্বৰূপ লগুণ এডাল ডিঙিত মেৰিয়াই লৈ জগতত যত অপকৰ্ম্ম আছে সেই সকলোবিলাক কৰিলে বামুণ হৈ থাকিব নোৱাৰে, চণ্ডালতকৈয়ো অধমহে হব। প্ৰকৃত বামুণ হোৱাঁ, প্ৰকৃত ক্ষত্ৰিয় বৈশ্যাদি জাতি হোৱাঁ আৰু নিজৰ ক্ষমতাৰ বলেৰে শূদ্ৰ জাতিৰ সৃষ্টি কৰি লোৱাঁ, তেতিয়া কি হয় দেখা।

বামুণৰ লৰা হৈ বামুণৰ কৰ্ম্ম নকৰিলে, ব্ৰহ্মত্ব লাভ কৰিব নোৱাৰিলে সি বামুণ নহয় আৰু আগেয়েও তেনে হোৱা নাছিল। যেয়ে ব্ৰহ্মণত্ব লাভ কৰিব পাৰে অৰ্থাৎ ব্ৰহ্মজ্ঞানী হয় সেয়ে ব্ৰাহ্মণ আৰু সেই কাৰণেইহে আজি আমি বেদব্যাস; বিশ্বামিত্ৰ আৰু ভৰদ্বাজ আদি মহাত্মাসকলৰ নাম বামুণৰ শাৰীত আন কি বামুণৰ শাৰীৰো একেবাৰেই আগত পাইছোঁ আৰু সেই কাৰণেইহে সূতে নৈমিষাৰণ্যত আঠাইশ হাজাৰ ঋষিক ভাগৱত শুনুৱা আৰু সেই সূতক বধ কৰি বলভদ্ৰই বাৰ বছৰ তীৰ্থ কৰি পাপ ক্ষয় কৰাৰ গল্প শুনিবলৈ পাইছোঁ। আনফালে মহাত্মা বশিষ্ঠৰ পুত্ৰক গুহক চণ্ডাল বুলি পৰিচয় পাইছোঁ। জাতি-বিভাগ আজিকালিৰ নিচিনা হোৱাহলে আমি এইবিলাক ওলোটা কথা শুনিবলৈ নাপালোঁহেতেন। অতএৱ আগৰ জাতি বিভাগ বংশগত নাছিল। কৰ্ম্ম অনুসৰিহে আছিল আৰু এতিয়াও তেনেকুৱা হোৱাহে উচিত।

বাস্তৱিকে বুঢ়া লোকসকলৰ একো আবাৰ কথা লাথটকীয়া। সিবিলাকে কয় যে লাহে লাহে চাৰি জাতি একাকাৰ হব। এই 'একাকাৰ' মানে আজিকালিৰ বামুণ শূদিৰ আদি জাতি এক হোৱা নহয় (এনে হোৱাহে উচিত) সকলোৰে উদ্দেশ্য এক হোৱা, সকলোৰে কৰ্ম্ম এক হোৱা; যেনেকৈ আজিকালি প্ৰায় সকলোৰে কৰ্ম্ম আৰু লিখা পঢ়া শিকাৰ উদ্দেশ্য চাকৰি কৰা হৈছে। আমাৰ দূৰদৰ্শী বুঢ়া লোকসকলে কিমান কথা ভাবিছিল আৰু ভাবে। আসামবাসি! বৃটিচ-সূৰ্য্যৰ পোহৰতে বাটৰ এই কুঁৱলী নষ্ট কৰি আচল বাট ওলোৱাহঁক। দুৰ্ঘোৰ শাত সহ্য কৰি ভবিষ্যত বসন্তলৈ

আশা কৰা। সকলোৱে এক সনাতন ধৰ্ম্মৰ ডোলোৰে বান্ধ খাই, এক প্ৰাণেৰে অনুপ্ৰাণিত হৈ শাতৰ কষ্ট সহ্য কৰা। আজিকালিৰ মিছা জাতি বিভাগৰ ঠাইত প্ৰকৃত জাতি বিভাগ কৰি লোৱা। সদায় মনত ৰাখিবা স্বয়ং ভগবানে কৈছে :—

"চাতুৰ্বৰ্ণং ময়া সৃষ্টং গুণকৰ্ম্ম বিভাগশঃ।"

অতএব গুণীৰ আদৰ কৰিবলৈ শিকা। আমি সকলো হিন্দু এক ভাই। তল খলপীয়া সকল ভাইহঁত ঘৃণাৰ পাত্ৰ নহয় বৰং মৰমৰহে পাত্ৰ। এই শীতৰ সময়ত আনৈক্যবাধানী কৰিলে কেনেবাকৈ কষ্ট সহিব নোৱাৰি সিহঁত অকাল-মৃত্যুৰ মুখত পৰিব। অতএৱ সিহঁতক বুকুলৈ চপাই আনিছক। সকলোৱে নিজ নিজ কামত লাগি লোৱাহঁক। এনে শান্তি প্ৰবৰ্ত্তক ৰজাৰ আশ্ৰয়ত থাকিও দুখনীয়া ভাইহঁতৰ আজি আমাৰ নিজৰ কাৰণেও শীতৰ উপযোগী বস্ত্ৰাদি যোগাৰ কৰিব নোৱাৰিলে তাৰ বাবে জানিবা আন কোনো দায়ী নহয়। এই বিষয়ত আমাৰ নিজৰেই দায়ীত্ব বৰ্ত্তমান।

শ্ৰীলাই-আটীয়া গোস্বামী।

---

## মুক্তামালা।

১। গঢ়িলে মানুহ কত যতনে ঈশ্বৰে।
সাৰ্থকতা আমি তাৰ কৰিছোঁ কি দৰে॥

২। আমি কৰা কামৰ যে সকল অভিপ্ৰায়।
বন্ধুক নালাগে দিব সি কথা বুজাই॥

৩। অৰ্থৰ বলেৰে এই জগতত ভাই।
সকলোকে কিনা যায় ধৰ্ম্মত চেতাই॥



৪। যি জনে জানিছে চাৰ অন্তৰৰ পৰা।
সকলো চৰেই পৰে নিজনত ধৰা॥

৫। ভয়ত আতুৰ হোৱা কোনো ফল নাই।
কোনো কামতেই ভয়ে নকৰে সহায়॥

৬। আমাক যে কৰে পৰে বিশ্বাস মৰম।
তাতেহে জীৱন লাগে মধুৰ পৰম॥

৭। উচিত যি কথা কাম উচিত মতেৰে।
শেহলৈকে চোৱা বাট কিনো ফল ধৰে॥

৮। জীৱনত সতৰোৰ ছায়া আহি পৰে।
নিজৰ আলোত নিজে ঠিয় দিয়ে কৰে॥

৯। সমুখত পৰি থকা উচিত যি কাম।
কৰি যোৱা নিবিচাৰি স্বৰগৰ ধাম॥

১০। যদিহে শুনিব খোজা স্বৰ্গৰ সঙ্গীত।
দেৱ মন্দিৰত বহি সাধা নিতে নিত॥

১১। নিজৰ দোষক চোৱা কোমল চকুৰে।
পৰৰ দোষকো কিয় নেদেখা সিদৰে॥

১২। এটকা হানিত কৰি ছটকাৰ দুখ।
নকৰা মিছাতে নষ্ট জীৱনৰ সুখ॥

১৩। দুষ্টতাই অপকাৰ ক্ষমা কৰা ভাল।
দুষ্টতাত শাস্তি নাই বাঢ়ে আহকাল॥

১৪। অন্তৰত তোমাৰ যি আছে দেৱভাৱ।
পৰিপুষ্ট কৰি চোৱা কি তাৰ প্ৰভাৱ॥

১৫। যাৰ নাই পাপৰ আধৰ।
পুণ্যৰ কামতো অভাজন॥

১৬। মানুহে কি কৰ বুলি এৰে নিজ হিত।
তাৰ মান মূৰ্খ নাই এই পৃথিবীত॥

১৭। মানুহ যে দেখা যায় সততে নিদয়।
স্বভাৱতে অন্যাঠন হিংসাত নহয়॥

১৮। যদিহে ভাবিছা তুমি পৰম শিক্ষিত।
পাৰা নে কৰিব ধাক যি কৰা উচিত ?
১৯। নীতিৰ আচল মোল সি জনেই জানে।
যি জনে পৰক পীড়া পাপ বুলি মানে॥
২০। এদিন হয়তো আমি আছিলোঁ কীটাণু।
এদিন হয়তো পাম দেৱতাৰ তনু॥
আজি যে মানুহ কিন্তু তাৰ ভুল নাই।
তথাপিতো কিয় তাক পাহৰোঁ সদাই॥

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---

# পানিপথ।

## চতুৰ্ব্বিংশ অধ্যায়।

ইপিনে গত যুদ্ধত পৰাজিত এই বাবৰৰ সেনাৰ মনত উৎসাহৰ কম পৰিল। কিন্তু বাবৰ উদ্যোগী আৰু কৰ্ম্মী পুৰুষ। তেওঁ নানাপ্ৰকাৰ কল কৌশলেৰে সেনাবোৰক উদগনি দিবলৈ ধৰিলে। কিন্তু এনেতে আৰো এটি কথা হল যাৰ পৰা বাবৰৰ সৈন্যৰ সংখ্যা আৰু উৎসাহ নীচেই কমি আহিল।

গছৰ তলত এজন পাতল গাৰে মানুহ বহি। তেওঁৰ মুৰত পাগুৰি, কপালত দীঘল ফোট, তাৰ ওপৰত অৰ্দ্ধচন্দ্ৰাকাৰ ফোট, গাত এটি পুৰণি ধৰণৰ পুৰণি চোলা; বাওঁ কান্ধৰ ওপৰে নি আৰু সোঁ কাষলতিৰ তলেদি এখন চেলেং এমুঠা জৰিৰ নিচিনা কৰি বান্ধি থোৱা। ভৰিত নাগৰা জোতা। হাতত পাঞ্জি পুথি নানাবিধ।



এওঁ এজন দৈবজ্ঞ। আজিকালিৰ দিনতৈ চাই দৈবজ্ঞই তেনেকৈ গছৰ তলিত বহি যে বেছি উপাৰ্জ্জন কৰিব পাৰে এনে বোধ নহয়। কিন্তু মুছলমান সম্ৰাটৰ দিনত দৈবজ্ঞৰ প্ৰভাব বৰ বেছি আছিল। কোনো এটি সামান্য কাম কৰিবলৈ হলেও দৈবজ্ঞৰ পৰামৰ্শ নহলে নহৈছিল। ৰাজাধিৰাজৰপৰা সামান্য পজাত থকা খেতিয়কটি পৰ্য্যন্ত সকলোৰে সকলো কামত দৈবজ্ঞ এটি প্ৰধান সহায় আছিল। সেই সময়ৰ দৈবজ্ঞৰ প্ৰভাব এতিয়াও আমাৰ দেশৰপৰা দূৰীভূত হোৱা নাই। এই অৰ্দ্ধচন্দ্ৰধৰ দৈবজ্ঞ মহাপুৰুষ আন আন সঙ্গীৰ লগত গছৰ তলত আসন লৈ নিজৰ মনতে তেওঁৰ পাঞ্জি পুথিৰ বিষয় অলপ আগচ কৰি থাকোঁতে তেখেতৰ যজমান ঘুটিল। প্ৰথমতে এজনী বুঢ়ী আহি থকবক কৰে গণকৰ আগত বহি হাতখন মেলি দিলে— কোৱা বাহুল্য তাৰ লগতে দৈবজ্ঞ ঠাকুৰৰ প্ৰণামী বা দক্ষিণাখিনিও দৈছিল। গণকে তাক গ্ৰহণ নকৰিলে; তেওঁ "বজ্ৰগম্ভীৰ নিনাদে' উত্তৰিলে," মই যেই সেই গণক নহওঁ। ইয়াৰে চোৱা নহয়।" বুঢ়ীয়ে নিৰুপায় ভাবি "এ আই! ই আৰু কৰ গণক আছিছে অ? দিল্লীত আৰু গণক নাই! তই নেচালি বুলি আন কোনেও মোৰ হাত নেচাব নে কি ?' এই বুলি যাবলৈ উঠিল। তেতিয়া দৈবজ্ঞদেৱে বুঢ়ীক বহুৱালে; প্ৰণামীখিনি লৈ হাত চাই দিলে। সিদ্ধান্তত ক'লে—"বুঢ়ী আই! মই যেই সেই গণক নহওঁ। তোমাৰ হাত অলপতে চাই দিলোঁ। তুমি যাওঁতে চাবিও পিনে মোৰ যশ গাই যাবা।" বুঢ়ীয়ে ক'লে "তাকো আৰু ক'ব লাগিছে নে বোপা। তোৰ যশ নেগাই কাৰ গাম ?" এই বুলি লাখুটি ধৰি কুঁজটি ওপৰলৈ কৰি বুঢ়ী গুচি গল। বাটত যাওঁতে বুঢ়ীয়ে যাকে পালে তাকে ক'লে অমুক গণক বৰ ভাল। তাক মই হাত দেখুৱালোঁ। সি গণি-পিটি কি সকলোকে ঠিককৈ কৈ দিলে।" গণকৰ প্ৰণামী কিমান শোধাত বুঢ়ীয়ে কলে—"সি যেই সেই গণক নহয় বোপাহঁত। তাৰ প্ৰণামী আনতকৈ বেছি।" পিছে অলপ ওচৰ চাপি বাঁও হাতেৰে লাখুটিত ভৰ দি কুঁজটি পাৰেমানে ভুলি সোঁও হাতখনৰ মুদ্ৰাৰে ক'লে, "নেজান নে? মোক অলপতে চাই দিলে। তহঁতৰ ভবিব লাগিছে মোক সকলোৱে অলপ মৰমৰ চকুৰে চায়। তহঁতো যদিহে অলপতে চাই দিব, কিন্তু কাৰো আগত নকৰি, বহুত মানুহে হাত দেখুৱাইছে! কাৰো টকা,

কাৰো সুন্দৰী যুৱতী, কাৰো ধনীৰ ছোৱালী, কাৰো ৰাজ প্ৰাসাদ, ভাগত পৰিছে। একো নোহোৱাহে বা নিতান্ত দুখীহে বৰ কম মানুহ হৈ গৈছে, সেই মানুহবোৰৰ ভিতৰ নতুন সৈন্যবো দুই চাৰিজন আছে। সিহঁতৰ একনে চোৱাইছে—আফগানিস্থানত তাৰ লৰা ছোৱালী কেনে আছে। একনে চোৱাইছে, অপনতে তাৰ পাবলগীয়া টকা পাব নে নাই ইত্যাদি।' যেনেকৈ পৰুৱা এটিক এঠাইত এবিধ খোৱা বস্তু পোৱা দেখিলে, তেনে হেজাৰ পৰুৱা আহি তাৰ ভাগী আৰু অংশীদাৰ হৈ পৰে, সেই দৰে দুই এজন সেনা অহা দেখি বাবৰৰ বহুত সৈন্য গণকৰ ওচৰত ভৰি পৰিল। গণকেও কাকো হাবিলদাৰ, কাকো সেনাপতি, কাকো সুন্দৰী ছোৱালী, কাকো টকা, কাকো মঙ্গল বাতৰি দি সন্তুষ্ট কৰিবলৈ ধৰিলে। এনেতে এজন সৈন্যই মাত লগালে—"বাঃ! অহা যুদ্ধত আমাৰ জয় নে পৰাজয় তাকেই চোৱা হঁক।" সকলো সৈন্যই হয় হয় কৰি সেই কথাত মত দিলে; সকলোৰে সম্মত মতে অহা যুদ্ধত কি হয় চাবলৈ গণকক প্ৰাৰ্থনা জনোৱা হ'ল। গণক প্ৰথমতে বৰ গম্ভীৰ হ'ল। তেওঁ নানাপ্ৰকাৰ পাজি পুথি, কাগজ পত্ৰ ঘাটিঘুটি শেষ সিদ্ধান্তত উপনীত হব নোৱাৰিলে। তেতিয়া নানাপ্ৰকাৰে ফলিত আঁক পাতি পাতি চালে, তাতো তাৰ সিদ্ধান্ত নহ'ল। তেতিয়া তেওঁ গম্ভীৰ মূৰ্ত্তিৰে আকাশৰ পিনে চালে। সেই দৰে চাই দুই দাঁড় মান বেলি থাকিল; তেতিয়া মূৰ নমালে। ইমান সময় সকলো সৈন্যই ব্যগ্ৰভাৱে গণকৰ ক্ৰিয়া কাণ্ডকে চাই আছিল। কোনোৱে কৈছিল· "প্ৰশ্ন বৰ টান! ইমান গণি পঢ়িও একো কৰিব পৰা নাই।" কোনোৱে কৈছিল—"কথা ভাল দেখা নাই! বেয়াহে হব যেন পাওঁ।" ইত্যাদি। এতিয়া গণকক মুখ নমোৱা দেখি একনে সুধিলে, "গণক ঠাকুৰ! কি হ'ল?" গণকে মুখ বিকটাই চকু দুটি মুদি আৰু কপালখন কোঁচাই মুখটি লৰাই লৰাই ক'লে, বৰ ভাল দেখা নাই। এইখন যে নীলা মেঘ দেখিছা, ই উত্তৰপৰা দক্ষিণলৈ বুকুত ক'লা শেন লৈ আহিছে। ইয়াৰ অৰ্থ বিপৰীত হে।" সকলো সেনাবোৰৰ মন গছৰ আগৰপৰা ধুপুচ্ কৰে মাটিত পৰিল। সিহঁতে স্পষ্টকৈ যেন দেখিলে এই যুদ্ধত আৰু বাবৰৰ নিস্তাৰ নাই। তেতিয়া নানা জনৰ ভিতৰত নানা কথাবাৰ্ত্তা হল। কোনোৱে ক'লে "আজ পানি-



থানৰপৰ ওলাই আহোঁতে পাছতে যে মাত পৰিছিল তাৰ এই ফল।" কোনোৱে তাতেই হয় দি ক'লে, "মযো আহোঁতে কুকুৰে পাছে পাছে ভুক্ ভুকাই আহিছিল।" কাৰো মৰা মানুহ দেখা, কাৰো নানাপ্ৰকাৰ আচৰিত ঘটনা দেখাৰ কথা মনত পৰিল। প্ৰত্যেকে ঠিক কৰিলে—সি যে ওলাই আহোঁতে অলক্ষণ দেখিলে, বা সপোনত কুলক্ষণ দেখিলে, তাৰ বাবেহে এনেকুৱা হ'ল। মোটৰ ওপৰত সকলো সৈন্যৰে শেষ সিদ্ধান্তও হ'লগৈ যে অহা যুদ্ধত মোগলৰ ভয়ানক বিপদ। গণকে ইমান গণি পঢ়ি কৈছে, কেতিয়াও মিছা হব' নোৱাৰে।

হবলগীয়া দুৰ্ঘটনাৰ কথা শুনি সৈন্যসকলৰ মন বিচলিত হৈ উঠিল। কোনো কোনোৱে প্ৰথমতে সৈন্যৰ পদ এৰি দিলে. তাকে দেখি আৰু কিছুমানে পল। যেতিয়া সেনাপতিয়ে কাকো যাবলৈ নিদিব খুজিলে তেতিয়া বহুত পলাই গল। হৈ গৈ বাবৰৰ অলপ সংখ্যক সেনাহে বাকী থাকিল। কিন্তু সিহঁতৰ মনতো ভয়; সকলোৰে মনত উৎসাহ নাই। কি যেন কি ভয়ানক দুৰ্ঘটনা হৈ উঠিব; সকলো বিচলিত। বাবৰৰ নানাপ্ৰকাৰ চেষ্টা স্বত্বেও সৈন্যবোৰৰ মনৰ ভয় দূৰ নহ'ল। সিহঁতে কিহক যেন ভয় কৰিছে, একো নেজানে, অথচ ভয়। সদায় মনত এটা উদ্বেগ আৰু ব্যাকুলতা—কেতিয়া কি হয়, কেতিয়া কি হয়! বাবৰে সকলো কথা পীৰ মহম্মদলৈ লেখি পঠিয়ালে। পীৰমহম্মদ তেতিয়া কাবুলত আছিল। পানিপথৰ যুদ্ধত জয়ী হোৱাৰ পাছত বাবৰক দিল্লীৰ সিংহাসনত স্থাপন কৰি, কাবুলৰ শান্তিৰক্ষাৰ অৰ্থে পীৰমহম্মদ তালৈ গৈছিল।

পীৰমহম্মদে বাবৰৰপৰা সকলো কথা শুনি নিৰুপায় হল। এই সৈন্যবোৰৰ ভিতৰত যি বিশ্বাসটি সোমাইছে তাক দূৰ কৰিব নোৱাৰিলে বাবৰৰ ভাৰতত সাম্ৰাজ্য স্থাপন কৰা নিতান্ত অসম্ভৱ। তেওঁ ভাবিলে এই বিশ্বাসক বিপৰীত বিশ্বাসেৰে দূৰীভূত কৰিব নোৱাৰিলে উপায় নাই। গতিকে তেওঁ সুদালনিকৈ ভাৰতলৈ আহিবলৈ এ'জন গণক ঠিক কৰিলে আৰু গণকে তাত বাবৰৰ উপদেশ মতে সকলো কাম সম্পাদন কৰিব, অথচ কোনেও অকণো খবৰ নেপাব। পীৰমহম্মদে এনে চিঠিৰে সৈতে গুপ্তবেশী গণকক দিল্লীলৈ পঠাই দিলে। তেতিয়া বাবৰৰ মনলৈ অলপ শান্তি আহিল। তেওঁ অলপো

বিলম্ব নকৰাকৈ পীৰমহম্মদৰ উপদেশ মতে সকলোকে কৰাবলৈ ঠিক কৰিলে।

বাবৰে তেওঁৰ সৈন্যসকলৰ ওচৰত এই মৰ্ম্মে ক'লে যে—বাবৰৰ ভাগ্যত নানাপ্ৰকাৰ দোষ থকা বুলি শুনি কাবুলৰ পৰা তেওঁৰ ভবিষ্যত গণনাৰ অৰ্থে এজন গণক আহিছে। এওঁ বাবৰৰ ভাগ্য সুপ্ৰসন্ন নে অপ্ৰসন্ন তাক নানা ৰকমেৰে গণি পঢ়ি ঠিক কৰি দিব। যদি বেয়াহে থাকে তেন্তে অলপো যুদ্ধবিগ্ৰহ নকৰাকৈ তেওঁ সসৈন্যে কাবুললৈ ফিৰি যাব। সকলো সৈন্যৰ আগত বাবৰৰ ভাগ্য গণনা কৰা হোৱা আৱশ্যক গুণে সকলোবোৰ সেনা এদিন গোট খাব লাগে। বাবৰৰ আদেশ মতে এদিন সেনাপতিয়ে সেনাসকলক লৈ এঠাইত বহিল। পবিত্ৰ পোছাক পিন্ধি বাবৰো আন পিনে বহিল। তেতিয়া গণক আহি গণি পঢ়ি চালে। প্ৰায় তিনি চাৰি দীঘ মান বেলিৰ পাছত গণকে ক'লে, "বাবৰৰ ভাগ্যত নানাপ্ৰকাৰ বিপদপাত আছিল, আৰু এতিয়াও আছে। কিন্তু সৰহ ভাগেই এই গ্ৰহৰ টানত পৰি একো বেয়া কৰিব নোৱাৰিলে। এতিয়াও যিবোৰ আছে সি অতি দুৰ্ব্বল—কিন্তু তেও ভাল গ্ৰহৰ টান নাই। তাৰ বাবে তেওঁৰ প্ৰায়শ্চিত্তৰ আৱশ্যক; মদ্যমাংস ত্যাগ, দান, ধৰ্ম্ম এ'মাহ কৰিলে বাবৰৰ এই দুৰ্ভাগ্যৰ ফল যাব; আৰু সুগ্ৰহবোৰে তেওঁৰ ওপৰত সন্তুষ্ট হৈ পাৰেমানে ভাল ফল দিবলৈ চেষ্টা কৰিব। কিন্তু এই এমাহৰ পাছত আ! কি জ্যোতিৰ্ম্ময়! আপোনাৰ ভাগ্য অতি প্ৰসন্ন! আপুনি আৰু এমাহৰ ভিতৰতে পৃথিৱীৰ ঈশ্বৰ হৈ উঠিব লাগে; সসাগৰা পৃথিৱী তেতিয়া আপোনাৰ কৰতলগত হ'ব লাগে। আৰু যি আপোনাৰ সহায়! সৌ মই স্পষ্ট দেখিবলৈ পাইছোঁ, মাজত আপুনি আদেশ দিছে, আৰু আপোনাৰ সঙ্গীবোৰে মহাউৎসৱেৰে নিজে একোটি একোটি ৰজাৰ নিচিনাকৈ আপোনাৰ আদেশ পালিছে। আহা! ই মহাভাগ্য! মহাভাগ্য!" সেনাবোৰে গণকৰ কথা শুনি "আল্লাহো আকবৰ" বুলি জয়ধ্বনি কৰি উঠিল। বাবৰে ক'লে, "প্ৰিয় সৈন্যসকল! এই দুৰ্ভাগ্য ফিৰাবলৈ মই আজিৰপৰা প্ৰায়শ্চিত্ত আৰম্ভ কৰিলোঁ।" সিদিনাৰপৰা বাবৰ নিৰামিষভোজী হ'ল; তেওঁ মদ খাবলৈ এৰিলে। দীনদুখীক ধনবস্ত্ৰ দান দিলে, বাবৰৰ এ'মাহ গ'ল। সৈন্যসকলৰ মনত আগৰ ভয় নাইকিয়া হ'ল। তেওঁলোকে বিশ্বাস কৰিলে যে



বাবৰৰ দুৰ্ভাগ্য খণ্ডন হ'ল। তেতিয়া আকৌ গণক আহি সকলোৰে আগত বাবৰৰ দুৰ্ভাগ্য খণ্ডন হ'ল আৰু সৌভাগ্য উদয় হ'বলৈ ধৰিছে বুলি ঘোষণা কৰিলে। তেতিয়া সৈন্যসকলক সম্বোধন কৰি বাবৰে ক'লে, "সৈন্যসকল! মোৰ ওপৰত আল্লাৰ কোপদৃষ্টি পৰিছিল বুলি মই তাৰ প্ৰায়শ্চিত্ত কৰিলোঁ। তোমালোকৰ আগত গণকে মোৰ ভাগ্যোদয় হোৱাৰ কথা ক'লে। এতিয়া আমাৰ ভোগৰ দিন। দুখ দুৰ্দ্দিনৰ দিন কাহানিবাই অতীত হ'ল। যি দৈবজ্ঞই মোৰ ভালৰ কথা কৈছে—আৰু মোৰ লগতে তোমালোকৰ ভালৰ কথা কৈছে, তেওঁ সাধাৰণ মানুহ নহয়; তেওঁক সমুদয় সংসাৰে জানে। গতিকে তোমালোকে নিশ্চয় জানিবা, আমাৰ ওপৰত আল্লাৰ যি কোপ আছিল, আমাৰ যি দুৰ্ভাগ্য আছিল, সেই সকলোৰে অন্ত পৰিল। আজি আমাৰ সৌভাগ্যৰ দিন! আজিৰপৰা আমাৰ ভাল হ'ব। আৰু এমাহৰ মূৰতে আমি পৃথিৱীৰ অধীশ্বৰ হ'ম। ইয়াত সন্দেহ কৰিবলৈ অকণো কাৰণ নাই; ই কোৰাণৰ বাক্যৰ নিচিনা অতীব সত্য! ভাবি চোৱাঁ সেই দিন যিদিন আমি পৃথিৱীৰ সৰ্ব্বময় কৰ্ত্তা; তুমি আমি সকলোৰে ভাগত একোখন ৰাজ্য পৰিব! সকলোৰে একোজন ৰজা হ'ব সেইদিন ভাবি চোৱা! তেতিয়া তোমালোকৰ যুদ্ধলৈ ভয় কৰিবলৈ কিবা আছেনে? তোমালোকৰ পূৰ্ব্বপুৰুষ যি চেঙ্গিছ খাঁ আৰু তৈমুৰলঙ্গ পৃথিৱীৰ ৰজা হ'ব পাৰিছিল, তেওঁলোকৰ পদাঙ্কানুসৰণ কৰিবলৈ কিবা ভয় আছেনে? যদি কোনো আছে, তেন্তে তোমালোক মোগল বংশধৰ নোহোৱা। পৰাক্ৰান্ত মছলমান জাতিৰ উপযুক্ত উত্তৰাধীকাৰী নোহোৱা। তোমালোকক গৰ্ভত ধৰি তোমালোকৰ জননীবোৰ মছলমান কুলবধূৱা—পবিত্ৰ গৰ্ব্বিত আৰু পৰাক্ৰান্ত মছলমান কুল পৰা ভ্ৰষ্টা হ'ল। মোগলৰ দুহিতা হৈ মোগল জন্ম দিব নোৱাৰিলে! সৈন্যসকল! বাবৰে যি ল'ব, যি পাব, সি তোমালোকৰ নিমিত্তে; তোমালোকে যাতে সুখে স্বচ্ছন্দে থাই লৈ থাকি পুত্ৰপৰিবাৰেৰে সৈতে শান্তিৰে জীৱন নিয়াব পাৰা তাৰ নিমিত্তে! বাবৰে কেৱল তোমালোকৰ দাসৰ নিচিনা তোমালোকৰ সম্পত্তি ৰক্ষা কৰিব। তেওঁক তাকে দিয়া, বাবৰৰ এই মাত্ৰ প্ৰাৰ্থনা।"

বাবৰৰ ভাগ্যোদয়ত সকলো সেনাৰে দৃঢ় বিশ্বাস হ'ল। আৰু তেওঁৰ

উদ্দীপনাতে উদ্দীপিত হৈ সকলো সৈন্যই নতুন উৎসাহেৰে সৈতে যুদ্ধলৈ মঙ্গুৰ হ'ল। তেতিয়া আগৰ যিবোৰ সৈন্য পলাই গৈছিল সেইবোৰে আহি আকৌ বাবৰৰ দলত যোগ দিলে; নতুন সৈন্যৰে ভৰ্ত্তি হ'ল। এইদৰে বাবৰৰ সেনাদল পৰিপুষ্ট আৰু উৎসাহিত হোৱাত, বাবৰে ৰাণা সংগ্ৰামৰ বিৰুদ্ধে যুদ্ধ সজ্জা কৰিলে।

বাবৰৰ সেনাবোৰে দিল্লী আৰু আগ্ৰাৰ মাজৰ এখন গাৱঁত ছাউনি কৰিলে। ৰাণা আৰু কুতুবৰ সৈন্যয়ো ফতেপুৰছিক্ৰিত সেনাশিবিৰ সংস্থাপিত কৰিলে। ইয়াতে উভয় পক্ষৰ যুদ্ধ আৰম্ভ আৰু শেষ হ'ল। সেই যুদ্ধৰ মাৰাত্মক ফলৰ কথা কবলৈ আমাৰ দুখ লাগে। সেই মাৰাত্মক যুদ্ধত কি হ'ল তাক আমাৰ কবৰ সাহ নাই।

---

## পঞ্চবিংশ অধ্যায়

বাবৰৰ লগত এই যুদ্ধৰ সময়ত সংগ্ৰামসিংহ আৰু বাবৰ দুয়ো পৰাপক্ষত সকলোবোৰ যত্ন কৰিছিল। গতিকে চিতোৰত যিমান কৰ্ম্মী আৰু উপযুক্ত মানুহ আছিল সকলোবোৰ যুদ্ধলৈ যাব লগীয়াত পৰিছিল। নগৰ ৰক্ষাৰ বাবে অতি অলপ সংখ্যক সেনা ৰাখি সংগ্ৰামসিংহ যুদ্ধলৈ গৈছিল।

বৰ্ত্তমান সময়ত যুদ্ধনীতিৰ বহুপৰিবৰ্ত্তন হৈছে। এতিয়া কেতিয়াও ৰজাই যুদ্ধক্ষেত্ৰলৈগৈ সেনা চালনা নকৰে, এনেকি প্ৰধান সেনাপতিয়েও সেই কাম নকৰাতে পৰে। গতিকে এতিয়া এখন যুদ্ধৰ জয় পৰাজয়ে ৰাজ্যৰ ভাল বেয়া একো নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। কিন্তু প্ৰাচীন কালত যুদ্ধক্ষেত্ৰলৈ ৰজা আৰু সকলো সেনাপতি গৈছিল—বেছি সংখ্যক যুদ্ধতে ৰজাই প্ৰধান সেনাপতিৰ কাম কৰিছিল। তেতিয়া এটি ফলাফলৰ ওপৰতে বহুত ভাল বেয়াৰ কথা নিৰ্ভৰ কৰিছিল। যি যুদ্ধত ৰজা হাৰিল, তাৰ ফল প্ৰায়েই বৰ সাংঘাতিক হৈ উঠিল। গতিকে সহজে অনুমান কৰিব পাৰি যুদ্ধৰ ফলাফললৈ চিন্তা কৰি সংগ্ৰাম সিংহৰ প্ৰজাবোৰ, বিশেষতঃ চিতোৰবাসীবোৰ কিমান উদ্‌গ্ৰীৱ আৰু



চঞ্চল হৈছিল। তেওঁলোকৰ দৃঢ় বিশ্বাস আছিল, যে সংগ্ৰামসিংহই এই যুদ্ধত জয়লাভ কৰিব; তথাপি নিশ্চয় মীমাংসা নোহোৱালৈকে মানুহৰ মনৰ চিন্তাপি নহয়। তেওঁলোকৰো হোৱা নাছিল।

বিমলা, ৰাণী আৰু অন্তঃপুৰৰ আন আন তিৰোতাসকলৰ লগতো ইয়াৰ নানাপ্ৰকাৰ কথাবাৰ্ত্তা উঠিছে। তেওঁলোকে ঠিক কৰিছে যুদ্ধত জয় হব ঠিকেই; হ'দ নহয়, তেনেহলে তেতিয়া উপায়! নানা জনে নানা উপায় দিলে; কোনোৱে কলে, তেনে অমঙ্গল চিন্তা কৰাও অন্যায়। কিন্তু তাৰে মাজৰপৰা এজনীয়ে মাত লগালে, "বাৰু জয় নহলেই! মিবাৰৰ বীৰ ৰমণীবোৰ তো এতিয়াও জীয়াই আছে। পুৰুষ যুদ্ধত মহাৰাণা সেনাপতি, হৰলাল সহকাৰী; স্ত্ৰী-যুদ্ধ যদি লাগতীয়াল হয় মহাৰাণী সেনাপতি, বিমলা সহকাৰী!" এইটো যে বিমলাৰ প্ৰতি পৰিহাস বিমলাই বুজিলে; হৰলালৰ লগত বিধিমতে এতিয়াও বিয়া সমাপন হোৱা নাই, অথচ সকলো ঠিক, সেইবাবহে তেওঁৰ সখী অন্নপূৰ্ণাই বিমলাক এই উপহাস কৰিছে। তাকে বুজি বিমলাই সাৰে সাৰে উত্তৰ দিলে, "পুৰুষ যুদ্ধত ৰামগিৰী সৈন্য, স্ত্ৰী-যুদ্ধত অন্নপূৰ্ণা।" ৰামগিৰী অন্নপূৰ্ণাৰ হব খোজা স্বামী। তেতিয়া তিৰোতা সকলৰ ভিতৰত হাঁহিৰ এটি কোঢ়াল উঠিল; মহাৰাণীয়েও তাত যোগ দিলে। পাছে এই ৰঙৰ ৰস যেতিয়া ঢকাল, মহাৰাণীয়ে কলে, "এই যুদ্ধটিৰ সামৰণিত মোৰ কৰিব লগীয়া তিনটি প্ৰিয় কাম আছে। ৰাণীয়ে মুখৰ ভিতৰতে অলপ হাঁহিলে। সকলোবোৰ ৰমণীয়ে মহাৰাণীৰ মুখৰ পিনে চালত, তেওঁ ক'লে, "প্ৰথম হৰলালৰ লগত বিমলাৰ প্ৰণয়-বন্ধন; দ্বিতীয় ৰামগিৰী আৰু অন্নপূৰ্ণাৰ মিলন; তৃতীয় যুদ্ধৰপৰা ফিৰি অহা সেনাবোৰক সন্মান দেখুৱা, আৰু যিসকল অকৰ্ম্মা হয়, তেওঁলোকৰ পৰিবাৰৰ ভৰণপোষণ কৰা।" বিমলা আৰু অন্নপূৰ্ণা লাজতে ৰঙা পৰিল; কিন্তু সেই ৰঙাৰ ভিতৰেদি তেওঁ-আকাঙ্ক্ষাৰ পূৰ্ণতাৰে প্ৰেমোদ্দীপ্ত চলচলীয়া ছবিখানি ওলাই তেওঁলোকৰ ৰঙা মুখ দুখনিক আৰু ধুনীয়া কৰি তুলিলে। কি আচৰিত! ৰমণীবোৰৰ সকলো সময়তে ৰমণীয়তা! এনেবোৰ কথাবাৰ্ত্তাৰ পাছত তেওঁলোকৰ সভা ভাগিল। বিমলা ঘৰলৈ আহিল।

মনত এটি আশাৰ গজি উঠিব লগীয়া বীজ ৰোপণ কৰি বিমলা

ঘৰলৈ আহিল; তেওঁ আহি এটি কুঠৰীত সোমাল; এইটি বিমলাৰ বিশ্ৰাম কুঠৰী। ইয়াত, আগেয়ে কৈ আহা, সুন্দৰ সুন্দৰ দৃশ্যৰ ছবি কেইখনমান অৰা আছে; তাৰ বাহিৰেও ডাঙৰ বীৰপুৰুষৰ ছবি আৰু অস্ত্ৰসস্ত্ৰ প্ৰভৃতি সুন্দৰভাৱে সজোৱা আছে। তেওঁ এই কুঠৰীত সোমাই দুৱাৰ কেইখন বন্ধ কৰি দিলে। ওপৰৰ খিলিকিৰ ভিতৰেদি মাত্ৰ অলপ পোহৰ সোমাই থাকিল। বিমলাই এখন বগা বিছনাৰ ওপৰত নিজৰ শৰীৰটি একতীয়া কৈ ৰাখি, গাৰুটি বাঁও কাষলতিত লৈ, মুৰটি বাওঁ হাতৰ তলুৱাত থৈ, আৰু সোঁ হাতৰ তৰ্জ্জনী আঙুলিটি কামুৰি ধৰি মনে মনে ভাবিলে; ভাবিলে ইমান দিন মনত পুহি ৰখা আশাৰ কথা; ইমান দিনৰপৰা যি ফুলৰ সুবাসেৰে মন ভুলাই ৰাখিব খুজিছিল, ইমান দিনৰপৰা যি ৰসত নিমগণ হৈ ভাহি যাব খুজিছিল, সেই ফুল ফুলো ফুলো প্ৰায়, সেই ৰস সন্নিকটবৰ্ত্তী প্ৰায়! তেতিয়া তেওঁৰ কিমান সুখ! কিমান আনন্দ! বিমলাৰ ভাবনা শক্তিয়ে থমক খালে; তেওঁৰ বুকু আনন্দত কঁপি উঠিল; মন আকুল আনন্দোদ্বেগোচ্ছ্বাসত বুৰি গল। এই অৱস্থাত তেওঁ কিছুমান সময় থকাতে বান্দী এজনীয়ে খবৰ দি গল, যে গিৰীধৰে আহি তেওঁলৈ বাট চাই আছে। আন সময়ত বিমলাই গিৰীধৰৰ নাম শুনিয়েই বহি থাকিলহেতেন; কিন্তু তেওঁ ভাবিলে, নিশ্চয় যুদ্ধত জয়লাভ হৈছে; মহাৰাণা সসৈন্যে বিজয়ী হৈ দিল্লীলৈ যাত্ৰা কৰিছে; গিৰীধৰে বিমলাক সন্তুষ্ট কৰিবৰ অৰ্থেহে তেওঁৰ ওচৰলৈ আগেয়ে আহিছে। বিমলাৰ মন আনন্দ আৰু উৎকণ্ঠাত ভৰিপূৰি উঠিল। তেওঁ লৰি গিৰীধৰৰ লগত সাক্ষাৎ কৰিবলৈ আহিলে।

ইমান তুৰন্তে অহা দেখি গিৰীধৰৰ আগৰ বিশ্বাসটি অতি দৃঢ় হ'ল; তেওঁ নিশ্চয় ভাবিলে বিমলাই তেওঁকেহে ভাল পায়। বিমলা আহি পায়েই আবেৰেথে শুধিলে, "যুদ্ধৰ কি সংবাদ, গিৰীধৰ?" গিৰীধৰে ভাবিলে, যদি বিমলাক হৰলালৰ পতন হোৱা বুলি কওঁ তেন্তে তেওঁৰৰ সন্তোষ পাব। গিৰীধৰে ক'লে, "ভালো খবৰাও। দুয়োটি একেলগে মিহলি হৈ থাকে বিমলা! মহাৰাণা পৰাস্ত হ'ল সঁচা; কিন্তু আমাৰ মিলন সুগম হৈ উঠিল; হৰলালৰ যুদ্ধত পতন হৈছে।" বিমলাৰ মূৰত একেলগে যেন শত সহস্ৰ বজ্ৰ পতন হ'ল; গোটেই পৃথিৱী আকাশ আৰু জ্যোতিষ-



মণ্ডলেৰে সৈতে খণ্ডবিখণ্ডিত চূৰ্ণবিচূৰ্ণিত হৈ মহাশব্দেৰে ঘৰ্ঘৰাই উঠিল। বিমলাই গিৰিধৰক আকৌ দৃঢ়স্বৰে শুধিলে—"ঠিক কৈ কোৱা, গিৰিধৰ! হৰলালৰ খবৰ কি?" গিৰিধৰে একো ত'ত নোপাওঁতেই "কৈ পেলালে "হৰলালে সামান্য আঘাতহে পাইছে।" বিমলা সন্তুষ্ট হ'ল; আকৌ ঘূৰাই শুধিলে "যুদ্ধৰ খবৰ কি? মহাৰাণা ক'ত?" গিৰিধৰে বিস্ময়াপন্ন চকুৰে চাই ক'লে, "মহাৰাণা সসৈন্যে ফিৰি আহিছে।" বিমলা—"কিন্তু তুমি আগেয়ে নগৰত সোমালা কেনেকৈ? মহাৰাণা বা তেওঁৰ প্ৰতিনিধি নোহোৱাকৈ যে যুদ্ধৰপৰা ফিৰি অহা সৈন্যই নগৰ প্ৰৱেশ কৰিলে প্ৰাণ-দণ্ডৰ আদেশ আছে?"

গিৰিধৰ। থাকিলে কি হব, বিমলা! গিৰিধৰ যেইসেই নহয়। প্ৰহৰীৰ মুৰছিঙি আহিছোঁ।

বিমলা। এনে কুকাম কিয় কৰিলা?

গিৰিধৰ। কি কুকাম কৰিলোঁ বিমলা? যি কৰিছোঁ সকলো তোমাৰ নিমিত্তে। মহাৰাণাই যুদ্ধ শেষ হোৱা মাত্ৰকতে তোমাক হৰলালৰ হাতত দিব খুজিছে, সেই কাৰণেই। তোমাৰ নিমিত্তে কি কৰিব নোৱাৰোঁ! বিমলা, তোমাৰ ভালৰ নিমিত্তে মই এতিয়াই মৰিব পাৰোঁ।

খঙত অপমানত ঘৃণাত বিমলা উত্তেজিত হৈ উঠিল আৰু বহি থকা গিৰিধৰ মুৰত লাথি এটা মাৰি বিমলাই ক'বলৈ ধৰিলে, "ৰাজপুত হৈ এনে কথা কবলৈ লাজ নেলাগিল নে? কুলাঙ্গাৰ! তিৰোতা এজনীৰ নিমিত্তে ৰাজ্যৰ নিয়ম লঙ্ঘন কৰিলি, মহাৰাণাৰ আদেশৰ বিৰুদ্ধ আচৰণ কৰিলি! নেজাননে যে ৰাজপুতবালা কি! নেজাননে ৰাজপুত তিৰোতাই তোৰ নিচিনা কুলাঙ্গাৰ কাপুৰুষক ভাবিৰে স্পৰ্শ কৰিবলৈকো ঘিণ কৰে! তই ৰাজপুত কুলত জনমি এই মহাকুলৰ কলঙ্ক হ'লি! বীৰ্য্যবান্ ৰাজপুতৰ ঘৃণিত কুকুৰতকৈয়ো তই হেয়।" এই কথা কৈয়ে বিমলা বেগেৰে সৈতে অন্তঃপুৰলৈ গ'ল। ইমান সময়ত ৰাণীৰ ওচৰলৈ খবৰ আহিছে যে গিৰিধৰৰ লগত কিছুমান সেনা আহি নগৰ ৰক্ষকক কাটি পেলালে। চাৰিও পিনে আচৰিত ৰকমৰ ভয়! সকলো বজ্ৰাহতৰ নিচিনা। এনেতে বিমলা সেইপিনি পালেহি। তেওঁ শুনিয়েই ক'লে, "মহাৰাণি! মিবাৰত এতিয়াও

বীৰ ৰমণী আছে। আদেশ দিয়ক—আমি নগৰ ৰক্ষা কৰিম।" ৰাণীয়ে তাকে কৰিলে। বিমলা আৰু অন্তঃপুৰৰ আন এশ ৰমণীয়ে সৈন্যৰ পৰিচ্ছদ ধাৰণ কৰিলে—কঁকালত পেটি বান্ধিলে, পেটিত তলোৱাৰ আঁৰিলে। হাতত কাৰো ধনু শৰ, কাৰো বন্দুক। সুসজ্জিত শতাধিক ঘোৰাত উঠি বীৰ ৰমণী বীৰৰ নিচিনাকৈ নগৰ ৰক্ষা কৰিবলৈ ওলাই আহিল।

নগৰৰক্ষক সেনা সকলোৱে মহাৰাণীৰ আদেশ অপেক্ষা কৰি আছিল; যেতিয়া বিমলাক আগত লৈ শত ৰমণীসেনা ভৈৰবী মূৰ্ত্তি ধৰি তেওঁলোকৰ আগত ওলাল। তেতিয়া সৈন্যবোৰে "হৰ হৰ বম্ বম্" "জয় মহাৰাণী কী জয়" শব্দেৰে গগন ভেদিলে। সকলোৰে মনত সাহ দ্বিগুণিত হ'ল; স্বাধীনতা ৰক্ষাৰ তেজে সকলোকে মহোৎসাহেৰে উৎসাহিত কৰিলে। এনেতে পৰাজিত ৰাণা সংগ্ৰাম সিংহ সসৈন্যে মিবাৰ পালেহি। নগৰ ৰক্ষাত নিযুক্ত ৰমণী সেনা দেখি তেওঁ আচৰিত হ'ল। তেতিয়াই বিমলা ওলাই আহি মহাৰাণাৰ আগত থিয় হল। ৰাণাই বিমলাক দেখি ক'লে, "জানিছোঁ, বিমলা! ই তোমাৰেই কাম! কিন্তু আৰু কি হ'ব! সেই বিজয়ী বাবৰ সসৈন্যে মিবাৰ আক্ৰমণৰ অৰ্থে আহিছে এতিয়াই পুণ্যভূমি মিবাৰ আৰু এবাৰ পৰাধীন হব; গোহ আৰু বাপ্পাৰাৱে যি সিংহাসন স্থাপন কৰিছিল, হামিৰে যি সিংহাসনক যৱনৰ কৱকবলৰপৰা উদ্ধাৰ কৰিছিল, কাপুৰুষ সংগ্ৰামৰ তাক ৰক্ষা কৰিবলৈ সামৰ্থ্য নহল! এতিয়া আৰু কি হব বিমলা! বৰ আশা আছিল, হৰলালৰ কাৰণে তোমাক থাপি বহুদিনৰ আশা এটি পূৰ কৰিম; বিধিয়ে তাক নিদিলে।" বিমলাই ভাবিলে হৰলালে হয়তো স্বাধীনতা আৰু পূৰ্ব্ব গৌৰৱৰ নিমিত্তে ইহ-সংসাৰৰপৰা বিদায় লৈছে। নিৰাশাই তেওঁৰ সেই সাহ আৰু সেই উদ্দীপনা আকৌ বেছিকৈ তুলিলে; তেওঁ জীৱন-মৰণক সমান দেখিলে। বিমলাই ক'লে, "মহাৰাণা! এই জীৱনত যদি পূৰ্ব্ব উদাহৰণৰ অনুসৰণ কৰিব নোৱাৰিলোঁ, পদ্মিনীৰ নিচিনা স্বদেশ আৰু স্বজাতিৰ নিমিত্তে প্ৰাণ দিব নোৱাৰিলোঁ, তেন্তে ৰাজপুত কুলত জনম লভা মিছা! আপুনি ৰাজপুতৰ ৰজা, ৰাজপুতৰ উপদেষ্টা; ৰাজপুতৰ গুৰু: আপোনাৰ মুখত এনে কথা শোভা নেপায়। আশীৰ্ব্বাদ কৰক ৰাণীয়ে যেন জীৱনত অপমানো কৰ্ত্তব্য কৰিব পাৰে।" যৱন আহিছে—



আহক; যিমান সময় এজন মাত্ৰ ৰাজপুতৰ শৰীৰত এটোপা ৰক্ত থাকে, তেতিয়ালৈকে মিবাৰত যৱনৰ প্ৰৱেশ নাই।" এনেতে আঘাতত ম্ৰিয়মাণ হৰলাল আহি মহাৰাণাৰ আগত উপস্থিত হল। হৰলালক আগত দেখি বিমলাৰ আনন্দ আৰু চতুৰ্গুণ সাহ হ'ল। ইয়াৰ ভিতৰতো আনন্দ আৰু লাজৰ ৰাগ মিহলি হৈ তৎক্ষণাৎ বতাহত লৰি যোৱা মেঘৰ নিচিনা বিমলাৰ ৰক্তাভা গালৰ ওপৰেদি লৰি গল; সি ৰঙা বা হৰলালৰ লক্ষ্যত নপৰিল; আন কি বিমলায়ো গম নেপালে।

হৰলালে ৰাণাৰ আগত থিয় হৈয়েই ভৈৰৱী ৰূপিনী বিমলাক দেখিলে; আৰু তেনেকুৱা শত ৰমণী দেখি তেওঁৰ সেই দুৰ্ব্বল অৱস্থাতো তেজ নাচি উঠিল; তেওঁৰ শৌৰ্য্য বীৰ্য্য আকৌ আগৰ দৰে নাচি উঠিল। আন একো কথা নোকোৱাকৈ হৰলালে হাতযোৰ কৰি মহাৰাণাক ক'লে, "মহাৰাণা! প্ৰায় বিপদ আহে আহে! আমি নগৰ ৰক্ষা কৰিম; আপুনি ৰাণী আৰু কুমাৰ কুমাৰী সকলোৱে সৈতে নিৰাপদ ঠাইলৈ গৈ বিশ্ৰাম লভক।" আপোনাআপুনি সংগ্ৰাম সিংহৰ মুখত হাঁহিৰ ৰেখা এটি ফুটি উঠিল। তেওঁ ক'লে, "বেছ, ক'লা হৰলাল! আঘাততে কৃশ, উঠিবলৈ সামৰ্থ্য নোহোৱা তুমি ইয়াত থাকি যুদ্ধ কৰিবা, এই কোমল কামিনীবোৰে কোমল হাতেৰে খড়্গ ধৰি যুদ্ধ কৰিব, ৰণশ্ৰান্ত সেই সেনাসকল যুদ্ধত মত্ত হ'ব, আৰু মিবাৰৰ মহাৰাণা সংগ্ৰামসিংহই ল'ৰাতিৰোতাৰে সৈতে নিৰাপদ ঠাইত বিশ্ৰাম লৈ থাকিব! ই অসম্ভৱ কথা, হৰলাল! যদি স্বাধীনতাৰ বাবে জীৱন উৎসৰ্গ দিব লাগে, যদি প্ৰাচীন আৰু পূৰ্ব্বপুৰুষৰ প্ৰতিষ্ঠিত গৌৰৱ ৰক্ষাৰ অৰ্থে জীৱন বলি দিব লাগে, তেন্তে মিবাৰৰ মহাৰাণা হৈ সংগ্ৰামসিংহ কাপুৰুষৰ নিচিনাকৈ পলাই থাকিব কিয়? পৰাজিত হ'ল বুলি, কাপুৰুষৰ দৰে সকলো এৰি দিবলৈ কোৱা? যোৱা মিবাৰৰ আবালবৃদ্ধবনিতা, কুমাৰ, কুমাৰী, ৰাণী আদি কৰি সকলোকে লৈ আহা, সকলোৱে দেখাদেখি কৰি স্বাধীনতা আৰু স্বগৌৰৱৰ নিমিত্তে তৃণবৎ প্ৰাণ উৎসৰ্গ দিওঁ! পৃথিৱীয়ে আৰু দেখক ৰাজপুতে স্বাধীনতা কেনে ভাল পায়। গোটেই জগতে চাওক আৰু ৰাজপুতে স্বাধীনতাৰ কিমান আদৰ জানে তাক দেখি স্তব্ধ হওক। হৰলাল নিমাত হ'ল। বিমলাই ক'লে, "মহাৰাজ! আপোনাৰ জীৱন বহুমূলীয়া; আপুনি জীয়াই

থাকিলে, মিবাৰ জীয়াই থাকিব, আৰু এ দিন, মিবাৰ স্থাপনা হোৱাৰ আশা থাকিব,কিন্তুআমি থকা নথকা সমান কথা। যদি পাৰোঁ জয় লাভেই কৰিলোঁ, নহলে এই ক্ষেত্ৰত প্ৰাণ দি আপোনাৰ পাৰোঁ যদি সহায় হও। আপুনি দেশৰ প্ৰতি ৰাজপুতৰ প্ৰতি নিজৰ এনে মূল্যবান্ জীৱন বলি দি কি লাভ কৰিব ?" সংগ্ৰামসিংহই এইবাৰ আৰু একো নকলৈ ; কিন্তু ক'লে ; "কাপুৰুষ সংগ্ৰামসিংহৰ এনে ভৎ'সনাই উপযুক্ত। যি ইমান সৈন্যসামন্তৰে সৈতে ভিখাৰীৰ নিচিনাকৈ কালি যি মোৰ ওচৰত উপস্থিত হৈছিল তাক খেদিব নোৱাৰিলে, সি কাপুৰুষে এনে ভৎ'সনা খাবই লাগে।" বিমলা বৰ দুৰ্ঘট অৱস্থাত পৰিল। মহাৰাণাৰ ভৰিত দীঘল হৈ পৰি ক'লে, "মহাৰাণা ! আপোনাক ভৎ'সনা কৰে, এই বান্দীৰ কি সাধ্য ? আপুনি অনুমতি দিছে বুলি দুই আষাৰ কথা কৈছোঁ। যদি দোষ হৈ থাকে, আপুনি নিজগুণে মাৰ্জ্জনা নকৰিলে উপায় নাই।"

ৰাণাই হাতত ধৰি বিমলাক তুলি ক'লে, "বিমলা ! তুমি ৰাজপুত কুলৰ লক্ষ্মী ! তোমাৰ কি দোষ হ'ব পাৰে।" বিমলাই সেইকালে যেন কাণকে নকৰি ক'লে, "কিন্তু মহাৰাজ ! আপুনি ৰণশ্ৰান্ত, শত্ৰু আহেমানে আপুনি ৰাজধানীত বিশ্ৰাম লওক। আপনাৰ আশ্ৰিত দোলতৰ ঘৈণীয়েক গুলজান আৰু তেওঁৰ লৰা ছোৱালী দুজন অনাথ ; সিহঁতৰ বন্দবস্ত কৰক। পিছত আমি সকলো ঠিক কৰিম ; সকলো সুবন্দবস্ত কৰিম। আপোনাৰ আশীৰ্ব্বাদ শিৰত থাওক,আৰু যদি পৰমেশ্বৰৰ দয়া থাকে,যিমান সময় এজন মাত্ৰ ৰাজপুতৰ গাত এটোপা মাত্ৰ শোণিত থাকে,তেতিয়ালৈকে এজন যৱনৰ এটি আঙুলিয়েও মিবাৰৰ সীমাৰ ভিতৰত সোমাব নোৱাৰে। যদি বান্দীৰ এই প্ৰাৰ্থনা পূৰ নকৰে, তেন্তে আপুনি আমাৰ শক্তিত অবিশ্বাস কৰে বুলি ভাবিম।" ৰাণাই গুলজানৰ কথা, আৰু অনাথ লৰা ছোৱালী দু'জনৰো কথা ভাবি চালে আৰু তেওঁ বিমলাৰ কথাত সম্মত হ'ল ; অলপ সময়ৰ নিমিত্তে বিশ্ৰাম লবলৈ মন মেলিলে। কিন্তু হৰলাল নিতান্ত দুৰ্ব্বল। হৰলালকো তেওঁ লগতে লৈ যাবলৈ ইচ্ছা কৰিলে ; বিমলাই ক'লে, "তেওঁ থাওক। মই দাঢ়ি কৈছোঁ, যেতিয়ালৈকে এই তৰোৱাল বিমলাৰ



হাতত থাকে তেতিয়ালৈকে মিবাৰত যৱনৰ প্ৰবেশ অসম্ভৱ। হৰলালে "অলপ পাছত যাম" বুলি ৰাণাক পঠিয়াই দিলে।"

ৰাণা আঁতৰ হ'লত হৰলালে বিমলাক ক'লে, "বিমলা ! যি প্ৰেমৰ দ্বাৰাত বান্ধ খাম বুলি আশা কৰিছিলোঁ, যেনেকৈ তোমাক হৃদয়ত বান্ধিবলৈ আশা কৰিছিলোঁ, বিধিৰ বিধানত সি নাই। আজি শেষ দিনত দুয়ো দেখাদেখিকৈ স্বাধীনতাৰ নিমিত্তে প্ৰাণ দিব খুজিছোঁ ; যাতে অনন্তধামত আমাৰ এই প্ৰণয় অনন্ত প্ৰণয়ত পৰিণত হয়। তাত তুমি বাদ সাধিব খুজিছা কিয় ?" বিমলাৰ চকুৰপৰা এটোপা নীৰৱ চকু-লো পৰিল ; বিমলাই নীৰৱে তাক মচি পেলালে। বিমলাই ক'লে."তুমি বৰ দুৰ্ব্বল।" হৰলালে আকৌ ক'লে, বিমলা ! ই তোমাৰ ক্ষত্ৰ ৰমণীৰ কথা নহয়। তুমি বীৰৰ জীয়াৰী, তোমাৰ জাতি বীৰ, আৰু তুমি বীৰৰ প্ৰণয়িনী, তুমি মোক শেষ মুহূৰ্ত্তত বল নিদিলে, আচল ক্ষত্ৰ ৰমণীৰ নিচিনা, আচল ৰাজপুত বীৰ ৰমণীৰ নিচিনা তুমি মোক ধৰ্ম্ম সম্পাদনত সহায় নকৰিলে কোনে কৰিব ?" ভাবি চোৱা চোন্, পাণ্ডৱৰ অশ্বমেধ যজ্ঞৰ অশ্ব ৰক্ষা কৰিবলৈ যাওঁতে বৃষকেতুৰ ঘৈণীয়েকে তেওঁক কি কৈছিল, কি দৰে সজাই পাঠাইছিল। ৰাণা সমৰসিংহক কৰ্ম্মদেৱী, আৰু পৃথ্বিৰাজক সংযুক্তাই কি দৰে নিজ হাতেৰে সমৰ সাজত সজাই যৱনৰ বিৰুদ্ধে যুদ্ধলৈ পঠিয়ালে ! তুমি যদি সেই বীৰ-ৰমণীৰ নিচিনা আচৰণ কৰিব নোৱাৰিলা, তোমাৰ স্বামীক সেইদৰে বীৰত্বৰ আদৰ্শ কৰিব নোৱাৰিলা, তেন্তে তোমাৰ কি সুখ ! তেওঁলোকৰ, সেই পবিত্ৰ ৰমণী সকলৰ কীৰ্ত্তিকাহিনীয়ে যদি তোমাক উদ্দীপিত কৰিব নোৱাৰে, তেন্তে তোমাৰ কি সুখ। জীৱন ইয়াৰ তুলনাত তুচ্ছ নহয়নে ?" বিমলাই একো নেমাতিলে। গৰ্ব্বত,আনন্দত,উৎসাহত আৰু বীৰ্য্যত তেওঁ স্ফীত হৈ উঠিল ; গৰ্ব্বময় সুখৰ কিৰণেৰে তেওঁৰ মুখ উদ্ভাসিত হৈ উঠিল।

তেতিয়া হৰলালে নতুন উৎসাহেৰে সৈন্য শ্ৰেণীবদ্ধ কৰিলে। বিমলা আৰু আন আন ৰমণীবোৰেও সকলোৰে লগত উপযুক্ত মতে শ্ৰেণীবদ্ধ হল। সকলোৱে অস্ত্ৰাহত হৰলাল আৰু ৰমণীবোৰৰ বীৰ্য্য দেখি গৰ্জ্জি উঠিল ; থিউপালে মুমাও মুমাও জুইৰ নিচিনা সকলোৰে বীৰ্য্য প্ৰখৰ হৈ জ্বলি উঠিল।

বাবৰ সসৈন্যে আহি পালে ; তেওঁৰ লগত যুদ্ধ হল। ৰাজপুতৰ

লগত, কৃতজ্ঞতা আৰু নিৰাশ ৰাজপুতৰ লগত বাবৰৰ যি যুদ্ধ হৈছিল তাক হেজাৰ কাপেও বৰ্ণাব নোৱাৰে। সেই যুদ্ধৰ মাজতে বিমলাই গিৰিধৰকো দেখিলে; গিৰিধৰে বিমলাক দেখি কৈ উঠিল, "গিৰিধৰো মৰৰ জানে, বিমলা।" সেই যুদ্ধত জয় পৰাজয় কাৰো নহ'ল। সৈন্যবল কমথকা স্বত্বেও হৰলালৰ সাহত আৰু দক্ষতাত ৰাজপুত পৰাস্ত নহ'ল। কিন্তু ৰাজপুতৰ বীৰ্য্যৰ সাৰ হৰলাল আৰু তেওঁৰ সঙ্গিনী বিমলাই এই যুদ্ধত ইহ-সংসাৰ পৰিত্যাগ কৰি অনন্তধামত অনন্ত প্ৰেমসুখ লভিলে।

## ষড়বিংশ অধ্যায়।

নদীৰ পাৰৰ এ'ডোখৰ মুকলি ঠাই। চাৰিওপিনে গছ গছনি আছে; বন নহয়; উপবনো নহয়। সাধাৰণতে বন তেনে পৰিষ্কাৰ আৰু আনন্দপূৰ্ণ নহয়। ইয়াত এজুপি গছ, তাত এজুপি গছ। মাজে মাজে বেতনিৰ জোপা; মাজে মাজে ঢেকিয়া বা আন নলৰ জোপা। কোনো কোনো ঠাইত একোটি সুন্দৰ সুন্দৰ মঠ বা স্মৃতি-চিহ্ন; চাৰিও পিনে গছ বা বনৰ জোপ; ওচৰখনি পৰিষ্কাৰ; সেইবোৰত স্মৃতি-কবিতা লিখা। ইয়াত ভীতি বা হৰ্ষৰ খেলা নাই; আহিলেই বিষাদযুক্ত পবিত্ৰতাৰ ভাবে আহি মন আৱৰি পেলায়। এই ভাব সুখ নহয়; দুখো নহয়; পবিত্ৰ আৰু কি এটি আচৰিত ভাবৰ উদ্দীপক। এইখন শ্মশান। ইয়াত মিবাৰৰ বঙ্গা আৰু ডাঙৰ চৰ্দাৰৰ সংকাৰ কাৰ্য্য হয়। ইয়াত কিমান মহাৰাজাৰ ভস্মাবশেষ আছে। কিমান বীৰপুৰুষৰ পাৰ্থিব দেহাৰ অৱশেষ আছে! ইয়াত কি যেন কি এটি অজ্ঞাত ভাবে হৃদয়ত কি এটি দুখ সনা সুখ, অজ্ঞাত আত্মপ্ৰসাদ আনি দিয়ে তাক ভাষাৰে বৰ্ণাব নোৱাৰি। ইয়াত বঙ্গা মহৰাজা বীৰপুৰুষ আদিৰ আত্মাই সততে গাইছে যেন সংসাৰৰ ক্ষণস্থায়িত্ব, সততে কৈছে যেন সংসাৰৰ মোহৰ প্ৰৱঞ্চনা! সদাই যেন দৰ্শনৰ সুখময় সত্য! সদাই যেন পৰমেশ্বৰৰ সদানন্দ গীতে পাৰ্থিব পদাৰ্থৰ ভিতৰৰপৰা তুলি অনন্তচৈতন্যময় আত্মাক গম্ভীৰ পবিত্ৰতা আৰু বিষাদযুক্ত আনন্দৰ অনন্তধামলৈ তুলি নিয়ে। ওপৰত



অসীম আকাশৰ নীলৱৰণে মেঘৰ ধোঁৱাবৰণেৰে ৰঞ্জিত হৈ আনন্দত বিষাদৰ আৰু পবিত্ৰতাত গাম্ভীৰ্য্যৰ মূৰ্ত্তি ধৰিছে! তলত কুলুবাহিনী তটিনী বিষাদপূৰ্ণ আনন্দগীতি মৃদুমন্দে গাই গাই প্ৰবাহিত হৈছে। বনৰ ওপৰত বিষাদ ছায়াৰ লগত আনন্দ যেন মিহলি!

এই শ্মশানলৈ বহুত মানুহে দুটি শৱ লৈ আহিল। লাহে লাহে সেই শৱদুটি চিতাৰ ওপৰত তুলি দিলে। নগৰ মানুহবোৰে "হৰিবোল" দিলে। পুৰোহিত বামুণে চন্দনকাঠত ঘিউ আদি সানি জুই একুৰা লৈ মন্ত্ৰ মাতি মাতি সেই চিতাৰ চাৰিওপিনে সাতবাৰ ঘূৰালে। যেন আনন্দ-বিষাদ-পবিত্ৰত আৰু গাম্ভীৰ্য্য মিহলি হৈ সমস্বৰে সেই গীত—সেই আত্মাৰ গীত—ধৰিলে। চাৰিওনিপৰপৰা মানুহবোৰে পশুপক্ষীয়ে যেন বিষাদৰ আনন্দগীতৰ সুৰ দিলে। পুৰোহিতে দুয়োৰো মুখত মুখাগ্নি কৰিলত চিতাত জুই দিয়া হল। নানা-প্ৰকাৰ সুগন্ধি তেল আদিৰ লগত জুই জ্বালি দিয়া হল। অলপ সময়ৰ ভিতৰতে সেই দুই শৰীৰ পাৱকৰ পবিত্ৰতাত মিহলি হৈ গল—নাড়ি-ভুৰি সোপা যেন জড় পৃথিৱীৰ জড় জীৱৰ চিন্ থাকি গল। বীৰ হৰ-লাল আৰু বীৰৰমণী সতী বিমলাৰ পাৰ্থিব শৰীৰ, আত্মাৰ ভঙা পিঞ্জৰ জুয়ে পুৰি নিঃশেষ কৰিলে, মাটিৰ শৰীৰ মাটিত মিহলি হল!

বীৰ হৰলাল, আৰু সতী বিমলা, আজি পৃথিৱীত তোমালোকৰ লীলাৰ অন্ত পৰিল, মানৱ ভূমিৰপৰা তোমালোকৰ পবিত্ৰ শৰীৰ অন্তৰ্দ্ধান হ'ল। কিন্তু আজি তোমালোকে পৃথিৱীত যি বীৰ্য্য আৰু সতীত্বৰ অনন্ত উদাহৰণ ৰাখি গলা সি তোমালোকৰ লীলা অনন্তকাল জীয়াই থাকিব, আৰু সেই আত্মাই চিৰকাল তোমালোকৰ পবিত্ৰতা মনত জগাই দিব। পৃথিৱীত তোমালোকে সুখ ভোগ কৰিব নোৱাৰিলা, ইয়াত তোমালোকৰ শান্তিৰ মিলন নহল, কিন্তু সেই অনন্ত প্ৰেমময় আৰু অনন্ত সৌন্দৰ্য্যশালীৰ ওচৰত চিৰদিন তোমালোকৰ মিলন, সেই অনন্ত অমৃতময়ৰ ওচৰত অনন্তকাল তোমালোকৰ আনন্দ, অনন্তকাল তোমা-লোকৰ অনন্ত সুখ, অনন্ত অমৃত।

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী।

সমাপ্ত।

# গুৰু-চৰিত্ৰ।

মাধৱদেৱ পুৰুষে ঠাকুৰ অহা বাতৰি পায়, সেৱকীয়া সহিতে আগে বঢ়াই আনিবলৈ গৈ, ঠাকুৰৰ মুৰত গামছা দেখি সকলোবিলাকে, ক্ৰন্দন কৰিছে। মাধৱদেৱ শোকত অস্থিৰ হৈ কান্দি কান্দি পাটবাউসি পাইছেহি। আইয়ে ৰমানন্দৰ মাথাত কাপোৰ আৰু সেৱক সকলৰ শোক দেখি বিদায় কালৰ কথা মনত কৰি শোকাতুৰা হৈ এই গীতটী গাইছে' আলোমন কি কহবো দুখ। পৰাণ নিগড়ে নাদেখি চন্দ্ৰমুখ॥

এইদৰে বিলাপ কৰি পাটবাউসীৰ লোক সকল অত্যন্ত অস্থিৰ কৰিছে; কোনোৱে কাকো শান্তনা কৰিব নোৱাৰো হল। কাৰ্য্যৰ অৱস্থা বিষম দেখি বৰ ঠাকুৰে আই মাতৃক শান্তনা কৰিছে। ক্ৰমে সেৱক সকলো প্ৰবোধিত হল। তাৰ পিছত মাধৱ দেৱ কণ্ঠভূষণৰ ঘৰলৈ গৈ সকলো বিৱৰণ জনাই গণক কুছিত আছে গৈ। পৰদিনা প্ৰাতে: পাটবাউসীলৈ আহি দহাৰ কাৰ্য্যৰ উদ্যোগ কৰিছে। গুৰুৱে নিজে বাট পৰিস্কাৰ কৰি সকলো যোগাৰ কৰি দহা কৰাইছে। ৰমানন্দ ঠাকুৰ দহালৈ তিন দিন থকাত আহি পাইছিল। শ্ৰীমাধৱদেৱে খগৰ আদেশমতে সকলো বস্তু বাব প্ৰস্তুত ৰখা হেতু দহালৈ একো অসুবিধা নহল। গুৰু ঈশ্বৰৰ সহালৈকে সকলো সেৱকীয়া সকল আহি মহাসমা ৰাহে কাৰ্য্য শেষ কৰিলে; কিন্তু কোব দামোদৰ নাহিল, দ্ৰব্য বহু কিছু পঠাইছিল।

ক্ৰমে মাহেকীয়া পালেহি। সকলো ঠাইৰ সেৱকীয়া সকল কোনো দুদিন কোনো এদিন পূৰ্ব্বে শ্ৰাদ্ধৰ দ্ৰব্যাদিলৈ উপস্থিত হলহি। দামো-দৰ দেৱকো মতা হৈছিল, শ্ৰাদ্ধৰ দিনা ৰাতি পুৱা সমাগত নেদেখি মাধৱে ঠাকুৰত জিজ্ঞাসা কৰিছে ঠাকুৰদেৱ! দামোদৰক কোনে নিমন্ত্ৰন কৰিছিল। এজন ভকত পঠাই মতোৱা হৈছে; তুমি নিজে নিমন্ত্ৰণ কৰাহেতেন ভাল আছিল; বাৰু বুলি বৰ ঠাকুৰ স্বয়ং গৈ আহবান কৰাত আমাৰ ইয়াতো ভাৱনাৰ যোগাৰ কৰা হৈছে, যাবলৈ কিছু মন্দিন হল, এই কথা পুৰুষত



জনোৱাত ৰাগ হৈ সমাগত প্ৰকাশ কৰি ঠাকুৰ আতাক কৈছে সখি! তুমি দামোদৰৰ ঘৰলৈ যোৱা। • • • •

• • • • • • •

• • ঠাকুৰ আতাগৈ এই প্ৰকাৰে ভৎসনা কৰাত শ্ৰাদ্ধ লৈ গৈ মঠ পাতি বহি আছিল। শ্ৰাদ্ধান্তে দক্ষিণা দিয়াত গ্ৰহণ কৰিলে; মাধৱদেৱে গুৰুৰ শ্ৰাদ্ধৰ দক্ষিণা লোৱা দেখি থঙ কৰি যিমান বস্তু বাব আনিছিল, আটাইবোৰ পানীত পেলাই কুটা ছিঙি পৰিত্যাগ কৰিছে। তেতিয়াৰ পৰা দামোদৰৰ মত বিভিন্ন হৈ নিজ নামেৰে ধৰ্ম্ম চলাইছে। জাতি সকলক অন্নদান কৰি নিৰামিষ পৰিত্যাগ কৰি সামিষ স্পৰ্শ কৰিছে, এই সময়ত সকলো সেৱকীয়া জ্ঞাতি কুটুম বিশেষ ৰামৰায় হাজৰিয়া বনগয়া-গিৰি মাধৱদেৱ প্ৰভৃতি প্ৰধান প্ৰধান লোক সকলৰ সাক্ষাতে নাৰায়ণ ঠাকুৰে বৰ ঠাকুৰত জিজ্ঞাসা কৰিছে, অন্তকাল সময় ঈশ্বৰ পুৰুষে কাক আজ্ঞা কৰি গৈছে, ৰমানন্দে আঠুলৈ গুৰু আজ্ঞাৰ কথা জনাইছে। "ধৰ্ম্ম সম্বন্ধীয় সৰ্ব্বস্ব বড়াৰপোত অৰ্পিলো, জ্ঞাতি কুটুম্বৰ প্ৰতিপালনৰ ভাৰ ৰামৰায় কৰে দিলোঁ, আৰু সেৱক সমূহক জনাবা, মাধৱ আমাৰ নিজ দেহ, স্ত্ৰীজনা পাৰ নাতি পুত্ৰ হাতে বুলি মান্য কৰিব। এই কথা উপদেশ দি আতা ঈশ্বৰ প্ৰয়ান কৰিছে; ঠাকুৰ আতাই তেতিয়াই সাৱটি ধৰি ক্ৰন্দন কৰি বুলিছে; ৰায়, হাবিয়া, বনগয়াৰ টাঙ্গণ চাৰি দালি গুছালে।

সেই দিনাৰ পৰা শ্ৰীমাধৱদেৱ ধৰ্ম্মাচাৰ্য্য হৈ গণক কুছিত থাকি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিছে। গুৰুৰ নাতি পুৰুষোত্তম, পুত্ৰ হৰিচৰণ, নিজ ভাগিন ৰামচৰণ তিনিও জনক পঢ়াইছে; এদিন ৰামচৰণে হৰিচৰণক বৈনাই বুলি মাতিছিল, সেই কথাতে ৰাগ কৰি পঢ়িবলৈ নহাকৈ আছিল, মাধৱে বুজ পাই আকৌ মতাই আনিছে। পুৰুষোত্তম ঠাকুৰে মনপুৰ অৱাৰি ৫ নোকোৱাকৈ এক টুকুৰা বগা মাটী অনাত গুৰু ঈশ্বৰত জনোৱাতে ৰাগ কৰিছে; আৰু এদিন ৰামচৰণে মহাপুৰুষ পাট বাউসীলৈ অহা দেখি নপঢ়ি খেমালী কৰি দুৰি ঘৰলৈ নহাকৈ আছিল, পিতা মাতাই বিচাৰি নাপালে, পিছত মাধৱ ঘৰলৈ আহি কুঁহিয়াৰৰ মাজত বিচাৰি পায় আনিলে। আন এদিন পঢ়িব নোৱোৱাত খুটাত বান্ধি মাৰিছিল, এই প্ৰকাৰে তাৰনা কৰাত

ভালকৈ লিখা পঢ়া শিক্ষা কৰিলে। দুই মাহ গণক কুছিত আছে, আইয়ে বৰ ঠাকুৰক পঠাই মতাই নিয়াইছে, বড়াপো! ইয়াতৈ আহাগৈ, তাত থাকিব নেলাগে। গুৰু-মাতাৰ আজ্ঞা পায় পিছ দিনা ভকতসকলৰ সহিত আহি পাট বাউসীত বাস কৰিছে। ছয় মহিয়া, বছৰেকীয়া সকলো কাৰ্য্য শেষ কৰিছে, এনেতে ৰমানন্দ আৰু মহাকালিৰাম আতৈ বসন্ত ৰোগত দুইজন দুইবেলা পৰলোক গমন কৰিছে। এওঁ লোক দুয়ো জন সখি আছিল। বৰ ঠাকুৰ মৃত্যুহোৱাত দহন বহন কৰি প্ৰেতাদি কাৰ্য্য সমাধা কৰিছে। পূৰ্ব্বে গুৰুজনে বছৰান্তে আহিবা বুলি আজ্ঞা হোৱা হেতু গৈছে।

ইতি পূৰ্ব্বে গুৰু ঈশ্বৰ:পাট বাউসীত অঠৰ বছৰ বাস কৰিছিল, মাধৱদেৱ পুৰুষো গণক কুছিত অঠৰ বছৰ থাকি শঙ্কৰদেৱ পয়ানৰ পৰা পাটবাউত পাছ বছৰ বাস কৰি গুৰুপত্নী পুত্ৰ নাতি সকলক প্ৰতিপালন কৰি আছিছে। হৰিচৰণ, ঠাকুৰলৈ ৰামদাস আতাৰ কন্যাক বিবাহ কৰাইছিল; কিছুদিন থাকি পাগল হোৱাত এদিন অতিশয় বলিয়ালি কৰাত উপায় নাপাই খুটাত বান্ধি ৰাখিলে। পিছত কষ্ট দেখি মোকোলাই কোলাত লৈ ক্ৰন্দন কৰি ঔষধ সেৱন কৰাই ভাল কৰিলে। এই প্ৰকাৰে এক ঘৰিয়া হৈ থকাত ৰামৰায়, হাৰিয়া বনগয়া এওলোকে মাজে মাজে অসূয়া কৰে। এদিন পুৰুষোত্তমক মাতি নি কৈছে; তিনিজনি বাৰিৰ ওপৰত বৰলা মাধৱ; এই কথা শ্ৰৱণ কৰি ভকত সকলে মৰ্ম্মান্তিক কষ্ট পাইছে, আইয়ো মনত বিৰক্তভাব হৈছে। মাধৱদেৱে কাকো একো নুবুলি আইৰ ওচৰলৈ গৈ প্ৰাৰ্থনা কৰিছে, মাতা! আমাক বিদায় দিয়ক আমি গুৱা গাছালৈ যাও। অত্যন্ত দুখৰ সহিত জানাইছে বড়াপো। আমাক এৰি দূৰৈ নেযাবা সুন্দৰিতে থাকাগৈ। পুৰুষে কৈছে আয়! পূৰ্ব্বে গুৰুবাক্য আছে, সুন্দৰিত থাকিবলৈ বাধা দিছে; বাৰু আমি বুলিছো তোমাক সুন্দৰি সকলে মুহিব নোৱাৰে; তুমিহে তেওঁ লোকক মুহিব পাৰিবা। আইৰ বাক্য ৰক্ষা কৰি মাধৱদেৱ পুৰুষ সুন্দৰীলৈ গৈ ৰামচৰণৰ গৃহত পাত গোহালিত নিবাস কৰিছে। সুন্দৰী বিলাকে সংবাদ পায় দেখিবলৈ আহিছে, শ্ৰীৰাম আতাৰ হতুৱাই তামোল পাণ দি আদৰ কৰিছে।

সুন্দৰীতে নাম ঘৰ মনিকুট হাতি ঘৰ প্ৰস্তুত কৰি নিত্য নৈমিত্তিক



চৌৰুতী প্ৰসঙ্গ কৰি সুখে আছে। যেতিয়া নৰনাৰায়ণ ৰাজাই বিদ্ৰোহ কৰিছিল, তেতিয়াই ৰামদাস আতা আৰু হৰিগুৰু দুইজন পলাই গৈ ধুমুৰিত আছিল। ৰামচৰণ ঠাকুৰো মমা গুৰুৰ ওচৰত বিদ্যালাভ কৰি তাতে আছিল গৈ। আতা ৰামচৰণক মোমায়েকৰ লগত থাকি পাঠ শিক্ষা কৰিবলৈ আদেশ কৰিছিল, তথাপি নাহিল। হৰিচৰণৰ বেমাৰ হোৱা শুনি মাকে খবৰ লবলৈ আহিব দিয়াত প্ৰথমে পাটবাউসিলৈ গৈ ঠাকুৰৰ খবৰ কৰি তেওক লগত লৈ সুন্দৰিলৈ মোমায়েকৰ সমীপে আহিছে। পুৰুষে নৱানিত চৰিত্ৰ তুলিছে, দেখা মাত্ৰেই সেৱা কৰিছে; উভয়কে আদৰ সম্ভাষণ কৰি ৰামচৰনক থাকিবলৈ আজ্ঞা কৰি হৰিচৰনক বিদায় দিছে। ঘৰলৈ গৈ ভাগিনিয়কক ভোজন কৰাই কৈছে বোপা তুমি ইমান ডাঙৰ হলা, কোলাই বোকাই লৈ তুলিলো। তথাপি ভুকে নোলোয়া; আমি তোমাৰ পিতাৰৰ বৰ উপকাৰী। এতিয়া বৃদ্ধ হলো চাউল পানীৰ কষ্ট হল, মৰম নকৰিলে মোৰ আৰু কোন আছে? অতএব ঘৰবাড়ী ওচৰ চপাই আনি আমাক প্ৰতিপালন কৰা। ৰত্নমণি নামে বিপ্ৰ এজন ৰত্নাৱলী আৰু ৰত্নাকৰ পাঠক আছিল, উজনিলৈ যোৱা বাবে পাঠ ক্ষতি হোৱাত ৰাম চৰনক পাঠ পঢ়িবলৈ আজ্ঞা কৰিছে; শ্ৰীৰাম আতা প্ৰথমে অাও হেলা কৰিছিলে, পিছত পাঠ পঢ়িব দেখি সন্তোষ পাইছে। বলিছলন পুথি লিখিবলৈ দিয়াত সুন্দৰমতে লিখি দিয়াত সন্তোষ পাইছে। ফাকুয়াৰ সময়ত কলিয়া দলৈৰ ঘৰত সভা হৈছিল, তালৈকে মাধৱদেৱ পুৰুষ ৰামচৰণে সৈতে গৈ একে কঠাতে বহাত, লোক সকলে জিজ্ঞাসা কৰাত ভাগিন বুলি পৰিচয় দিয়াইছে। সভাৰ দক্ষিণা ঈশ্বৰ পুৰুষে একটকা, ঠাকুৰে চাৰি আনা পাইছে; এইদৰে বহুত ঠাইত পয়চা পোৱাত লগত থাকিবলৈ ইচ্ছা হোৱাত পানৰ পৰা আহি মোমাগুৰুৰ লগতে আছে।

মথুৰাদাস আতা পূৰ্ব্বে চৈতন্য পন্থি আছিল, ৰামচৰণ ধুমুৰিত থকাৰ পৰা মাধৱদেৱ পুৰুষক গুৰুমান্য কৰি আগৰমত পৰিত্যাগ কৰিছে। প্ৰথমে সাতজন ভকত হৈছিল, তাৰ পিছত বহু তাঁতি লোক সেৱকীয়া হৈছেহি। লক্ষন ওঝাও তেওঁ লোকৰ লগতে ভকত হৈ এওঁ

ওঝা আতা পালি ওঝা গায়। এইদৰে তিথি সংক্ৰান্তিত ওঝা গায় থাকে; ৰামচৰণ ধুহুৰিৰ পৰা আহিব লগা হোৱাত মথুৰা দাসক ঘৰ সজাবলৈ আদেশ কৰিছে। গুৰু বাক্য পালন কৰি পোড়া ভিঠাত ঘৰ প্ৰস্তুত কৰি দিছে।

বনগয়াগিৰি আন লোকৰ হতুৱাই ৰাজাত লগোৱাইছে, আমাৰ বংশত সুন্দৰী কন্যা আছে, এই কথা শুনি ৰাজাই দূত পাঠাই ৰমানন্দৰ ভাৰ্য্যা সুমতি আইক ধৰাই নিছে, লগত পুৰুষোত্তম ঠাকুৰো গৈছিল। গুৰু পত্নি আন ভকত অত্যন্ত কষ্ট পায় একো উপায় নেদেখি সুমতিৰ ভাতৃ সকলক জনাই বেহাৰলৈ পঠাইছে। তেওঁলোকে ৰাজ মন্ত্ৰিত খাটনি কৰি শঙ্কৰ দেৱৰ বোৱাৰি বুলি জনোৱাত এৰি দিছে; কিন্তু ধৰ্ম্মৰ একো ব্যাঘাত হোৱা নাই। ঠাকুৰে সৈতে আয় পিত্ৰালয়ত কিছু দিন আছে; হৰিচৰণ ঠাকুৰক আনিবলৈ পঠোৱাত, ভাতৃ সকলে টকা ভৰি মেলাই আনিছো বুলি এৰি নিদিলে। গুৰু পত্নি আয় এই কথা শুনি চৌধাৰীৰ ঘৰলৈ গৈ ঠাকুৰৰ গলত ধৰি স্বামী পুত্ৰৰ গুণ স্মৰণ কৰি বিস্তৰ কান্দিছে। তাৰ পিছত আন দিন হৰিচৰণ ঠাকুৰ গৈ লৈ আহিছে।

শ্ৰীৰাম আতা অতিশয় দৰিদ্ৰ আৰু ঔদাৰিক আছিল, শ্ৰীমাধৱদেৱে লোটা এটা পানী খাবলৈ দিছিল; গুৰুবাক্য পালন কৰি দুই তিন দিন ব্যৱহাৰ কৰি মূল্যবান দ্ৰব্যত লোভ লাগিব এই আশঙ্কায় এজন ভকতক দান কৰিছে। ভিক্ষা কৰি যি পায় বেচি হলে এক দিনৰ খোৰাকী ৰাখি দৰিদ্ৰ আৰু ভকতক দান কৰে; ভোজনৰ নিমিত্তে একো আয়বৰ নাই; বাগা ঘৰৰ আগতে পুৰৈ এজোপা কুই ৰাখিছিল, তাৰে পাত পাচোটা আনি সিজাই লোন তেল মিহলাই ভক্ষন কৰে যদি কোনো লোকে জিজ্ঞাসা কৰে, আতা! কি হৰে ভোজন হল, পঞ্চামৃতে হলবুলি অতি আহ্লাদ মতে উত্তৰ দিয়।

---



# আজিৰ দিন আৰু ভবিষ্যৎ।

আজি কুৰি শতিকাৰ আগভাগ। এই সময়ৰ ঘটনাবোৰেৰে সৈতে অতীতৰ ঘটনাবোৰেৰে তুলনা কৰি চালেই আজিৰ দিন নো কেনে আৰু ভবিষ্যত নো কেনে হব তাক খাৱৰাব পাৰি। আমি চৰ্ম্ম: চকুৰে এই সংসাৰত যি দেখোঁ আৰু দেখি আহিছোঁ তাৰ জ্ঞান বেছকৈ পাওঁ। সেই জ্ঞানৰ বলতে আমি অতীত জীৱনত দেখি অহা সকলো ঘটনাবোৰৰ সত্যাসত্য বিশ্বাস কৰোঁ। এই বিশ্বাস যেতিয়া আমাৰ হৃদয়ত বিকাশ হয় তেতিয়া চৰ্ম্মচকুৰে নেদেখা ভবিষ্যতৰ কথাও বিশ্বাস কৰিবলৈ আগ বাঢ়োঁ। এই বিশ্বাস আমাৰ হৃদয়ত কেৱল জ্ঞান চকুৰ সহায়ত হে ওপজে। কাৰণ যি কাৰণৰ দ্বাৰাই যি ঘটনা আগৰেপৰা ঘটি আছে সেই কাৰণৰ দ্বাৰাই আগলৈকো তেনেকুৱা বিধৰ ঘটনা ঘটি থাকিব। কোনো কোনো বৈজ্ঞানিক পণ্ডিতে কয় যে নিজৰ চকুৰে নেদেখা কথা বিশ্বাস কৰিব নোৱাৰি আৰু ভবিষ্যত জ্ঞান পাবলৈ চেষ্টা কৰা কেৱল এন্ধাৰত খপিওৱাৰ নিচিনা। আকৌ কোনো কোনো পণ্ডিতে ওপৰত কোৱা মতৰ বিপৰীত ভাৱে দেখুৱায়। সিবিলাকে কয় যে অতীত কোনো কাৰণৰ দ্বাৰা হোৱা ঘটনা দেখি তাৰ মূল কাৰণ যদি কেইবাবছৰো প্ৰমাণ পাই অহা যায় তেন্তে সেই ৰকমৰ কাৰণৰ দ্বাৰাই ভবিষ্যতলৈও যে তেনেকুৱা ঘটনা ঘটিব তাক বিশ্বাস কৰিব পাৰি।

মানৱ জগতত শিক্ষিতৰপৰা সাধাৰণলৈকে কোনো কথাত দুদলৰ দুটা মত হোৱা দেখা যায়। প্ৰায় মানুহেই কোনো কথাত নিজৰ যি বিশ্বাস হয় সেই মতে চলে আৰু আনবটো প্ৰকৃততে সঁচা হলেও দলিয়াই পেলায়। সেই কাৰণেই সকলোৰে মত একে হোৱা দেখা নাযায়। এই বেলেগ বেলেগ বিধৰ মত নহলেও সংসাৰ নচলে। বিজ্ঞানেও আজি এই বেলেগ বেলেগ মতামতৰ পৰাহে ইমান উধাৰ পৰিছে। সংসাৰৰ সকলো কথাৰে সত্যতা উলিওৱাই বিজ্ঞানৰ লক্ষ্য আৰু এয়েই বিজ্ঞানৰ শেষ সীমা। গতিকে কোনো কথাৰ সত্যাসত্য ওপৰত কোৱা মতবোৰৰপৰা বাহিৰ হয়। ইয়াৰপৰাই বুজা যায় যে এই সংসাৰত

যুঁজাৰু সেনাৰ দৰে আজিও দুদল বৰ্ত্তমান। পিছে কোনো এটা কাৰণৰ পৰা হোৱা ঘটনাৰ বেলেগ বেলেগ কাৰণ দেখুওৱা দুটা মত কেতিয়াও একে বেলিয়েই দুয়োটা সঁচা হব নোৱাৰে। দুটাৰ ভিতৰত যেই সেই এটা হে সঁচা হব পাৰে। কোনটো মত সত্য আৰু কোনটো মত অসত্য তাক নিৰ্ণয় কৰিবলৈহে বিজ্ঞানৰ উৎপত্তি।

পাঠক পঠিকাসকল! আজিৰ দিন নো কেনে আৰু ভৱিষ্যত নো কেনে হব এই দুটি কথা চোৱাৰ হে এই প্ৰবন্ধৰ মুখ্য উদ্দেশ্য। কিন্তু এই উদ্দেশ্য বিচাৰ কৰাত সংলগ্ন থকা কথাবোৰকো তাৰ লগে অলপ-মচৰপ আলচ কৰি যাবলৈ আগ বাঢ়িলোঁ।

ওপৰত দেখুৱাই অহা হৈছে যে বৈজ্ঞানিক পণ্ডিত সকলৰ ভিতৰত যেনেকৈ দুবিধ মত সেই দৰেই ইবিলাক মানুহবো কোনো কথাত দুই ৰকম মত। প্ৰথম দলে চকুৰে দেখি প্ৰমাণ পোৱাৰ কথাৰ বাহিৰে ভৱিষ্যতক বিশ্বাস নকৰে আৰু দ্বিতীয় দলে চকুৰে দেখা কথাৰ বাহিৰেও ভৱিষ্যতৰ কোনো কথা বিশ্বাস কৰিবলৈ আগবাঢ়ে। দৰাচলতে শেষৰ দলকেই সমৰ্থন কৰা উচিত। কাৰণ অতীত জীৱনৰ কাৰ্য্যকলাপ দেখি কোনো ঘটনাৰ মূলীভূত কাৰণৰ নিমিত্তে হৃদয়ত যি বিশ্বাস উপজিছে ভৱিষ্যতলৈও তেনেকুৱা ঘটনাৰ কাৰণে সেই বিশ্বাস স্থায়ী হৈ থাকিব লাগিব। কোনো ঘটনাৰ ভাল প্ৰমাণ পাইও যদি মানৱৰ হৃদয়ত বিশ্বাস নোপজে তেন্তে ভৱিষ্যত জীৱনৰ প্ৰত্যেক কামতেই সন্দেহ উপজিব। যদি সন্দেহ ওপজে তেন্তে কৰ্ম্মজীৱনৰপৰা মানুহে ক্ৰমশঃ আঁতৰ হবলৈ বাধ্য হব লাগিব। বিশ্বাস নাথাকিলে কোনো কথা সুকলমে সমাধা কৰিব নোৱাৰি। গতিকে মানৱৰ হৃদয়ত বিশ্বাস সঞ্চাৰ নহলেই কৰ্ম্মজীৱনত ব্যাঘাত জন্মিব। সেয়ে হলেই ইহজগতৰ লক্ষ্যপথ অতিক্ৰম কৰা অসম্ভৱ।

জগতৰ কেউফালৰপৰা উত্তৰ হোৱা এটি নিকুঁট শব্দ শুনা যায়; আৰু সেই শব্দৰ প্ৰতিধ্বনি সকলো ঠাইতে বিয়পি পৰি মানৱৰ শব্দ ৰূপে নাথাকি এটি বেলেগ আকাৰত গঠিত নহব তাক কোনে কব পাৰে। কোনো কথা যে মানুহে কয়, এইটো আগলৈ হব এইটো



কৰিব পাৰিম এনেকুৱা কোৱা কথাৰ বহুত মানে আছে। স্থিৰ কৰি লোৱা কথা বহুত ভাগেই সত্যলৈ আপনাআপুনিয়েই ঢাল খাই আচল সত্যত উপস্থিত হয়গৈ। কিছুমান বৈজ্ঞানিক পণ্ডিতৰ মতে এনেকুৱা কথা এনেয়েই কওঁতাৰ হৃদয়ত উপজিব নোৱাৰে। ই পূৰ্ব্বজন্মত অভিজ্ঞতা হোৱাৰ শক্তি। আত্মা যেনেকৈ অমৰণ মানুহে উপলব্ধি কৰা শক্তি বা গুণ অমৰণ। ই কেতিয়াও লোপ নেপায় আৰু দাধানানুক্ৰমে বৃদ্ধি হৈহে থাকে। সেই কাৰণেই মানৱে ওপৰত কোৱাৰ দৰে কোৱা কথা ইহজন্মত কবলৈ সক্ষম হয়; আৰু সেই দৰেই উমানতে ভৱিষ্যতৰ কোৱা কথাও সফল হয়।

ওপৰত উল্লেখ কৰা শব্দটিয়েই হৈছে স্বতন্ত্ৰতাৰ হেঁচা। শিক্ষিত সমাজৰপৰা সাধাৰণ জনসমূহলৈকে সকলোৱে নিজৰ নিজৰ স্বতন্ত্ৰতা উপলব্ধি কৰিবলৈ চেষ্টা কৰে। ই কিন্তু স্বাভাৱিক গুণ, স্বতন্ত্ৰতা উপলব্ধি কৰিবলৈ চেষ্টা কৰা মানৱৰ কেৱল অতীত জীৱন আৰু পূৰ্ব্বজন্মৰ ক্ৰমোন্নতি বাটত বাট বোলাৰ ফল। জগতৰ প্ৰত্যেক সমাজৰ যে এনে অৱস্থা এনে নহয় প্ৰত্যেক সমাজৰ প্ৰত্যেক লোকৰে মনত সেই ভাবৰ জিলিঙনি পৰা দেখা যায়। নিজ নিজ সমাজৰ মানুহে যেনেকৈ নিজৰ সমাজ বেয়া হলেও নিজ সমাজৰ প্ৰাধানতাৰ চিনাকী দিবলৈ চেষ্টা কৰে আৰু কৰিছে সেইদৰেই জগতৰ প্ৰত্যেক মানুহেও লোকক নিজৰ প্ৰধান্য দেখুৱাবলৈ চেষ্টা কৰে আৰু কৰিছে। এইবোৰ ভাবেই হৈছে জগতত স্বতন্ত্ৰতাৰ কোঢ়াল।

কালি যি সমাজে অইন সমাজৰ লগত মিহলি হৈ একেলগ হবৰ কাৰণে অহোপুৰুষাৰ্থ কৰিছিল আজি সেই সমাজেই আকৌ সেই ভাব আঁতৰাই নিজৰ স্বতন্ত্ৰতা লাভ কৰিবলৈ চেষ্টা কৰিছে আৰু স্বতন্ত্ৰ হৈ পৰিছে। কালি পাঠকৰ ঘৰত যি সাধাৰণ মানুহে মন খুলি কাম কৰিবলৈ ভাল পাইছিল সেই মানুহে আজিৰ দিনত পাঠকৰ ঘৰত কাম কৰিবলৈ লাজ যেন বোধ কৰিছে। এইবোৰ ঘটনাই স্বতন্ত্ৰতালৈ চাল খোৱাৰ চিন। কালি যি দেশৰ মানুহে গছৰ ছাল বাকলি পিন্ধি দিনকাল কটাইছিল আজি সেই মানুহে কাপোৰ পিন্ধিবলৈ শিকিছে; কালি যি দেশৰ মানুহে কেৱল কেচা মঙহ খাই পেকট প্ৰবৰ্ত্তাইছিল আজি সেই মনুহে ভাত ৰান্ধি খাব জানিছে; কালি যি দেশৰ

মানুহে শিক্ষা নো কি তাক একেবাৰেই নুবুজিছিল আজি সেই দেশৰ মানুহে শিক্ষাৰ চৰ্চ্চা কৰিবলৈ ধৰিছে। এইবিলাক গুণেই ক্ৰমোন্নতিৰ ফলৰ আভাস মাত্ৰ। আকৌ কালিৰ সি ৮।৯ বছৰীয়া বয়সৰ লৰাই একো নাজানি লৰালি ধেমালিত প্ৰায় ১২।১৩ বছৰ বয়সলৈকে এনেয়েই কাল কটাইছিল আজি সেই বয়সীয়া লৰাই তেনে কৰিছে নে?

আজিৰ লৰা আগৰ সময়ৰ একেবয়সৰ লৰাৰ লগত তুলনা কৰি সূক্ষ্মৰূপে পৰীক্ষা কৰি চালে দেখা যায় যে আজিৰ লৰাৰ স্বভাব আগৰ লৰাৰ দৰে নহয়; বহুত বেলেগ। আজিৰ লৰাক কোনেও ঠগিব নোৱাৰে; ঠগিব নোৱৰাৰ মূলীভূত কাৰণ হৈছে আজিৰ লৰা বুদ্ধিয়ক। মানৱ জীৱনৰ ক্ৰমোন্নতিৰ ফল নহলে আজিৰ লৰা বুদ্ধিয়ক হব নোৱাৰে। কালিৰ লৰাৰ দৰেই আজিৰ লৰা থাকিলহেঁতেন। জনসাধাৰণে কয় যে আজিৰ দিনত সংসাৰ তেনেই গুচিল; সংসাৰত ঠগ, চোৰ, ডাকাইত ইত্যাদি বেছি হৈ আহিব লাগিছে। কালিৰ ঠগ, কালিৰ চোৰ, কালিৰ ডাকাইত যেনে ভাবৰ আজিৰ ঠগ, আজিৰ চোৰ, আজিৰ ডকাইত তেনে ভাবৰ নহয়। আজিৰ ঠগ, আজিৰ চোৰ, আজিৰ ডকাইতৰ কাৰ্য্য কৌশল কালিতকৈ ক্ষমতাপন্ন আৰু আশ্চৰ্য্য ভাবৰ। এই বুদ্ধিফন্দি বেছি হৈ অহাই মানৱ জগতৰ ক্ৰমোন্নতিৰ চিন। ঠগ, চোৰ, ডকাইত ইত্যাদিৰপৰা যে মানৱ জগতত উপকাৰ নহয় এনে নহয়; যদিও ইহঁত বাহিৰেদি দেখিবলৈ ভয়াবহ আৰু হানিকৰ তথাপি ইহঁতৰপৰা আনপিনে মানৱ জগতৰ বহুত উপকাৰ হয়। ইহতে সদায় মানৱক সাৱধান হবলৈ শিক্ষা দিয়ে। সকলো বিষয়তে মানৱে সাৱধান নহলে কৰ্ত্তব্য পথত আগুৱাব নোৱাৰে। গতিকে আজিৰ দিন এপিনে যেনেকৈ ভয়াবহ তেনেকৈয়ে আনপিনে আকৌ মোহলগা। জগতৰ এমূৰৰপৰা আনমূৰলৈকে এই ভয়াবহ ভাব মানৱৰ হৃদয়ত উদয় হৈ সংসাৰ কেনে জটিল ভাবৰ কৰি পেলাইছে। কিন্তু ভাবি চালে দেখা যায় যে সকলোৱে লাহে লাহে উন্নতি পথৰ ফাললৈহে বাট বুলিছে। মানৱ জগতত ক্ৰমোন্নতি হৈ অৱশেষত এই মানৱ জগতেই যে স্বৰ্গত পৰিণত নহব ই কোনো সন্দেহৰ কথা নহয়। এই অৱস্থালৈ যোৱাই মানৱ জগতৰ লক্ষ্য। গতিকে আজিৰ দিন কেনে সুখ ভাবৰ! ভবিষ্যত কেনে সুখকাল!

শ্ৰীগণেশচন্দ্ৰ হাজৰিকা।



## ভৱানন্দ বা নাৰায়ণ ঠাকুৰ বা ঠাকুৰ আতা।

আমাৰ "মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ শ্ৰীমাধৱদেৱ" কিতাপৰপৰা তুলি তলত এজন সাধু মহাত্মাৰ সংক্ষেপ জীৱন-চৰিত্ৰ পাঠকসকলৰ আগত ধৰিলোঁ। ধৰ্ম্মনদিৰ মঠৰ ইটাৰ কৰাল ধৰ্ম্ম আৰু গুৰুৰ অৰ্থে প্ৰাণ বিসৰ্জ্জন কৰোঁতা তেজস্বী আৰু বিশ্বাসী মহাসাধুসকলৰ তেজ বুলি কয়। মহাপুৰুষ শঙ্কৰদেৱৰ বিৰাট ধৰ্ম্মমন্দিৰ গঠনতো এনে লোকৰ তেজৰ অভাৱ নাছিল। অসমীয়াৰ কি গৌৰৱৰ কথা যে আসামৰ সুৱৰ্ণ কুক্ষিয়ে ভৱানন্দ আৰু গকুল-চান্দৰ নিচিনা মহাত্মা সন্তান ধাৰণ কৰিছিল। আমাৰ এনে মহাত্মাসকলৰ জীৱন চৰিত্ৰ আগত থাকিলে অসমীয়াই ভৱিষ্যৎ ভাবি হতাশ হবৰ কাৰণ নেদেখে।

শঙ্কৰদেৱ চুণপোৱাত থাকোঁতেই এজন শক্তিমন্ত পুৰুষে তেওঁৰ ওচৰত ধৰ্ম্মক ধৰেহি। এই পুৰুষজনৰ নাম ভৱানন্দ বা নাৰায়ণ ঠাকুৰ বা ঠাকুৰ আতা। ভৱানন্দৰ ককাকৰ নাম যশধৰ, বাপেকৰ নাম ধৰ্ম্ম, খুৰাকৰ নাম চৈতন্য। তেওঁলোক কুলত কায়স্থ। চৈতন্য আৰু তেওঁৰ ককায়েক ধৰ্ম্ম একেলগে আছিল। ভৱানন্দই সৰুতে লেখা পঢ়া শিকি শাস্ত্ৰ পঢ়ি জ্ঞান উপাৰ্জ্জন কৰিছিল। তেওঁৰ যেতিয়া ন-দহ বছৰ বয়স, তেতিয়া তেওঁ গৰু চৰোৱা কাৰ্য্যত প্ৰবিষ্ট হল। ভৱানন্দ ঃ বৰ তীক্ষ্ণ বুদ্ধিৰ লৰা আছিল। তেওঁ অচিৰতে গৰখীয়া লৰাবিলাকৰ ভিতৰত মুখিয়াল হৈ পৰিল, আৰু লগৰ গৰখীয়া লৰাবিলাকে তেওঁক ৰজলৈ উপাধি দি সিহঁতৰ ভিতৰত মুখ্য পাতি তেওঁৰ হাক-বচন শুনিবলৈ ধৰিলে। লৰাবিলাকৰ ভিতৰৰ দন্দ-হাই কাজিয়া-পেচাল ভৱানন্দই এনে সুচাৰুৰূপে ভাঙিবলৈ ধৰিলে যে তেওঁৰ গুণৰ প্ৰভাৱ গ্ৰামবাসী সকলোৰে ভিতৰত প্ৰচাৰ হবলৈ ধৰিলে। গৰখীয়া লৰাৰ মাজত ৰহি লাহে লাহে গাৱঁৰ ভিতৰৰ মানুহৰ দন্দবো তেওঁ বিচাৰ আৰু শোধ-পোছ কৰিবলৈ ধৰিলে আৰু সেই বিচাৰবোৰ তেওঁ এনে শুৱলাকৈ কৰিছিল যে গাৱঁৰ সকলো মানুহে তেওঁৰ বৈঠকি চাবলৈ আহিবলৈ ধৰিলে। শেহত গাৱঁৰ ভিতৰৰ যাৰ দণ্ডবাদ কাজিয়া হয় তেওঁলোক সকলোৱে আহি গৰখীয়া ৰজলৈ ভৱানন্দৰ আগত গোচৰ দিয়েহি; ভৱানন্দই গৰখীয়া লৰা

পাচি দি প্ৰজাকীয়াক মতাই আনি যথোচিত বিচাৰ কৰি সিদ্ধান্ত কৰে, আৰু সেই সিদ্ধান্ত কোনেও ভাঙিব নোৱাৰে, আন কি সেই গোড়ৰ ৰজাৰ দৰবাৰলৈ গলেও ভৱানন্দৰ ৰায় বাহাল থাকে। তেওঁৰ এনে বিচক্ষণ কাৰ্য্য দেখি ৰজা প্ৰজা সকলোৱে তেওঁক শলাগিবলৈ ধৰিলে।

এনে সময়তে ভৱানন্দৰ পিতৃ ঢুকাল। ভৱানন্দই খুৰাক চৈতন্যৰে সৈতে গৃহকাৰ্য্য কৰি থাকিবলৈ ধৰিলে। ইয়াৰ কিছু দিনৰ পিছত তেওঁৰ মাকও পৰলোকলৈ গল; আৰু ৰাজ্যত ঘোৰ আকাল হল। এনেকুৱা হোৱা দেখি ভৱানন্দই তেওঁৰ খুৰাকেৰে সৈতে পৰামৰ্শ কৰি সেই ঠাই এৰি যাবলৈ থিৰ কৰিলে, আৰু যথাসৰ্ব্বস্ব ভৰা দি নাৱেৰে উজাই আহিল। ব্ৰহ্মপুত্ৰত লাহ বিলাহ নামেৰে দুটা ডাঙৰ পাক আছিল, সেইখিনিত সোঁতৰ বেগ বৰ কোবাল। তেওঁলোক উজাই আহি সেইখিনি পালত, পাকঘূৰণিত পৰি তেওঁলোকৰ নাওখন বই-বস্তু সোপাৰে সৈতে পানীৰ তললৈ গল। খুৰাক ভতিজাক কোনোমতে সাঁতুৰি প্ৰাণ লৈ পাৰত উঠিলহি। তেওঁলোকৰ শৰীৰ একেবাৰেই বিধ্বস্ত; ভাগৰত তেওঁলোক গছৰ তলত আউজি জিৰাই থাকোতে এজনী তিৰোতামানুহে সেইপিনে পানী নিবলৈ আহি তেওঁলোকৰ তেনে দুৰ্দ্দশা দেখি দুইকো দুখন বস্ত্ৰ দিলত, তেওঁলোকে তাকে পিন্ধি ওপৰলৈ উঠি আহিল। তাৰপৰা লাহে লাহে গৈ তেওঁলোকে দুয়ো গাৱঁত সোমাই দেখিলে যে এজোপা গছৰ তলত কিছুমান মানুহে মেল কৰিছে। ভৱানন্দই খুৰাকেৰে সৈতে ওচৰ চাপি গৈ সেইখিনি পাই দেখিলে যে তাতে তেওঁলোকৰ ধৰুৱা এজন আছে। ধৰুৱাজনে তেওঁলোকক দেখি চিনি পাই আথেবেথে সকলো কথা সুধিলত, তেওঁলোকে নিজৰ দুৰ্দ্দশাৰ বৃত্তান্ত জনাই ধৰুৱাক কলে যে "তুমি আমাক প্ৰবৰ্ত্তিবৰ নিমিত্তে অলপ দ্ৰব্য বস্তু দিয়া, আমাৰ ধাৰৰ টকা সোপাকে আমি তোমাক এৰি দিলোঁ।" এই কথা শুনি ধৰুৱাই সন্তোষ পাই, তেওঁলোকক লোটা বাটি কাপোৰ আনি দিলে, তেওঁলোকে তাকে লৈ কুটুম্ব এঘৰত থাকিলগৈ। দিনদিয়েক কুটুম্বৰ ঘৰত থাকি ভাল নালাগি তেওঁলোকে দিহিঙ্গা নগৰত ঘৰ-বাৰী সাজি থাকিলগৈ। তাতে তেওঁলোকে কিছুমান ছাগলী পুহি বেচি অলপ টকা গোটালে। ভৱানন্দই ভালকৈ পাশা খেলিব জানিছিল, তাতে তেওঁ পাশা



খেলি জিকি কিছুমান ধন পালে। ইয়াৰ পিছত ভৱানন্দই তাতে এজনী ছোৱালী বিয়া কৰাই ৰীতিমতে গৃহস্থী হল। লাহে লাহে তেওঁ পাণৰ ব্যৱসায় কৰি চহকী হল। পাণৰ গৰাকীৰ বাৰীৰ পাণ তেওঁ সহজে উঠি পাৰি দিয়ে, আৰু গৰাকীয়ে সেইবাবে তেওঁক কিছু পাণ এনেই দিয়ে, সেই পাণকে লৈ তেওঁ বজাৰত বেচি ধন পায়। এই দৰে পৰিশ্ৰম কৰি ভৱানন্দই বহুত ধন ঘটিলে। এদিন এজনী পোহাৰীয়ে তাইৰ পোহাৰত বহি বস্তু বেচি থাকোঁতেই, উঠি গৈ তাইৰ ঘৰৰপৰা আহিব লগীয়া হোৱাত, তাই পোহাৰৰ কাষত ভৱানন্দক দেখা পাই কলে "তুমি দোকানত অলপ পৰ বহাঁ, মই ঘৰৰপৰা আহোঁগৈ। কিনোতা কোনোবা আহিলে বস্তু বেচিবা।" এই কথা শুনি ভৱানন্দ পোহাৰত বহিল আৰু পোহাৰী উঠি তাইৰ ঘৰলৈ গল। পোহাৰত কিছুমান বস্তু বহুত দিন বিক্ৰি নোহোৱাকৈ পৰি আছিল। ঈশ্বৰৰ ইচ্ছাত ভৱানন্দ বহোঁতে সেই বস্তুবোৰ হুৰ্ হুৰ্ কৰে বিক্ৰি হবলৈ ধৰিলে। কিছুমান বেলিৰ মূৰত পোহাৰী আহি দেখিলে যে তাইৰ পোহাৰ উদং। তাই ভাবিলে ই কি কাণ্ড! বস্তুবোৰ কলৈ গল। তাই ভৱানন্দক খং কৰি কলে "এইবোৰ কি কথা? কি ঢং? মোৰ বস্তুবোৰ কলৈ গল?" ভৱানন্দই পোহাৰীৰ বস্তু বেচি পোৱা ছকুৰি টকা লাহেকৈ উলিয়াই পোহাৰীক দিলে। পোহাৰী অবাক! পোহাৰীয়ে বিস্ময় মানি ভৱানন্দক কলে "বাপু, তুমি তো শুদা শক্তিৰ মানুহ নোহোৱা। তুমি মোৰ দোকানত আৰু কিছুমান দিন বহি বস্তু বেচা।" ভৱানন্দই কলে "এনে কাম হব নোৱাৰে। মোৰ ঘৰত খুৰা এজন আছে, তালৈ মই এতিয়াই যাব লাগিব।" এই কথা শুনি পোহাৰীয়ে ভৱানন্দক ছকুৰি ৰূপ দি বিদায় দিলে; আৰু তেওঁ তাকে লৈ নিজৰ ঘৰলৈ গল। কিছুদিনৰ পিছত ভৱানন্দৰ খুৰাক ঢুকাল। খুৰাকৰ শ্ৰাদ্ধাদি কাৰ্য্য কৰি অন্তাই ভৱানন্দই নাও এখন কিনি লৈ বেপাৰ কৰিবলৈ লাগিল। বেপাৰ কৰি কৰি লাহে লাহে তেওঁৰ হাতত টকা হলত তেওঁ আৰু নাও কিনি বেপাৰ বঢ়াবলৈ ধৰিলে। শেহত তেওঁ ন-খন নাৱেৰে বেপাৰ কৰি দেশ-দেশান্তৰে ফুৰি বৰ সদাগৰ হল। বেপাৰত ফুৰোঁতে তেওঁ হাট ফাট চকি একোকে নামানি, নিজক ৰজাৰ গোমাস্তাৰ বুলি পৰিচয় দি, ফাট ভাঙি চা বিওৱালে অহাদোৱা কৰি ফুৰে। লাহে লাহে ফটোৱালবোৰে এইদৰে

ৰজাৰ কাণ চুৱালে যে "ভৱানন্দ নামে সদাগৰ এজনে ফাট ভাঙি চলাচল কৰি ফুৰে, আৰু আমি মাচুল বিচাৰিলে তেওঁ কয় 'মই ৰজাৰ মোমায়েক, তহঁতক কিয় মাচুল দিম।" এই কথা শুনি ৰজাই খং কৰি ভৱানন্দক ধৰাই নিয়ালে। দূতে ভৱানন্দক ধৰি ৰজাৰ আগত হাজিৰ কৰি দিলত, ৰজাই ক্ৰোধ কৰি তেওঁক সুধিলে 'তই কিয় এইদৰে ছল কৰ ?" ভৱানন্দই কৰযোৰ কৰি ৰজাক কলে "মহাৰাজ ! এটি দৃষ্টান্তেৰে ইয়াৰ কাৰণ মহাৰাজৰ চৰণত নিবেদন কৰিব খুজিছোঁ, মহাৰাজে ক্ষমা কৰি আজ্ঞা দিলেহে বন্দীয়ে জনাই মগৰৰপৰা সাৰিব পৰো।" ৰজাই এইকথা শুনি কৌতূহলী হৈ আজ্ঞা দিলত, ভৱানন্দই প্ৰথমতে এই শ্লোকটি মাতিলে—

"হীন সেৱা নকৰ্ত্তব্যা কৰ্ত্তব্যো মহদাশ্ৰয়ঃ।
অজঃ সিংহ প্ৰসাদেন বনে ভ্ৰমতি নিৰ্ভয়ঃ ॥"

শ্লোকটি শুনি দিঙ্গা নগৰৰ ৰজাই কলে "বাৰু, হৈছে এতিয়া, তোৰ দৃষ্টান্তটো ক ?" ভৱানন্দই কবলৈ ধৰিলে—"এজন লোকে দুৰ্গা-পূজাত বলি দিবৰ নিমিত্তে কিছুমান ছাগ আনিছিল। তাৰে ভিতৰৰ এটা ছাগ খোৰা হৈ খোজ কাঢ়িব নোৱাৰি হাবিৰ মজাতে ৰৈ গল। ছাগটো হাবিত সেইদৰে অকলশৰে পৰা দেখি তাক খাবলৈ বাঘ ভালুক আদি বনৰীয়া জন্তুবোৰ আহিল। ছাগটোৱে বিপদ উপস্থিত হোৱা দেখি বনৰীয়া জন্তুবোৰক কলে—"তহঁতে মোক খাব নোৱাৰ, মই সিংহৰ ভাগিন, তেওঁৰ আদেশ মতে আহি মই এই বনত প্ৰবেশ কৰিছোঁ।" এই কথা শুনি জন্তুবোৰে ভয় খাই ছাগটোক কলে "তেন্তে তুমি আমাক তোমাৰ মোমায়েৰাৰ হাতৰপৰা ৰাখিব পাৰিবা নে ?" ছাগে উত্তৰ দিলে "তহঁতে ভয় নকৰিবি, মই ৰাখিছোঁ বুলি কলে সিংহ মোমায়ে তহঁতক একো নকৰি এৰি গুচি যাব।" এই অশ্বাস পাই পশুবোৰে তেতিয়াৰেপৰা ছাগটোক বেঢ়ি সেৱা-শুশ্ৰূষা কৰি কৰ স্বৰূপে তৃণ ঘাহ আনি দিবলৈ ধৰিলে। কিছুমান দিন ছাগটো এইদৰে মহা সুখেৰে থকাৰ পিছত এদিন তাতে সিংহ ওলালহি। জন্তুবোৰে সিংহক দেখি মহা আতঙ্ক পাই, ছাগক কাতুৰ্ব্বাদ কৰি কলে "সিংহ আহিছে, এতিয়া আপুনি আমাক ৰাখক।" এই কথা শুনি ছাগটোৱে হাতীৰ পিঠত উঠি গৈ সিংহৰ ওচৰ পাই একে জাঁপেই মাটিত নামি পৰি সকাতৰে সিংহক স্তুতি কৰিলে "হে



মহাৰাজ শুনক ! মই ছাগ ; বাঘ ভালুক আদি জন্তুবোৰৰ ভক্ষ্য। কিন্তু মই আপোনাৰ ভাগিন বুলি এটাইকে কৈ ইয়াতে জীয়াই আছোঁ। এতেকে হে মহাৰাজ ! আপোনাৰ যি অভিৰুচি হয় তাকে কৰক।" এই কথা শুনি সিংহই সন্তোষ পাই ছাগক কলে—'বাৰু, তোৰ কোনো ভয় নাই, মই এই ঠাইত তোক ৰজা পাতিলোঁ।' এই বুলি সিংহই সেই নিঃসহায় খোৰা ছাগটিক নিৰ্ভয় দি ৰাজ্য দি গুচি গল। মহাৰাজ, মইো তেনেকৈ আপোনাৰ নাম লৈ বেহা-বেপাৰ কৰি কোনোমতে পেট প্ৰবৰ্ত্তাই ফুৰোঁ। এতেকে মহাৰাজৰ যি অভিৰুচি হয় তাকে কৰক।" এই কথা শুনি দিঙ্গাৰ ৰজাই আনন্দ পাই, ভৱানন্দক বৰ সদাগৰ পাতি আদেশ প্ৰচাৰ কৰি দিলে, আৰু ভৱানন্দৰ নাৱৰ বঠাৰ নালত বগা চোৰৰ অঁাই দিলে।

ইয়াৰ পিছত ভৱানন্দ বৰ সদাগৰে বুকু ফুলাই নিৰ্ভয়ে বৰ প্ৰতাপেৰে চাৰিউকালে বেপাৰ কৰি ফুৰিবলৈ ধৰিলে। ভাস্কৰ গুৰুৱে শঙ্কৰক শাস্ত্ৰৰ তৰ্কত জিনিব নোৱাৰি শঙ্কৰৰ ধৰ্ম্মমত খণ্ডাবৰ ইচ্ছাৰে আকৌ ভাগৈক শাস্ত্ৰ পঢ়িবলৈ বুলি নবদ্বীপলৈ নাৱেৰে ভটীয়াই গৈছিল ; আৰু তেওঁ শঙ্কৰক কৈ গৈছিল যে "যেতিয়ালৈকে শাস্ত্ৰৰ তৰ্কেৰে আপোনাৰ মত মই খণ্ডন কৰিব নোৱাৰোঁ তেতিয়ালৈকে আপোনাৰ প্ৰচলিত মততে চলিম।" দৈবক্ৰমে ভৱানন্দই উজাই আহোঁতে ভাস্কৰ গুৰুক লগ পালে। ভৱানন্দৰ নাও ভাস্কৰ গুৰুৰ নাৱৰ ওচৰতে ৰখা হৈছিল। ভুগৰীয়া কায়স্থ ভৱানন্দই ব্ৰহ্মপুত্ৰত স্নান কৰি নাম-তৰ্পণ আদি কৰি ভোজন কৰিবৰ আয়োজন কৰিছে, তেওঁ দেখিলে যে ব্ৰাহ্মণ ভাস্কৰে ব্ৰহ্মপুত্ৰত বোবোৰা মাৰিয়েই, সন্ধ্যা আহ্নিক একো নকৰাকৈয়ে, ৰাম ৰাম বুলি ভাত খাবলৈ লাগিল। ব্ৰাহ্মণৰ এনে কাৰ্য্য দেখি ভৱানন্দই আচৰিত মানি, ফকৰা মাতি ভাস্কৰক কলে "জপৰা বুৰ, চপৰা গৰাহ ! মই কায়স্থ হৈ তৰ্পণাদি কৰিহে ভোজন কৰিবলৈ আয়োজন কৰিছোঁ, আৰু তুমি বামুণ হৈ একোনকৰি চপৰাচপৰে ভাতৰ গৰাহ মাৰিলা ?" এইকথা শুনি ভাস্কৰে উত্তৰ দিলে "শুনা বৰ-সদাগৰ, শ্ৰীমন্ত শঙ্কৰে সেইবোৰ সকলো গুচাইছে ; তেওঁ নাম-ধৰ্ম্ম প্ৰচাৰ কৰি এনে মত প্ৰকাশ কৰিছে, যে মাত্ৰ ঈশ্বৰৰ নাম ললেই সকলো ধৰ্ম্ম কৰ্ম্মৰ ফল পোৱা যায়। সেইদেখি মই মাথোন নাম লৈয়েই ভাত খালোঁ। মই শঙ্কৰেৰে

সৈতে বাদ কৰি হাৰিলোঁ। সেইদেখি প্ৰতিজ্ঞা কৰি আহিছোঁ যে যেতিয়া-লৈকে শাস্ত্ৰৰ দ্বাৰাই তেওঁৰ মত খণ্ডন কৰিব নোৱাৰোঁ তেতিয়ালৈকে তেওঁৰ প্ৰচাৰিত মত অনুসাৰে চলিম। সেইদেখি মই নবদ্বীপত পঢ়িবলৈ যাবলৈ আহিছোঁ।" এই খবৰ শুনি ভৱানন্দই সন্তোষ পাই ভাস্কৰ গুৰুক, শঙ্কৰদেৱ কত আছে শুধিলে। ভাস্কৰে কলে, শঙ্কৰদেৱ আসাম ৰজাৰ ৰাজ্যত ধুৱাহাট নামে এখন ঠাইত ভক্তি-ধৰ্ম্ম প্ৰকাশ কৰি আছে। কিন্তু তেওঁ ভাটীলৈ আহিবলৈ ইচ্ছা কৰিছে। এতিয়া কিজানি আহিলেই, নাইবা তাতেই আছে, ভালকৈ কব নোৱাৰোঁ।" ভৱানন্দই এই কথা শুনি তেতিয়াই নাও মেলি দি আহিল, আৰু মানাহৰ সুঁতি এৰি চাউলখোৱা পালেহি, আৰু তাৰপৰা আহি খোৱানদীত সোমালহি। খোৱানদীৰ পাৰত দুজন ভকত খাগৰি কাটিবলৈ গৈছিল। তেওঁলোকে শঙ্কৰৰ ভণিতাৰে এই গীতটী গোৱা ভৱানন্দই শুনিবলৈ পালে,——

"নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা।
মেৰি পামৰ মন, মাধৱ ঘনে ঘন, ঘাটুক পাপ নছোৰা॥
যত জীৱ জঙ্গম, কীট পতঙ্গম, অগনক জগতেৰি কায়া।
সবকহো মাৰি পূৰত উহি উদৰ, নাহি কৰত ভূত দয়া॥
ঈশ স্বৰূপে হৰি সবঘটে বৈঠয় যৈচন গগন বিয়াপি।
নিন্দা বাদ পৈশুন্য হিংসা, হৰি, তেৰি কৰোহো হামু পাপী॥
কাকু শঙ্কৰে কয়, কৰ করুণা নাথ! মো নাছোৰোঁহো ৰাম বাণী
সব অপৰাধক বাধক তুয়া নাম তাহে শৰণ লহোঁ জানি।"

এই গীতৰ ভণিতা শুনি ভৱানন্দই ভাস্কৰৰ কথাৰ ভালকৈ মৰ্ম্ম অৱগাহ কৰি, ভকত দুজনক শুধিলে, "তোমালোকে যাৰ ৰচিত গীত গাইছা, তেওঁ কত আছে?" ভকত দুজনে কলে "সেই পুৰুষজন চুণপোৱা বৃক্ষৰ তলত আছে। আপুনি নো তেওঁৰ কথা কিয় শুধিলে?" ভৱানন্দই উত্তৰ দিলে যে তেওঁৰ কথা শুনি তেওঁক গুৰু লভিবৰ নিমিত্তে বিচাৰি আহিছোঁ।" এই কথা শুনি ভকত দুজনে আনন্দ মনেৰে তেওঁক শঙ্কৰদেৱক দেখুৱাই দিবৰ নিমিত্তে লৈ গল। সেইদিনা শঙ্কৰদেৱৰ ভোজনৰ নিমিত্ত চাউলৰ অনাটন পৰিছিল। শঙ্কৰদেৱৰ পত্নীয়ে স্বামীক কলে "আজি ভোজনৰ চাউল নাই; কিজানি কি হয় কব নোৱা-



ৰোঁ। কিজানি আজি আতকতীয়াৰ চাউলকে ভোজন কৰিব লগীয়া হয়, তাৰ ঠিক নাই।" এনে সময়তে চাউল, লোণ, তেল আদিকৈ লৈ শঙ্কৰদেৱৰ ওচৰত ভৱানন্দ সদাগৰ উপস্থিত হলগৈ। শঙ্কৰ পূব ফালে মুখ কৰি বহি আছিল, ভৱানন্দ তেখেতৰ পিঠিৰ ফালৰ পৰা খিয় দিলত, ভৱানন্দৰ ছাঁটো শঙ্কৰদেৱৰ মুখৰ আগত পৰিলহি। ঠিক এনে সময়তে শঙ্কৰদেৱে নাৰায়ণ নাম উচ্চাৰণ কৰিলে। ভৱানন্দই তেওঁৰ আগত চাউল তেল লোণ থৈ তেওঁক সেৱা কৰিলে। শঙ্কৰদেৱে তেওঁক কোন বুলি শুধিলত, ভৱানন্দই কলে "আমাৰ ঘৰ বগৰিগুৰি পৰগনাৰ হালধি-আটী গ্ৰামত। পিতামাতাই মোৰ নাম ভৱানন্দ থলে, ৰজাই ৰবসদাগৰ নাম দিলে। ভাস্কৰৰ মুখে আপোনাৰ কথা শুনি আপোনাক গুৰু লভিবৰ নিমিত্তে বিচাৰি আহিছিলোঁ; নৈৰ পাৰত দুজন ভকতে আপোনাৰ ভণিতাৰে গীত গোৱা শুনি, মোৰ মনোবাঞ্ছা সিদ্ধি হবৰ আগন্তুক হোৱা দেখি কৃতকৃত্য হৈ, তেওঁলোকৰ মুখে সঠিক বাতৰি পাই এইখিনি পালোঁহি।" শঙ্কৰদেৱে কলে "ভাস্কৰে পৰোক্ষে তোমাৰ উপকাৰ কৰিলে। শুনা ভৱানন্দ, তুমি আহি মোৰ ওচৰত খিয় দিওঁতে মোৰ মুখত নাৰায়ণ নাম ওলাল, এতেকে আজিৰপৰা তোমাৰ নাম নাৰায়ণ দিলোঁ। মোৰ পৰম বান্ধৱ ভক্ত এজন আছে, তেওঁৰে সৈতে তোমাৰ সখ্য নিৰূপণ কৰিলোঁ।" নাৰায়ণে শুধিলে "তেওঁ কত আছে?" শঙ্কৰদেৱে কলে, তেওঁৰ মাতৃশ্ৰাদ্ধ পৰিছেহি সেইদেখি তালৈ টকা ভঙাই আনিবলৈ পুৱাই ওলাই গৈছে।" নাৰায়ণ ঠাকুৰে কলে "মোৰ নাৱতে টকা ভঙাবলৈ পোৱা যাব, মই মোৰলৈকে যাওঁ, আপুনি কৃপা কৰি তেওঁক তালৈকে পঠিয়াই দিব।" এই বুলি নাৰায়ণ ঠাকুৰ যোৱাৰ পিছত, মাধৱদেৱে আহি শঙ্কৰদেৱৰ ওচৰ পাই, তেওঁ কতো টকা ভঙাবলৈ নাপালে বুলি কলত, শঙ্কৰদেৱে তেওঁক কলে যে "এজন প্ৰধান পুৰুষ এতিয়াই মোৰ ওচৰলৈ আহিছিল, তেওঁৰে সৈতে তোমাক সখি কৰি দিলোঁ। তেওঁৰ নাৱতে টকা ভঙাবলৈ পোৱা যাব বুলি তেওঁ কৈছিল; তেওঁ তোমাক অনেক প্ৰাৰ্থনা কৰি মাতি গৈছে তুমি তালৈকে যোৱা। প্ৰাৰ্থকৰ বাঞ্ছা সিদ্ধি কৰিব লাগে।" এই কথা শুনি মাধৱে গুৰুৰ বাক্য শিৰোধাৰ্য্য কৰি নাৰায়ণ ঠাকুৰৰ (১) নাৱলৈ তেতিয়াই গল। নাৰায়ণ ঠাকুৰে তেওঁৰ নাৱলৈ উভতি গৈ কেতিয়া তেওঁৰ নতুন সখিক

(১) নাৰায়ণ ঠাকুৰক সংক্ষেপকৈ "ঠাকুৰ আতা" বোলে।

দেখিবলৈ পাব বুলি বাট চাই আছে, এনেতে তাত মাধৱদেৱ, উপস্থিত হলগৈ। নাৰায়ণ ঠাকুৰে মাধৱদেৱক প্ৰণাম কৰি আদৰ-সাদৰ কৰি বহুৱাই ঠগিত গুৱা পাণ আগবঢ়াই দিলত, মাধৱদেৱে তেওঁৰ টকা ভঙাবৰ নিমিত্তে নাৰায়ণ ঠাকুৰৰ হাতত দিলে। ঠাকুৰ আতাই সেই টকাৰ দুগুণ ভঙাই মাধৱদেৱক দিলত, মাধৱদেৱে আচৰিত হৈ সেই বেছি ভাগ নিবলৈ অস্বীকাৰ কৰিলত ঠাকুৰ আতাই তেওঁক তাক নিবলৈ প্ৰাৰ্থনা কৰি কলে "সাধু, আপুনি নিশ্চয় ; আপোনাৰ মাতৃ মোৰো মাতৃ, সেইদেখি মাতৃশ্ৰাদ্ধৰ নিমিত্তে মোৰ ভাগো মই দিছোঁ।" এই কথা শুনি মাধৱদেৱে টকা গ্ৰহণ কৰি গৃহলৈ প্ৰত্যাগমন কৰিলে। মাকণীৰ পুতেক ৰাম নামে আলধৰা এজনকো মাধৱদেৱৰ সঙ্গত থাকি বন-বাৰি কৰিবলৈ ঠাকুৰ আতাই লগত দিলে। শ্ৰাদ্ধৰ দিনা শঙ্কৰদেৱকে আদি কৰি সকলো উপস্থিত থাকি মহা সমাৰোহেৰে শ্ৰাদ্ধ সম্পাদন কৰিলে।

ব্ৰাহ্মণসকলে শঙ্কৰদেৱৰ ওচৰত তৰ্কত হাৰি লাজ পাই ভোটা হৈ গৈ, আন প্ৰকাৰ কূট বুদ্ধিৰ আশ্ৰয় লৈ তেওঁৰ ওচৰত জয়লাভ কৰিবলৈ থিৰ কৰিলে। তেওঁলোকে আলচ কৰি শঙ্কৰৰ নামে ৰজাৰ আগত মিছা গোচৰ দিবলৈ বেহাৰলৈ গল। বিলৰ পানীত পেলোৱাৰ পিছত মাটি খহি যোৱা এখন কালীৰ প্ৰতিমাৰ চোহোঙা জুমুথিটো বিলৰ পৰা তুলি লৈ গৈ তেওঁলোকে ৰজাক দেখুৱাই গোচৰ দিলে যে "মহাৰাজ, শঙ্কৰৰ কাৰ্য্য চাওক, শঙ্কৰে অনাচাৰ কৰি আপোনাৰ ৰাজ্য তল নিয়ালে। তেওঁ বেদ নামানে, গীতা শাস্ত্ৰ নেমানে, তুলসীৰ গোন্ধ নলয়, তাৰ নাম নুশুনে, যাগ যজ্ঞ পিতৃ শ্ৰাদ্ধ সকলোকে নিষেধ কৰিলে, আৰু তেওঁৰ কথা শুনি সকলোলোকে সেই বোৰ কৰিবলৈ এৰিলে।" এইকথা শুনি নৰনাৰায়ণ ৰজাই ব্ৰাহ্মণসকলক কলে যে "মই শঙ্কৰক ভালকৈ জানো ; তোমালোকে যদি এইবোৰ অভিযোগ প্ৰমাণ কৰিব নোৱাৰা তেন্তে পিছত তাৰ ফল পাবা।" ব্ৰাহ্মণসকলে আকৌ উৰ্দ্ধবাহু হৈ কলে, "মহাৰাজ, শঙ্কৰে ধৰ্ম্মৰ বিৰোধী ধৰ্ম্ম প্ৰচাৰ কৰিছে ; তেওঁ শাস্ত্ৰ নামানে, তেওঁৰ কোনো আচাৰ বিচাৰ নাই ; এক শৰণীয়া বুলিহে তেওঁ তেওঁৰ ধৰ্ম্ম বখানে, কিন্তু তাৰ ফলত সকলো লোক ভ্ৰষ্টাচাৰী হৈ পৰিছে। মহাৰাজ, আপুনি যদি ইয়াৰ বিচাৰ নকৰে তেন্তে আপোনাৰ শ্ৰী যশ আয়ু নষ্ট হব।" এইদৰে টানকৈ নানা কথা শঙ্কৰৰ বিপক্ষে ব্ৰাহ্মণসকলে কৈ ৰজাৰ



উদগালত, ৰজাৰ খৰ খং উঠি তেতিয়াই ৰজাই মন্ত্ৰীক কলে "চোৰ চোন, শঙ্কৰে কেনেকৈ মোৰ ৰাজ্যত ধৰ্ম্মলোপ কৰিছে! শঙ্কৰক মই নিশ্চয় বিনাশ কৰিম! শঙ্কৰৰ ছালেৰে ডামামা ছোৱাম আৰু হাড়েৰে ডামামা বজোৱাম, মঙহ হেঙাল কুকুৰক খুৱাম! মন্ত্ৰী তুমি এতিয়াই দূত পঠিয়াই শঙ্কৰক ধৰাই আনোৱা, কণ্টেকো কণ্টেকো বিলম্ব নকৰিবা।" ৰজাৰ আজ্ঞা শুনি তেতিয়াই মন্ত্ৰীয়ে দুজন দূতক শঙ্কৰক ধৰি নিবলৈ পাচিলে। ৰজাৰ এইকথা ভায়েক চক্ৰধ্বজে শুনি বৰ বেজাৰ পাই, অলপমান পৰ ভাবি থাকি, পিছত মনতে কৰ্ত্তব্য থিৰ কৰি, আঠজন দূত, নাও নাৱৰীয়াৰে সৈতে, শঙ্কৰদেৱক লৰালৰিকৈ তেওঁৰ ওচৰলৈ আনিবলৈ পঠিয়াই দিলে। তেওঁ মাজিক ডচাই ডচাই হুকুম দিলে যে সিহঁতে ৰাতিয়ে-দিনে বেগাবেগিকৈ নাও বাই গৈ, ৰজাৰ দূতে শঙ্কৰক ধৰাৰ আগেয়েই যেন তেওঁক নাৱত তুলি তেওঁৰ ওচৰলৈ লৈ আহে। সিহঁত শঙ্কৰৰ ওচৰ পোৱাৰ আগেয়েই যদি ৰজাৰ দূতে সেইখিনি পাই শঙ্কৰক ধৰে গৈ তেন্তে সিহঁতে ৰজাৰ দূতৰ হাতৰপৰা শঙ্কৰক বলেৰে কাঢ়ি আনিব। যদি সিহঁতে তেওঁৰ হুকুমমতে শঙ্কৰদেৱক ৰজাৰ দূত পোৱাৰ আগেয়ে বা পিছতো সাৱধানে আনিব নোৱাৰে, তেন্তে সিহঁতক তেওঁ নিশ্চয় গুৰুতৰ দণ্ড দিব। সিহঁতে ৰজাৰ দূতক দেখুৱাই, শঙ্কৰদেৱৰ গাত সূতাৰ কাৰবাৰ সম্পৰ্কে ধাৰ আছে বুলি কৈ বন্দী কৰিব। কিন্তু সাৱধান, শঙ্কৰে যেন বাটত কোনো দুখ বা অপমান নাপায়।" চিলাৰায়ৰ এই হুকুমমতে তেওঁৰ আঠজন দূত আৰু মাজীহঁতে দুদিনে পাটবাউসী পাই, শঙ্কৰদেৱক এই বাতৰি কলত, শঙ্কৰদেৱে হাঁহি সিহঁতক অনুমতি দিলে, আৰু সিহঁতে তেওঁক দেখুৱাই বন্দী কৰিলে। সেই সময়তে নৰনাৰায়ণ ৰজাৰ দূত দুটা আহি তাত উপস্থিত হল। ৰজাৰ দূতে শঙ্কৰক ধৰিবলৈ হাত মেলোঁতেই, চিলাৰায় দেৱানৰ দূতে সিহঁতক চকা মাৰি খেদি আঁতৰাই কলে "যদি তহঁতে ভালে ভালে যাবি যাবৰ আশা কৰিছ, তেন্তে খবৰদাৰ, শঙ্কৰদেৱৰ গাত হাত নিদিবি ; এওঁক আমি ছোট ৰজাৰ হুকুমমতে আগেয়ে বন্দী কৰিছোঁ ; সূতাৰ ধনৰ বাবে এওঁৰ গাত ধাৰ আছে।"

মহা নৃপতিৰ দূত দুজনে তেতিয়া কি কৰিব, কি হব, ভাবিবলৈ ধৰিলে ; কাৰণ সিহঁতে শঙ্কৰক ধৰি নিব নোৱাৰিলে ৰজাই সিহঁতক যে কটাব সেইটো

এক প্ৰকাৰে থিবাং। এই দৰে সিহঁতে বাটত ভাবি গৈ থাকোঁতে, সিফালৰ পৰা নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক অহা দেখিলে। দূত দুটাই তেওঁলোক কোন আৰু কলৈ যায় বুলি তেওঁলোকক সুধিলত, নাৰায়ণ ঠাকুৰে কলে যে তেওঁলোক শঙ্কৰদেৱৰ ভক্ত, শঙ্কৰদেৱৰ খবৰ লবলৈ আহিছে; কাৰণ তেখেত কত আছে, কলৈ গল, তেওঁলোকে একো বাতৰি নাই পোৱা। এইকথা শুনি ৰজাৰ দূত দুটাই শঙ্কৰদেৱৰ সলনি তেওঁলোক দুজনকে ধৰি লৈ গৈ নৰনাৰায়ণ ৰজাৰ আগত হাজিৰ কৰি দিলেগৈ। দূতে ৰজাৰ আগত কলে, যে সিহঁত পোৱাৰ আগেয়েই শঙ্কৰ কবলৈ পলাই গল; শঙ্কৰৰ এই দুজন প্ৰিয় শিষ্য; সেই দেখি সিহঁতে এওঁলোককে ধৰি আনিছে। দূতৰ কথা শুনি নৰনাৰায়ণ ৰজাই তেওঁলোক দুজনক সুধিলে, তহঁতে ক, শঙ্কৰ কলৈ গল?" তেওঁলোকে কলে "আমি একো নাজানো।" ৰজাই তেওঁলোকক কলে "শঙ্কৰৰ কেনে ব্যৱহাৰ চাওঁকচোন।—সকলো প্ৰজাক শঙ্কৰে কেনে অধৰমী কৰিছে; কাকো পূজা হোম আদি কৰিব নিদিয়ে। ব্ৰাহ্মণসকলে শঙ্কৰ অধৰ্ম্মী বুলি মোৰ আগত গোচৰ দিছে; এই কথা সঁচা নে মিছা তহঁতে ঠিককৈ কচোন?" ৰজাৰ এই প্ৰশ্ন শুনি তেওঁলোক দুজনে হাত যোৰ কৰি কলে "মহাৰাজ, শঙ্কৰৰ শুদ্ধ মত বুলি সকলোৱে জানে। ব্ৰাহ্মণসকলে মিছা কথা কৈ পাতক সঞ্চয় কৰিছে মাথোন।" তেওঁলোকৰ মুখৰপৰা এই কথা শুনি ৰজাই ক্ৰোধ কৰি দূতক কলে "ইহঁতে মিছা কথা কৈছে। সকলোৱে শঙ্কৰ অনাচাৰী বুলি কয়। ইহঁতক শাস্তি কৰিবলৈ লৈ যা, যেতিয়ালৈকে ইহঁতে সঁচা কথা নকয় তেতিয়ালৈকে ইহঁতক শাস্তি কৰি থাকিবি।" ৰজাৰ হুকুম শুনি দূতে তেওঁলোকক বাহিৰলৈ আনি শাস্তি দি কলে "শঙ্কৰ অধৰ্ম্মী অনাচাৰী বুলি কহঁক, নকলে তহঁতে জীৱনৰ আশা এৰি দে।" ঠাকুৰ আতাই উত্তৰ দিলে "শঙ্কৰৰ ধৰ্ম্মমত অতি শুদ্ধ; গীতা ভাগৱত শাস্ত্ৰৰ অনুযায়ী।" যতবাৰ নাৰায়ণ ঠাকুৰে শঙ্কৰৰ শুদ্ধ মত বুলি কয়, ততবাৰ দূতে তেওঁলোকক মাৰে আৰু হাত ভৰি মূৰ গা আদিত ভয়ানক শাস্তি দিয়ে। নাৰায়ণে তেতিয়াই তাৰ বিষয়ে কয়,—"আতা বোলে হস্তে কৃষ্ণ কৃত্যক নকৰে॥ পাৱে গুৰু ঘৰে নতু কৰয় গমন। মাথা গোটে গুৰু পাৱে নকৰে বন্দন॥ সি কাৰণে অঙ্গ গ



শাস্তিক পাবয়। ভাল হৈছে কৰ শাস্তি যতেক পাবয়॥" মাৰি মাৰি দূত হাইৰাণ হৈ, শেহত সিহঁতে অন্ধৰা-খৰি আনি তাৰে তেওঁলোকক কোবাবলৈ ধৰিলে। ৰবকৈ পীড়া পাই এবাৰ গোকুলচান্দে দূতক কলে, "আৰু নামাৰিবি ঐ! বাপু কওঁ!" এই কথা শুনি ঠাকুৰ আতাই ততালিকে গোকুলচান্দক সাৱধান কৰি দিলে—"গোকুল, তুমি কি কব খুজিছা? গুৰুৰ কি বিষম কথা তুমি দেখিছা যে তুমি কব খুজিছা?" দূতে ঠাকুৰ আতাৰ এইবাৰ কথা শুনি, ঠাকুৰ আতাক ৰবকৈ এমাৰ মাৰিলে; সেই মাৰত তেওঁৰ বাওঁহাতৰ বাহুৰ ওপৰৰ হাড় ভাগি গল! তথাপি তেতিয়াও ঠাকুৰ আতাই দৃঢ়ভাৱে কলে "গুৰু সদাচাৰী। গুৰুৰ প্ৰতি কৃতঘ্ন কাম নকৰি মোৰ হাতে পীড়া পাইছে, বেছ হৈছে পাওক!"

এইদৰে ৰজাৰ দূতে ঠাকুৰ আতা আৰু গোকুলচান্দ আটৈক ওঠৰ দিন শাস্তি দিলে, তথাপি তেওঁলোকে কৈ আছিল যে তেওঁলোকৰ গুৰু শঙ্কৰদেৱ সদাচাৰী; শঙ্কৰৰ মত শুদ্ধ; ধৰ্ম্ম শ্ৰেষ্ঠ।

ইমান শাস্তি দিয়ো দূতে তেওঁলোকৰ মুখৰপৰা একাষাৰ কথা শঙ্কৰদেৱৰ বিপক্ষে উলিয়াব নোৱাৰি নিৰুপায় হৈ শেহত ৰজাক কলেগৈ যে সিহঁতে তেওঁলোকক যিমান শাস্তি দিলে কৈ অঁতাব নোৱাৰে, তথাপি তেওঁলোকে একবাক্যে শঙ্কৰক সদাচাৰী আৰু শঙ্কৰৰ মত শুদ্ধ বুলি হে কয়; এই কথাৰ বাহিৰে তেওঁলোকে একো নকয়। ৰজাই দূতৰ মুখে এই কথা শুনি যদিও আচৰিত মানিছিল, তথাপি হৰি গৰমলিক আদেশ কৰিলে "তই ইহঁতক লৈ গৈ ভোটক বেচি দে গৈ। ইহঁতৰ এনে অৱস্থা শুনিলে তেহে আন লোকে ভয় খাই আৰু শঙ্কৰৰ ধৰ্ম্মমত গ্ৰহণ নকৰিব।" গৰমলিয়ে ৰজাৰ আদেশ শুনি তেওঁলোকক বান্ধি ভোটক বেচিবলৈ লৈ গল। ঠাকুৰ আতাৰ ভাৰ্য্যা স্বামীৰ পিছে পিছে বেহাৰলৈকে আহিছিল; তেওঁ স্বামীৰ দুখ নিজ চকুৰেই দেখি আঁতৰে আঁতৰে আছিল; আৰু ইমান বিপদত স্বামীৰ ঈশ্বৰত আত্মসমৰ্পণ আৰু গুৰুত অচলা ভক্তি দেখি তেওঁ নিজক এনেজন পুৰুষৰ ভাৰ্য্যা বুলি ধন্য মানি গোটেই ডোখৰ কালত পৰম কাকুতি ভাৱে ঈশ্বৰৰ চৰণত স্বামীৰ ৰক্ষাৰ্থে প্ৰাৰ্থনা কৰি আছিল। যেতিয়া তেওঁ দেখিলে যে তেওঁৰ স্বামীক ভোটক বেচি দিবলৈ লৈ যোৱা হৈছে, তেওঁ

নিজৰ মন দৃঢ় কৰি সঙ্কল্প কৰিলে, যে তেৱোঁ স্বামীৰ লগতে যাব, আৰু মৰিব লাগিলে স্বামীৰ লগতে মৰিব. এই ভাবি তেওঁ তেওঁলোকৰ পিছে পিছে গল। হৰি গৰমলিয়ে ঠাকুৰ আতা আৰু গোকুলচান্দক লৈ গৈ হাট পোৱাই, এটা ঘৰৰ ভিতৰত লোৰ শিকলিৰে দুইবো ভৰি বান্ধি দুইকো পেলাই থৈ দিলে। নাৰায়ণ ঠাকুৰৰ ভাৰ্য্যাও ওচৰতে থাকিল। ভৰিত শিকলিৰ কট্‌কটীয়া বান্ধ,ভালকৈ তেওঁলোক শুবও নোৱাৰে। কেৱল ঘনে ঘনে হৰি নাম উচ্চাৰণ কৰি দুইজন বন্দী সেইভাৱে পৰি বল। পুধুলি হলত দুয়ো নাম-প্ৰসঙ্গ কৰিবলৈ ধৰিলে, আৰু তাৰ পিছত, লগত থকা পুথি এখন পাঠ কৰিবলৈ ধৰিলে দেখি গৰমলিয়ে বৰ আচৰিত মানি তেওঁলোকক শুধিলে "অহৰ্নিশে তোমালোকে ঈশ্বৰৰ নাম লব লাগিছা ; কিন্তু কত্তা, ঈশ্বৰে তোমালোকক দেখোন নাৰাখে, মাত্ৰ দুখ ভুঞ্জি মৰিছা ?" এইকথা শুনিয়া ঠাকুৰে পাছে দিলেক উত্তৰ। জগত পালন কৰে মায়াৰে ঈশ্বৰ॥ কৰ্ম্মবশে সুখ দুঃখ দেহৰ আছয়। কৰ্ম্ম অনুসৰি তাক ভুঞ্জিবে লাগয়॥ বিনাশী দেহৰ অৰ্থে তক্তে মৰাঙ্গয়। ঈশ্বৰৰ ইচ্ছা মাত্ৰ কহিয়া থাকয়। ঈশ্বৰৰ পাদপদ্মে মতি নাছাৰোক। তাহাৰ ভক্তৰ সঙ্গে সদা সঙ্গ হোক॥ এহি মাত্ৰ বাঞ্ছা কৰি নাম লৈয়া থাকোঁ। তান প্ৰীতি বাজে বাঞ্ছা নাহি কয় একো॥" এই উত্তৰ শুনি গৰমলিয়ে একোকো নকৈ ওচৰৰে ঘৰ এটাত শুই থাকিল গৈ। ৰাতি দুপৰত নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দৰ ভৰিৰ লোৰ শিকলি কেনেবাকৈ ছিগি পৰিলত, নাৰায়ণ ঠাকুৰে তেতিয়াই তেওঁ-লোকৰ প্ৰহৰীক জান দিলে যে তেওঁলোকৰ ভৰিৰ শিকলি ছিগি গৈছে। প্ৰহৰীয়ে আহি তেনে হোৱা দেখি তেতিয়াই গৰমলিক খবৰ দিলত, আকৌ গৰমলিয়ে দৃঢ় লোৰ শিকলিৰে তেওঁলোকক বান্ধিলে। ইয়াৰ কিছুমান সময়ৰ পিছত আকৌ নাৰায়ণ ঠাকুৰে প্ৰহৰীক মাতি কলে যে আকৌ তেওঁ-লোকৰ ভৰিৰ শিকলি টুকুৰাটুকুৰ হৈ গৈছে। প্ৰহৰীৰে এই সংবাদ গৰমলিক দিলত তেওঁ আহি দেখি আচৰিত মানি মনতে ভাবিবলৈ ধৰিলে, যে এওঁলোক ঈশ্বৰ কৃষ্ণৰ ভকত ; ৰজাই নাজানি মিছাতে এওঁলোকক কষ্ট দিছে। অৱশ্যে ৰজাৰ আদেশ মতে কাৰ্য্য কৰিবই লাগিব, নতুবা মোৰ ৰক্ষা নাই ; সেইদেখি এওঁলোকক ভোটক বেচিবই লাগিব।



ৰাতিপুৱা গৰমলিয়ে ভোট মাতি আনি তেওঁলোক দুইকো দুকুৰি টকাত ভোটক বেচি দিলে। ইয়াৰ পিছত তেওঁলোকক চাৰিটা ভোটে সিহঁতৰ পৰ্ব্বতৰ ফালে লৈ গল। বাটত যাওঁতে বন্দী দুজনে মাত্ৰ ৰাম ৰাম হৰি উচ্চাৰণ কৰি গৈছিল, তাৰ বাহিৰে আৰু তেওঁলোকৰ মুখত আন কথা একো নাছিল। চৰিত্ৰত আছে যে, কিছুমান দূৰ গৈ ভোট কেইটাই এন্ধাৰ দেখিবলৈ ধৰিলত, সিহঁত ভাবিলে, এই দুটা দেও মানুহ ; এই দুটাক নি সিহঁতে কি কৰিব। ইয়াকে ভাবি সিহঁতে আলচ কৰি, নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক ওভোতাই আনি গৰমলিক দি সিহঁতৰ ধন ফিৰাই ললে। সেই চাৰিটা ভোটৰ এটাৰ নাম হামা আৰু এটাৰ নাম পামা আছিল।

ইয়াৰ পিছত গৰমলিয়ে ৰথীয়াহঁতক হুকুম দিলে, যে "এওঁলোকৰ বান্ধ-চাটবোৰ খুলি দে। এওঁলোক দুয়ো পৰম বৈষ্ণৱ মহাসাধু ; এওঁলোক কেতিয়াও নপলায়।" এই বুলি গৰমলিয়ে তেওঁলোকক মুকলি কৰি ফিৰাই ৰজাৰ ওচৰলৈ লৈ আহিল। ঠাকুৰ আতাৰ ভাৰ্য্যা এই গোটেইখিনি বাটত স্বামীৰ পিছে পিছে আছিল। ঠাকুৰ আতাই উভতি আহোঁতে বাটত ভাৰ্য্যাক পৰীক্ষা কৰিবলৈ কলে— "গুৰুজনৰ নিমিত্তে মই বৰ দুখ পালোঁ ; তুমিও নানা দুখ ভুঞ্জিলা।" এইকথা শুনি তেওঁৰ ভাৰ্য্যাই আচৰিত মানি কলে—" "হা কি কৰিলা স্বামী এমত বুলিয়া॥ অপমান কৰিবাক গুৰুক নাপায়। শাস্ত্ৰ সাধু কহিছন্ত দঢ়াই দঢ়াই॥ শৰীৰত আছে সুখ দুঃখ নানামত। অনিত্য শৰীৰ দুঃখ হোৱয় সতত॥ গুৰুৰ কাৰণে যিবা দুঃখ আছা পাই। অনেক জন্মৰ ভাগ্য হৈয়াছে উদয়॥ "ভাৰ্য্যাৰ এনে তেজস্বী আৰু সাধু উত্তৰ শুনি নাৰায়ণ ঠাকুৰে তেওঁক ধন্য ধন্য বুলি প্ৰশংসা কৰিবলৈ ধৰিলে। তিন দিনৰ বাট উভতি অহাৰ পিছত ৰাতি গৰমলিয়ে এটা স্বপ্ন দেখি, ৰাতিপুৱাই নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দৰ ওচৰলৈ আহি তেওঁৰ দোষৰ নিমিত্তে ক্ষমা প্ৰাৰ্থনা কৰি কলে "ৰজাৰ আজ্ঞাত নিৰুপায় হৈ মই তোমালোক দুজন হৰিভক্তক দুখ দিলোঁ। অজিজ্ঞাসী মূৰ্খ ৰজাই লগনীয়া দুষ্ট বামুণসকলৰ কথা শুনি এনে কাম কৰিছে।" ইয়াৰ পিছত গৰমলিয়ে তেওঁলোকক ৰজাৰ আগত উপস্থিত কৰি আনুপূৰ্ব্বিক বৃত্তান্ত জনালত, ৰজাই পৰম বিস্ময় মানি তেওঁলোকক এৰি দিবলৈ হুকুম দিলে। গৰমলিয়ে তেতিয়াই তেওঁলোকক বাহিৰলৈ

আনি এৰি দি কলে "মোক অনুগ্ৰহ কৰি আপোনাসকলৰ গুৰু শঙ্কৰদেৱক দেখুৱাওক, তেওঁক দেখি মই পৰম কৃতাৰ্থ হওঁ।"

সেই সময়ত ঠাকুৰ আতাৰ স্ত্ৰীয়ে এটি পুত্ৰ সন্তান প্ৰসৱ কৰিছিল। যিজাই নাৰায়ণ ঠাকুৰ আৰু গোকুলচান্দক যি দিনা মুক্তি দিলে, সেই দিনা নাৰায়ণ ঠাকুৰৰ ভাৰ্য্যাৰ অশৌচৰ অন্ত। ঠাকুৰ আতাই ভাৰ্য্যাৰে সৈতে নৱজাত শিশুক লৈ শঙ্কৰদেৱৰ ওচৰ পালেগৈ। ৰাতিপুৱাই শঙ্কৰদেৱে সদাচাৰ কৰি আঁতাই, দূৰৰপৰা বিশিকি বিশিকি দেখিলে যে নাৰায়ণদাস ভাৰ্য্যা পুত্ৰৰে সৈতে তেওঁৰ ফাললৈ আহিছে। তেওঁ সেইফালে আনন্দিত মনে চাই থাকোঁতেই নাৰায়ণদাসে ওচৰ চাপি আহি তেওঁৰ চৰণত দণ্ডৱতে পৰি কান্দিবলৈ ধৰিলে; আৰু নৱজাত শিশুক তেওঁৰ আগত নি থলে। শঙ্কৰদেৱে নাৰায়ণক আশ্বাস কৰি কলে "বাপু তুমি মোৰ নিমিত্তে বৰ দুখ পালা।" নাৰায়ণে কলে "বাপু, আপোনাৰ সেৱা ভালকৈ কৰা নাছিলোঁ, সেই অপৰাধতহে দুখ পালোঁ। আপোনাৰ কৃপাত এতিয়া সকলো দুখ তৰিলোঁ আৰু আপোনাৰ চৰণ সেৱা কৰিবলৈ আকৌ পালোঁ। দুখতে আপোনাৰ দাসৰ এইটি লৰা জন্ম হল; সেইদেখি ইয়াৰ নাম দুখীয়া থৈছোঁ।" শঙ্কৰদেৱে কলে "নাৰায়ণ, যেতিয়া ইয়াৰ জন্ম হল, তেতিয়া তোমাৰ দুখ গুচি আনন্দ পালা; এতেকে ইয়াৰ নাম পৰমানন্দ দিলোঁ। ইয়াৰ জনমত মোৰ এজন ভকত বাঢ়িল।" এই বুলি তেওঁ তেওঁৰ দক্ষিণ পদৰ আঙুলি এটি পৰমানন্দৰ মূৰত দি তাক আশীৰ্ব্বাদ কৰিলে।

এনে সময়তে হৰি গৰমলি শঙ্কৰৰ ওচৰত ওলালহি। গৰমলিয়ে শঙ্কৰৰ চৰণত পৰি স্তুতি কৰিবলৈ ধৰিলত, ঠাকুৰ আতাই তেওঁৰ বিষয়ে সকলো কথা শঙ্কৰদেৱৰ আগত জনাই কলে, "এওঁক, বাপ, আপোনাৰ সেৱকৰ ভিতৰত গণ্য কৰি লওক। বৰ শঙ্কটৰ সময়ত এওঁৰ অনুগ্ৰহত আমি সুখে আছিলোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।



# জীৱ শৰীৰ।

শৰীৰ বুলিলে সকলো প্ৰাণীৰ শৰীৰ বুজায়, কিন্তু ইয়াত মানুহৰ শৰীৰক লক্ষ্য কৰি সকলো কথা কোৱা হৈছে। শৰীৰ উৎপত্তিৰ ভূমি ৰজস্বলা স্ত্ৰী, কাজেই ৰজস্বলা তিৰোতাৰ কথা কবলগীয়া হৈছে। বাৰ বছৰৰপৰা পঞ্চাচ বছৰলৈকে স্ত্ৰীলোকৰ ঋতুৰ সময়, প্ৰায় তেতিয়াৰপৰাই প্ৰতি মাহে ৰজো নিঃসৰণ হয়। প্ৰথম দিনৰপৰা ষোল ৰাতিলৈকে ঋতুকাল, এই ষোল ৰাতিক গৰ্ভ ধাৰণৰ যোগ্য কাল বুলি পণ্ডিতসকলে কৈছে, "আৰ্ত্তৱ স্ৰাব দিৱসাদৃতুঃ ষোড়শ ৰাত্ৰয়ঃ। গৰ্ভ গ্ৰহণ যোগ্যস্তু স এব সময়ঃ স্মৃতঃ" ॥ ৰমণীৰ মুত্ৰদ্বাৰ শঙ্খনাভিৰ নিচিনা তিনটি আবৰ্ত্ত বিশিষ্ট। পিত্তাশয় আৰু পক্কাশয়ৰ মধ্যবৰ্ত্তী তৃতীয় আবৰ্ত্তত গৰ্ভশয্যা প্ৰতিষ্ঠিত। গৰ্ভশয্যাৰ মুখ ৰৌমাছৰ মুখৰ নিচিনা বাহিৰে সৰু ভিতৰে ডাঙৰ, অৰ্থাৎ পানীৰ মাজত থকা ৰৌমাছে স্বভাৱতে যেনেকৈ মুখ মেলে আৰু জপায়। এই নিয়ম ঋতুকাললৈ থাকে, তাৰ পিছত আৰু এই নিয়ম নাই যেনে "দিনে ৰাত্ৰীতে নিয়ত্তঃ শঙ্কুচত্যম্বুজং যথা। ঋতৌ ব্যতীতে নাৰ্য্যাস্তু যোনিঃ সংত্ৰিয়তে তথা"॥ (সুশ্ৰুত সংহিতা শৰীৰ স্থান।) ঋতুকালত অদুষ্ট যোনি অদুষ্ট শোণিত আৰু অদুষ্ট গৰ্ভাশয় বিশিষ্টা স্ত্ৰীৰ সহিত অদুষ্ট শুক্ৰ পুৰুষৰ সংসৰ্গত ওপজা বিশুদ্ধ শুক্ৰ শোণিত গৰ্ভাশয়ত অন্তৰ্নিবিষ্ট হলে, কৰ্ম্ম সূত্ৰেৰে যেতিয়া জীৱাত্মা মনোৰেৰে সৈ সেই শুক্ৰশোণিতক অৱলম্বন কৰে তেতিয়া গৰ্ভৰ উৎপত্তি মাথোন। মাতাৰ ৰস বাহিনী নাড়ীৰ সহিত গৰ্ভস্থ সন্তানৰ নাভীৰ নাড়ী লগলাগি থকাত, সেই নাড়ীৰ দ্বাৰাই গৰ্ভিনীৰ আহাৰ আৰু ৰসবীৰ্য্য গৰ্ভৰ ভিতৰলৈ গৈ সেই স্নেহ সদৃশ পদাৰ্থৰ দ্বাৰাই গৰ্ভস্থ সন্তান লাহে বাঢ়ি থাকে। তাৰ পিছত যথাকালত (দহ মাহত) অৱয়ৱসকল, ইন্দ্ৰিয়, বল, বৰ্ণ, আকৃতি সম্পন্ন হৈ সকলো বিষয়ৰ সকলো অঙ্গ প্ৰত্যঙ্গ পৰিপূৰ্ণ হোৱাত, শৰীৰ নামেৰে অভিহিত হৈ অনায়াসে ভূমিষ্ঠ হয়। এই বিষয় বহুত কবলগীয়া আছে, প্ৰসঙ্গক্ৰমে পিছত কোৱা যাব। আগেয়ে শৰীৰৰ অঙ্গ, উপাঙ্গ, দোষ, ধাতু, উপধাতু, আশয়, কলা, মৰ্ম্ম, সন্ধি, শিৰা, স্নায়ু, কণ্ডৰা প্ৰভৃতিৰ কথা কোৱা হৈছে। অঙ্গ শব্দৰ অৰ্থ বহুত আছে, কিন্তু ইয়াত শৰীৰৰ একদেশ

অৰ্থ হৈছে, শৰীৰৰ আদি অঙ্গ মূৰ, মস্তলঙ্গ (মূৰৰ ভিতৰত থকা ঘিউৰ নিচিনা তৰল পদাৰ্থ) চকু, কাণ, নাক, মুখ, জিভা প্ৰভৃতি উপাঙ্গ, (অৰ্থাৎ প্ৰধান অঙ্গৰ ভিতৰত যিবিলাক সৰু সৰু অঙ্গ আছে, তাৰ নাম উপাঙ্গ) উপাঙ্গৰ সহায় থাকিলেহে প্ৰধান অঙ্গই সকলো কাম সাধিব পাৰে; উপাঙ্গৰ সহায় নহলে সি দিনতে কণা। মগজু নিখুত ভাৱে থাকিলে সকলো বিষয়তে মস্তিষ্ক অনায়াসে চলাব পৰা যায়, সকলো কথা মনত বহুদিনলৈ ভুল নোহোৱাকৈ থাকে, মগজু শুকাই গলে মূৰ অকামীয়া হৈ পৰে। দ্বিতীয় অঙ্গ গল, যিনে মূৰক সদাই ধৰি আছে। এই গলৰ ভিতৰেদি যি এটি আহাৰ্য্য বস্তুযোৱা বাট আছে তাৰ নাম অন্ননালী, এই অন্ননালীৰ পিছতে আৰু এটি শ্বাস প্ৰশ্বাস যোৱা বাট আছে, তাৰ নাম শ্বাস নালী; এই শ্বাস নালীৰ মুখ আলজিভাৰ দ্বাৰাই আগুৰা থকাই খোৱা বস্তুৰ অলপো মাথোন তাৰ ভিতৰত সোমাব নোৱাৰে, যদি দৈবাৎ শ্বাস নালীৰ ভিতৰত খোৱা বস্তু অকণ মানো প্ৰবেশ কৰে, তেন্তে তথৰ ওৰ নোহোৱা হয়। ইয়াকে আমাৰ ভাষাত বুকত ভাত লগা বোলে, আন কথা কি বেচি সময় শ্বাস নালীৰ ভিতৰত খাদ্য বস্তু থাকিলে মৃত্যু পৰ্য্যন্তও হব পাৰে। খোৱাৰ সময়ত ভালকৈ বহি লাহে লাহে ধীৰে সুস্থে খাব লাগে, ধীৰে সুস্থে খোৱাৰ পৰাই শৰীৰৰ বহুত উপকাৰ হয়। গল এটি অঙ্গ বুলি বাগ্‌ভট্‌ সংহিতাত ধৰা নাই, উপাঙ্গৰ লগত পেলাইছে? তাত মুঠতে ছয়টি অঙ্গৰ কথা কৈছে, যেনে, "শিৰোহন্তৰাধি দ্বৌ বাহু সক্‌থিনী চ সমাসতঃ। ষড়ঙ্গমঙ্গং প্ৰত্যঙ্গং তস্যাক্ষি হৃদয়াদিকং" ॥ তৃতীয় অঙ্গ বাহু যুগল, চতুৰ্থ অঙ্গ বক্ষঃ তাৰ উপাঙ্গ স্তন দুটা। স্ত্ৰী আৰু পুৰুষৰ স্তনৰ এই বিশেষ, পুৰুষৰ স্তন সদাই একে ৰকমে থাকে, যৌৱন কালত তিৰোতাৰ স্তন পীনোন্নত হয়, গৰ্ভৱতী আৰু প্ৰসূতাৰ স্তন দুগ্ধেৰে পৰিপূৰ্ণ হৈ থাকে। ইয়াৰ কাৰণ স্ত্ৰীলোকৰ শৰীৰত পুৰুষৰ শৰীৰৰ অপেক্ষা এক কুৰি পেশী (মাংস পিণ্ড) বেচি আছে, সেই পেশীৰ স্থল স্তন যুগল আৰু অপত্য পথ। শৰীৰ লগত সেই পেশীবোৰ বাঢ়ি আহিলে, পয়োধৰ যুগল পীনোন্নত হৈ উঠে। গৰ্ভকালীন জৰায়ুৰ মুখ বন্ধ থকাই আৰ্ত্তৱ নিম্নলৈ আহি তাত প্ৰৱেশ কৰিব নোৱাৰি উৰ্দ্ধগামী হৈ স্তনলৈ গৈ দুগ্ধৰূপে পৰিণত হয়, এই প্ৰমাণ সুশ্ৰুত সংহিতাত জাগৰূক আছে। হৃদয় (হৃৎপিণ্ড) পদুম ফুলৰ নিচিনা, যেতিয়া মানুহ লৰি-চাৰি ফুৰে তেতিয়া



ফুটি উঠে আৰু টোপনি গলে মুদ যায়। হৃদয় জীৱৰ আশ্ৰয় (আশ্ৰয়স্থান) আৰু চেতনাৰ (যি শক্তি থাকিলে জীৱ প্ৰবিচাৰি ফুৰিব পাৰে তাৰ নাম চেতনা) প্ৰধান স্থান। হৃদয়ৰ দুই কাষে দুটি যন্ত্ৰ আছে, তাৰ নাম হাঁওফাঁও। এই যন্ত্ৰই শ্বাস নালীৰ মূল। পঞ্চম অঙ্গ উদৰ, ষষ্ঠ অঙ্গ পাৰ্শ্বদ্বয়, সপ্তম অঙ্গ পৃষ্ঠ, এই উদৰেই সকলো যন্ত্ৰৰ ভঁৰাল ইয়াৰ ভিতৰত অসংখ্য যন্ত্ৰ আছে, পেটৰ বাওঁ ভাগে এটি প্লীহা আছে, আগফালে এটি যকৃৎ নামে যন্ত্ৰ আছে। প্লীহাতকৈ যকৃৎ বহুত ডাঙৰ, আৰু যকৃতৰ কামো বেচি। যি পিত্তই শৰীৰৰ স্বাভাৱিক তাপ ওপজায়, যাৰ সহায়ত ৰস ধাতু ৰঞ্জিত হৈ ৰক্তৰূপে পৰিণত হয়, সেই পিত্তৰ বস্তি যকৃৎ কোষ্ঠৰ একাংশত অৱস্থিত। ক্ষুদ্ৰান্ত্ৰ বৃহদন্ত্ৰ আমাশয় পক্বাশয় প্ৰভৃতিৰ কথা পৰিপাক প্ৰণালীৰ সময়ত কোৱা যাব। কটীত্ৰিক (নিতম্বদ্বয় আৰু গুহ্যদ্বাৰ এই তিনটিৰ মধ্যৱৰ্ত্তী থলৰ নাম ত্ৰিক) মেঢ্ৰ (জননেন্দ্ৰিয়) ই কওবা সমূহৰ মূল, মূত্ৰ আৰু বীৰ্য্য নিৰ্গমৰ পথ। বৃষণ (অণ্ডকোষদুটি) কফ ৰক্ত মাংস আৰু মেদৰ সাৰৰ পৰাই উপজিছে। ভাল যদি কফ ৰক্ত প্ৰভৃতিৰ পৰাই উপজিছে, তেন্তে স্ত্ৰী শৰীৰত নাই কিয়? তিৰোতাৰ শৰীৰত একশ পাচটা পেশী কম থকাত অণ্ডকোষ আৰু শেফ নাই বুলি ভোজতন্ত্ৰত কৈছে। "পঞ্চ পেশী শতান্তেৰ স্ত্ৰী বৰ্জ্জং বিদ্ধি ভূমিপ! অতশ্চ তিস্ৰো হীয়ন্তে স্ত্ৰীণাং শেফসি মুষ্কয়োঃ॥" গুদ নাড়ীৰ পৰিমান চাৰেচাৰি আঙুল, ইয়াত শঙ্খৰ মুখৰ নিচিনা তিনটি আৱৰ্ত্ত আছে, ইয়াৰ মুখেই পায়ু, ইয়াৰ কাম মল বাহিৰ কৰি দিয়া। অষ্টম অঙ্গ সক্‌থিদ্বয়, এই আঠটা অঙ্গ ধৰি সুশ্ৰুত সংহিতাৰ মতে শৰীৰটি গঠিত হৈছে।

শ্ৰীগোপীনাথ ন্যায়ৰত্নতীৰ্থ।

---

# চিঠি।

ছালনা।
১৫। ১। ১৪

সম্পাদক জাণ্ডনীয়া,

আপোনাৰ এই বছৰৰ ২য় সংখ্যা বাঁহীত লিখা আতাগকলৰ বংশাৱলীৰ

এটি কথাৰ সন্দেহ পাই আপোনাক জনাবলৈ বাধ্য হলোঁ। কথাটি এই যে :— শ্ৰীশ্ৰী৺গোপাল আতাৰপৰা বৰ্‌হা ১১ জন আতাৰ ভিতৰত যদুমণি নামেৰে দুজন আতা আছে। এজনক বৰ যদুমণি আৰু বৰ আতা বোলে আন জনক সৰু যদুমণি আৰু গজলা আতা বোলে। বৰ যদুমণি বা বৰ আতাৰ বা দিহিং আৰু বাঁহবাৰী সত্ৰ আৰু সৰুযদুমণি বা গজলা আতাৰপৰা সো.াম.ন, আমতলা, চিৰাআটীয়া কাৱৰী পাট, থুৰামুখ, ইত্যাদি সত্ৰ হৈ ছে। আৰু গজলা আতাৰপৰা বৰ্‌হাৰ চাৰিখনি সত্ৰও আছে :- মদাৰগুৰি, সোণৰীপাৰ, চৰাইবাহী আৰু পুথিপঢ়া। কিন্তু বাঁহীত লিখা মতে এইজন বদুলাৰ বাতাৰপৰা বৰ্‌হা বুলি জনা যায় এই কথা একেবাৰেই বিপৰীত। কাৰণ গজলা আতা শ্ৰীশ্ৰী৺গো.াল আতাৰ প্ৰথম শিষ্য আৰু এইজনাৰপৰাহে সোকাজান প্ৰভৃতি সত্ৰ স্থাপিত হৈছে।

শ্ৰীমহেন্দ্ৰনাথ মহন্ত।

---

## সম্পাদকৰ চৰা।

যি জাতিৰ ( Nation ) ভিতৰত সৰু বৰ জাতৰ ( Cast ) বৰ বিচাৰ আৰু পৰস্পৰৰ প্ৰতি তাৰপৰা ওপজা ঘৃণা, সেই জাতিৰ উদ্ধাৰিত্তি নাই। উন্নত জাতিৰ ভিতৰতো এই ৰোগ সোমালে সেই জাতি ৰসাতললৈ যায়। খোদাৰ গজপ সেই জাতিৰ ওপৰত পৰে আৰু সেই জাতি ঈশ্বৰৰ মঙ্গলময় করুণা-বাৰিৰপৰা বঞ্চিত হৈ ধ্বংস প্ৰাপ্ত হয়। এই কথা তেহেলৈ তুমি গাৰ বলেৰে অবিদ্যাৰ বলেৰে নামানিব পাৰা, কিন্তু কথাটো নিশ্চয়

জাতিৰ ভিতৰত সৰু বৰ থকাটো অনিৰ্বাৰ্য্য। স্বভাৱৰ গতিত অৱস্থাৰ পাকত মনুষ্য সমাজত সৰু বৰ ঘটিবই। তুমি সমাজ সংস্কাৰত আলেক্‌জেন্দাৰ-দি-গ্ৰেট হলেও বলেৰে সমাজ মৈয়াই সম্প্ৰতি সমান কৰিব পাৰিলেও দুদিনৰ পিছতে তাত পলাৰমা হবই। কিন্তু এই সৰু বৰ মাপোন ধন মান বিদ্যা জ্ঞান ইত্যাদিৰপৰা উপজি তাতে সীমাবদ্ধ হৈ থাকিলে সেই জাতিৰ জাবধাত



একেবাৰেই এক্কাৰ নহয়, কাৰণ তাৰ প্ৰতিকাৰ আছে। কিন্তু যি সৰু বৰ ভেদ ডাঙৰ কুল, নীহ কুল, পবিত্ৰ অপবিত্ৰ, শুচি অশুচিৰপৰা ওপজা, যাৰ মূল মাথোন জনমতহে, সেই সৰু বৰে জাতীয় শৰীৰক কেকোৰাখোলা দিয়ে। সেই জাতি ঘুণেখোৱা বাঁহৰ দৰে ক্ৰমশঃ অন্তঃসাৰশূন্য হৈ অপদাৰ্থ হৈ পৰে। এই দুই ৰকমৰ জাতি ভেদৰ প্ৰথম বিধ যুৰোপত, দ্বিতীয় বিধ ভাৰতত আছে। আৰু যুৰোপীয় সমাজ-শৰীৰত ঘিমানকে পোকে ধৰক তথাপি তাত এতিয়াও সাহ, আৰু ভাৰতীয় সমাজ শৰীৰত এতিয়া বাহ। এইবাবে যুৰোপত মনুষ্যত্ব আৰু প্ৰভুত্ব ভাৰতত মনুষ্যত্বহীনতা আৰু দাসত্ব। এইবাবে ভাৰত প্ৰায় সকলো বিষয়তে যুৰোপৰ ভৰিত-পৰা আৰু মুখলৈ-চোৱা।

* * *

ভাৰতৰ মানুহে নিজক নাজানি, নিজৰ এই মহাৰোগৰ প্ৰতিকাৰ নকৰি আজি অনেক কালৰেপৰা মনুষ্যত্ব হেৰুৱাই লেলাইধেন্দাই এধামৰা হৈ আছিছে। কিন্তু বিধিৰ বিধানত ইংৰাজ ভাৰতৰ গৰাকী হোৱাত আৰু যুৰোপীয় মিনৰ্ভা দেৱীৰ মন্দিৰৰ দুৱাৰ ভাৰতীয়লৈ মুকলি হোৱাত অন্ততঃ শিক্ষিত ভাৰত বাসীৰ অনেকৰ নিজৰ এই অধঃপতনৰ কাৰণৰ ফালে চকু মুকলি হৈছে। এনে সময়ত দেখি দুখ নালাগে নে যে শিক্ষিত বা শিক্ষিত হবলৈ হেঁপাহ কৰোঁতাসকলৰ ভিতৰৰ কোনো কেনোৱে মেৰপাক মাৰি পুৰণি সংকীৰ্ণ অৱস্থলৈ যাবলৈ কাৰবাৰ কৰা দেখিলে? অসমীয়াৰ মূৰৰ এক্কাৰ খোটালিত সুবুদ্ধিৰ পোহৰৰ জিলিঙনি কেতিয়াও নপৰিব নে?

* * *

কলেজত বিদ্যা শিক্ষা কৰিবলৈ অহা আৰু সেই কলেজৰ বৰ্ডিং বা ছাত্ৰাবাসত থকা সোণোৱাল কছাৰী জাতৰ ছাত্ৰৰ প্ৰতি তাৰ কোনো কোনো আন জাতৰ ছাত্ৰৰ ঘৃণাসূচক ব্যৱহাৰৰ কথা শুনি ব্যথিত হৈ আমি ওপৰত লিখা কথাষাৰ কৈছোঁ। এনে ব্যৱহাৰ উদাৰ শিক্ষাৰ চিনাকী নহয় বুলি আমাৰ বিশ্বাস। এনে ব্যৱহাৰে "পুনৰ্মূষিকোভৱ" ফালে মানুহক লৈ যোৱাটোৰ হে চিনাকী দিয়ে।

কছাৰী হলেই যে বামুণ শূদ্ৰৰ ঘৃণাৰ পাত্ৰ হব লাগে, এনে ভাব আমি আমাৰ শিক্ষিত ডেকাসকলৰপৰা আশা নকৰোঁ। বিশেষকৈ আসামত। আসামৰ অসমীয়া বামুণ আৰু শূদ্ৰৰ সকলৰ গাত কিমান Blue blood দৰ্শাং নিৰ্ম্মল আৰু সানমিহলি নোহোৱা পুৰণি ব্ৰহ্মাবৰ্ত্তৰ আৰ্য্য তেজ আছে সেইটো তেওঁলোকে দকৈ ভাবি চোৱাহেঁতেন এনে ওফন্দা-মেলা থপ মাৰি হুহুৰিলে হেঁতেন। ডাক্তৰ হানিমেন আজি জীয়াই থকা হেঁতেন তেওঁক আমি হাতে ভৰিয়ে ধৰি মাতি আনি, আমাৰ অসমীয়া আৰ্য্য-কেইজনৰ গাৰ আৰ্য্য তেজ কেইটোপা কেইটা "ডাইলিউচনত" আছে পৰীক্ষা কৰিবলৈ কওঁ হেঁতেন। মানস-সৰোবৰৰপৰা ওলাই অহা চান্‌পু বা অলকানন্দাই ব্ৰহ্মপুত্ৰ হৈ ধুবুৰী পাওঁতে কেইখন নিহিং দিপাওৰ বোঁকা পানীখাই পেট ঢকাডিঙৰা লাগি ধোবাং জুৰি পৰি উটি সাগৰৰ ফালে গৈছে, সেইটোৰ খবৰ ব্ৰহ্মপুত্ৰক সুধিলেও জানিব পাৰি। পঞ্চনদৰ আৰ্য্যৰ সোঁতা জকাইচুকু আসামলৈ আহোঁতে বাটৰ কত অনাৰ্য্য সুঁতিৰ পানীৰ পোহেৰে সি চপ্‌পীয়া হৈ আহিছে আৰু আসামৰ অনাৰ্য্য ধুলিত পৰি তাৰ গাৰ বৰণ কেনে হৈছিল আৰু হৈছে সেইটোৰ খবৰও অসমীয়াই মুখ খুলি নকলেও জানিবৰ পক্ষে ব্যাঘাত নঘটে। তাৰ উপৰি কনৌজ, অযোধ্যা, বিহাৰ, বঙ্গ, ওৰেষা, মাৰোৱাৰ, নেপাল, ভোটান আদি ঠাইৰ পৰা অহা পৰশুৰাম আৰু কামাখ্যা আদি তীৰ্থযাত্ৰীসকল, অসম ৰজাৰ বণ বিভাগত চাকৰীৰ আশাত অহাসকল, সন্ন্যাসী ফকিৰ ব্ৰহ্মচাৰীসকল আৰু সেই সকলৰ সতি-সন্ততিৰে সৰহভাগে যে অসমীয়া আৰ্য্য বামুণ কায়স্থ গঢ়িছে এই কথাটো মনত ৰাখিলে অনেক গোলমালৰ হাত সাৰিব পাৰি। বিদেশী তীৰ্থ যাত্ৰীসকলে তীৰ্থ কৰিবলৈ আহোঁতে বা চাকৰী কৰিবলৈ আহোঁতাই চাকৰী বিচাৰি আহোঁতে লগত নিজৰ দেশৰ তিৰুতা কিমান লৈ আহিছিল সেইটোও এই কথাৰ লগতে নেপাহৰিলে মঙ্গল।

* * *

সোণোৱাল কছাৰীসকল আচল কছাৰীৰ শ্ৰেণীৰেই হওক বা ক্ষত্ৰিয়েই হওক, তেওঁলোকক যেতিয়া আমি হিন্দুৰ ভিতৰত শুদ্ধ আচাৰ নীতিত



পাইছোঁ তেওঁলোকক আমাৰে এটা অঙ্গ বুলি ধৰাটোহে ন্যায়। বিশেষ আসামত সত্ৰীয়া আৰু ঘাইকৈ চাৰি-সত্ৰীয়া গোসাঁইসকলেই প্ৰধান। তেওঁলোকেই অসমীয়া সমাজৰ ইহকালৰ বিধাতা পৰকালৰ মুক্তিৰ বাট দেখুওৱাওঁতা। এনে চাৰি সত্ৰীয়া গোসাঁইৰ শিৰোমণি আউনিআটী সত্ৰৰ কেশৱদেৱ অধিকাৰ গোসাঁয়ে সদিয়াৰ সোণোৱালসকলক, স্বৰ্গীয় গদাধৰ সিংহ ৰজাই ৰাজত্ব গ্ৰহণ কৰাৰ ৭ বছৰৰ পিছত শৰণ ভজন দিয়ে। সোণোৱাল সকলৰ বিষয়ে আউনিআটী সত্ৰৰ অধিকাৰ গোসাঁইৰ চহি মোহৰেৰে লিখা চিঠি এখন আমি তলত দিলোঁ,—"সদীয়াৰ হাজাৰ ঘৰ সোণোৱাল খেলৰ লোক, পূৰ্ব্বে আমাৰ উপৰিবৰ্ত্তি কেশৱদেৱ গোস্বামীয়ে শিষ্য কৰে। ইহঁতৰ পূৰ্ব্ব ইতিহাস পৰম্পৰ এই দৰে শুনা আছে যে, এই লোকবিলাক পূৰ্ব্বে কাছাৰ ৰাজ্যত আছিল। ইহঁত জাতিত সমুদয় ৰাজবংশী কোচ। কোনো এক সময় সেই দেশৰ ৰজাৰ পৰা ইহঁতৰ প্ৰাণ নাশক ভয় উপস্থিত হোৱাত, তাৰপৰা সমুদয় পলাই ভাগি আহি আসাম ৰজাৰ আশ্ৰয় লয়হি। আসাম ৰজাই সিহঁতৰ স্থান স্থিতি জাতি বিচাৰ কৰি সিহঁতক আশ্ৰয় দি সদীয়া স্থানত ৰাখে। ৰাজবংশী বুলি কাঢ়ী কামলৈ নানি সোণোৱাল পাতে, সেই অৱধি সিহঁতে সোণ কমাই ৰাজ কৰ সোধাই চলি আহিছে। কিন্তু কাছাৰ ৰাজ্যৰ পৰা অহা হেতুকে লোকে ইহঁত কছাৰী বুলি ব্যৱহাৰ কৰিবলৈ ধৰাত কছাৰী নাম পাই। আচল জাতি কছাৰী নহয়। কছাৰী জাতি পৃথক। ইহঁত ৰাজবংশী বিদেশৰ পৰা অহা কোচ জাতি। ইতি ১৮২৫। ২১ কাৰ্ত্তিক।"

* * *

এনে চিঠি থকাতো সোণোৱালসকলক আন আন অসমীয়াই নীহ বুলি ঘৃণা কৰাটো, বিশেষকৈ কলেজত পঢ়া ছাত্ৰসকলে, কোন বিধৰ কথা আমি কব নোৱাৰোঁ। এনে কৰিবলৈ গৈ নিজৰ জাতৰ মিছা গৌৰৱত ওফন্দা অসমীয়াই যে নিজৰ দেশৰ অহিতৈষী বুলি চিনাকী দিছেহি, গুৰু-ঘৰৰ বাক্য অৱজ্ঞা কৰা দোষতো নপৰি নাই থকা। সকলো ফালৰপৰা চালে এনে ব্যৱহাৰ গৰ্হিত বুলি নোৱাৰি।

:· :· :·

সোণোৱালসকল অসমীয়া সমাজৰ নিচেই নগণ্য অঙ্গও নহয়। আউনিআটী সত্ৰৰ বেজেষ্টৰী বহিমতে সদিয়া অঞ্চলত ৫৬৭২ জন শৰণীয়া সোণোৱাল আছে। ই কেৱল মতা মানুহৰ হে লেখ। গতিকে লবাই ছোৱালীয়ে মতাই মাইকীয়ে শৰণ ভজন লোৱা নোলোৱাৰ আজিকালি উল্লিখিত হিচাপৰ চাৰি পাঁচ গুণ সৰহ হব। ইয়াৰ বাহিৰে শিৱসাগৰ, জোৰহাট আৰু গোলাঘাট আদি ঠাইতো ডেৰহেজাৰ-দুহেজাৰ সোণোৱাল হব। তেওঁলোকৰ মাজত গণ্য মান্য শিক্ষিত লোকও অনেক আছে। সমাজৰ এনে এটা শক্তিশালী অঙ্গক মিছা ভেমত উখহা অসমীয়া জনচেৰেক বামুণ শূদিৰৰ লবাই অন্যায় কৰি মনকষ্ট দিয়াটো অতি অন্যায় কাৰ্য্য।

:· :· :·

সোণোৱালসকল যে আচল কছাৰী নহয় এই কথা আউনিআটীৰ অধিকাৰ গোসাঁইৰ চিঠিয়েই প্ৰমাণ কৰিছে। তেওঁলোকে কাছাৰৰপৰা আহিছিল দেখিহে কছাৰী নাম পাইছে। স্বৰূপাৰ্থত তেওঁলোকৰ নিজৰ পূৰ্ব্বাপৰ চলি অহা পুৰণি বৃত্তান্ত মতে তেওঁলোক ক্ষত্ৰিয়, বৰ্ম্মণ উপাধিধাৰী। তেওঁলোকৰ উপৰিপুৰুষসকলে উত্তৰী ধাৰণ কৰাৰ প্ৰমাণও আছে। এতিয়াও শ্ৰাদ্ধাদি কাৰ্য্যত তেওঁলোকে সেই পুৰণি স্মৃতি ৰক্ষা কৰি উত্তৰী পৰিধান কৰে। আসামত কলিতাসকলৰ দৰে তেওঁলোকৰ ক্ষত্ৰিয়ত্ব নিৰ্জীৱ হৈ লুপ্ত হৈছে। এনে অৱস্থা আসামত আৰু অনেক জাতৰ ঘটিছে। এনে স্থলত কানেকৈ সোণোৱালসকল আন অসমীয়াৰ ঘৃণাৰ পাত্ৰ হয় আমি বুজিব নোৱাৰোঁ। নিশ্চয় ঘিণ কৰোঁতাসকলে নিজৰ ইতিহাস নাজানে বা পাহৰিছে, বা জানিও নিজৰ ফালে চকু নিদি পৰৰ ওপৰত চৰ্দ্দাৰী কৰিবলৈ বিচাৰিছে। আমি শিক্ষিত অসমীয়াৰপৰা, বিশেষকৈ কলেজত পঢ়া অসমীয়াৰপৰা এনেকুৱাতকৈ ভাল আশা কৰোঁ; তেওঁলোকেই আসামৰ ভবিষ্যতৰ আশা ভৰসাৰ স্থল সেইটো তেওঁলোকে ভাবি চলাটো যুগুত। সঙ্কীৰ্ণতাই অসমীয়া জাতি গঠনত সহায় নকৰে; বৰং জাতিক আৰু অধঃপতনলৈ হে নিব। সংকীৰ্ণতাই হিন্দুজাতিক চপৰাচপৰে থহাই ঠেক আৰু দুৰ্ব্বল কৰি যে জানিছে, আৰু এই সঙ্কীৰ্ণতা-ৰোগত নপৰা মুছলমানকে আদি কৰি আনবোৰ জাতি যে দিনে দিনে বহল আৰু সবল হৈ আহিব লাগিছে, আমাৰ লবাহঁতে দেখা নাই নে? এনেই "মই শিক্ষিত হৈছোঁ, এল এ, বি এ, পাচ কৰি দেশৰ ধৰণী হৈছোঁ" বুলি গপ মাৰি ফুৰি একতা সভাত দীঘল দীঘল ফ্ৰেজ আৰু ইডিয়ম" লগাই বক্তৃতা কৰি ফুৰিলে কি হব? Less talk and more work" শিকা বোপাহঁত! আৰু তাৰ উপৰিও Practical হোৱাঁহঁক।



:· :· :·

আৰু কছাৰীবিলাকক বা নীহ কুলীয়া বুলি কোনে কলে? হিন্দুৱে মুছলমানক আৰু মুছলমানে হিন্দুক নীচ কুলীয়া বোলাৰ দৰে নে কি? হায় কপাল! একালত প্ৰায় গোটেইখন আসাম কছাৰীৰ অধীনত আছিল। কছাৰী ৰাজত্ব আৰু ভাষাৰ চিন এতিয়াও আসামৰ বুকুৰপৰা মছ খোৱা নাই; কছাৰীয়ে নামকৰণ কৰা প্ৰধান প্ৰধান অসমীয়া নৈয়ে আজিও দিহিং, দিখৌ, দিপাং, দিছাং আদি কছাৰী নাম লৈ আৰ্য্য বামুণৰ তিল মাহ ফুল তুলসী বুকুত তুলি আসামক পবিত্ৰ কৰি বৈ যাব লাগিছে। বিজয়ী আহোমে প্ৰথম ডোখৰত কছাৰীৰ হাতত কেইবাখন যুদ্ধত বিজয় কিৰীটিৰ চূড়া দোৱাঁৰ লগীয়াত পৰিছিল। অনেক কাল কছাৰীয়ে আহোমক দিখৌনৈ পাৰ হব নিদিয়াকৈ উত্তৰ পাৰতে ভেটা দি ৰাখিছিল। দিখৌ নৈয়েই কছাৰী আৰু আহোম ৰাজ্যৰ সীমা হৈছিল। শেহত লাহে লাহে হে সৰ্ব্বজয়ী আহোমে কছাৰীক নগাওঁ অঞ্চললৈ ঠেলি নিছিল। কছাৰীৰ ডিমাপুৰৰ ভগ্নাৱশেষে সেই কালত কছাৰীৰ উচ্চ সভ্যতা আৰু জ্ঞান বিস্তাৰ আজিও চিনাকী দিয়ে। আহোমে যেতিয়া ইটাৰ ব্যৱহাৰ নাজানিছিল, কছাৰীৰ ডিমাপুৰ নগৰে কছাৰীৰ স্থপতি বিদ্যাৰ জ্ঞানৰ ওখ সীমাৰ চিনাকী দিছিল। ডিমাপুৰৰ পিছৰ ৰাজধানী মাইবঙেও কছাৰীৰ গৌৰৱ কীৰ্ত্তিকলাপ অক্ষুন্ন ৰাখিছিল। ৰুদ্ৰসিংহ ৰজাই যদিও কছাৰীক যুদ্ধত হৰুৱাইছিল তথাপি তেতিয়াও কছাৰীয়ে নিজৰ বীৰ্য্যৰ বলৰ পৰিচয় দি ৰুদ্ৰসিংহৰ আহোম বীৰপুৰুষসকলক অলাকলা নকৰি নেৰিছিল। কছাৰীৰ গৌৰৱ-সূৰ্য্য অস্ত যোৱাত কছাৰী জাতি কাছাৰ বোলা ঠাই পায়গৈ। আচলতে কাছাৰ কছাৰীৰ ঠাই নহয়, আৰু কাছাৰৰ অধিবাসী

বুলি কছাৰীৰ নামও কছাৰী হোৱা নহয়। পিছত যি কছাৰীৰ অধিকৃত বাস-ভূমি বুলিহে তাৰ নাম কাছাৰ হৈছে।

* * *

১৭৯০ খৃষ্টাব্দত কছাৰৰ ৰজা কৃষ্ণচন্দ্ৰ আৰু ভায়েক গোবিন্দচন্দ্ৰই পণ্ডিত বেদজ্ঞ ব্ৰাহ্মণসকলৰ বিধানমতে যজ্ঞ কৰি তামৰ গাইৰ গৰ্ভত সোমাই তাৰপৰা ওলাই আহি ক্ষত্ৰিয় জাতলৈ উঠে। তেতিয়াৰপৰা শাস্ত্ৰৰ বিধান মতে কছাৰীসকল ক্ষত্ৰিয় বুলি অভিহিত হয়। এতেকে আমি যদি আমাৰ পূৰ্ব্বপুৰুষ মহামহোপাধ্যায় বেদজ্ঞ ব্ৰাহ্মণৰ সন্তান হওঁ আৰু সেই ব্ৰাহ্মণৰ বিধান শিৰোধাৰ্য্য কৰি চলা ব্ৰাহ্মণৰ কায়স্থ কলিতা আদি জাতৰ হওঁ তেন্তে কাছাৰৰ লোকক আমাৰ ভিতৰৰ নহয় বুলি ঘিণ প্ৰকাশ কৰোঁ কেনেকৈ?

* * *

হিমালয়ৰ পাদদেশত থকা, ব্ৰহ্মপুত্ৰ আৰু কুশী নৈৰ মাজৰ ঠাই ডোখৰৰ নাম খেচৰ ভূমি। নেপালীসকলে সেই ঠাইডোখৰক সেই নামেৰেই উল্লেখ কৰি আহিছে। সেই ঠাইডোখৰেই কছাৰীৰ আদিবাস ভূমি আৰু তাৰপৰাই তেওঁলোক আহিছে। সেই খেচৰ ভূমিৰ অধিবাসী দেখি তেওঁলোকক খেচৰী বা কছাৰী বোলে। খ উচ্চাৰণটো লাহে লাহে ক হৈ গল। এতিয়া চাব লাগে যে খেচৰ মানে কি? ভূচৰ অৰ্থাৎ পৃথিবীবাসীৰ জাত বা মান খেচৰ অৰ্থাৎ স্বৰ্গবাসীতকৈ ডাঙৰ নে? পুৰণি আৰ্য্যসকলৰ দেৱলোক বা স্বৰ্গ যে হিমালয় প্ৰদেশ সেইটো আজিকালি প্ৰমাণিত। সোণোৱাল কছাৰীক যদি আউনি-আটীয়া অধিকাৰ প্ৰভুৰ কথা অমান্য কৰি ক্ষত্ৰিয় বা ভাল জাতৰ নুবুলি আচল কছাৰীকে বোলোঁ, তেনেহলেও দেখোন অসমীয়া ভূচৰসকলে পবিত্ৰতা আৰু মৰ্য্যাদাৰ স্থানৰ হিচাপত কছাৰী বা খেচৰসকলক ঘিণ কৰিবলৈ পোৱা দূৰৰ কথা, বেঙা মেলিও চুবলৈ নেপায়।

* * *

সেহত কওঁ যে কছাৰীৰ বিষয়ে ওপৰত কোৱা কথাবিলাক আমি সাজি কোৱা নহয়; প্ৰামাণ্য বুৰঞ্জী আৰু কাকতপৰা অনা হে।